## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1929 - (1851 Sak) | Edition: |
| Size: 23½ cms - 519 pages | Genre: Magazine |
| Volumes: 18 - (11 issues) | Condition of the original: Brittle |
| Remarks: Editor . | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫৩৯৮/আ:
১৫.৮.৯৭




১৮শ বছৰ

১৮৫১ শক

"ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহবিদ্যতে"

৩য় সংখ্যা

আহাৰ

# সাক্ষী

দেখা পায়ে কিয় বা লুকালা
মণিটি যে সুলকি পৰিল ;
আঁচলৰ আগটিতে লাগি
ফুলবো যে পাহিটি সৰিল ।
নেভাবিবা তুমি গুচি গলে
চিন তাৰ একো নেথাকিব ;
তুমি আজি আহিছিলা বুলি
কেৱে আৰু প্ৰমাণ নিদিব ।
এতিয়াও দুবৰিডৰাত
পৰি আছে চৰণৰ চাব ;
এতিয়াও পখিলাশাৰীৰ
কিবা এটি আমোদন ভাব ।
এতিয়াও গছৰ পাতত
লাগি আছে উশাহ তোমাৰ ;

এতিয়াও তোমাৰ সুবাসে
মলয়াক দিছে সুধাধাৰ ।
এতিয়াও লাজুকী বনৰ
গুচা নাই কুচিমুচি ভাও ;
এতিয়াও মউ-মাখিবোৰে
কাঢ়িয়ে ফুৰিছে হামবাও ।
এতিয়াও তোমাৰ বীণৰ
হোৱা নাই প্ৰতিধ্বনি শেষ ;
এতিয়াও নীৰলে পখীটি
গীত এৰি তন্দ্ৰাতে আবেশ ।
কেনিবাদি তৰাটিয়ে আজি
ইয়াতে হে আছেহি লুকাই ;
তোমাৰে হে বাতৰি প্ৰচাৰি
আকাশত জলিব তুনাই ।

শ্ৰীলক্ষ্মীনাথ ফুকন

---

৫৩৯৮/অ:

# চোৰ গৃহস্থ আৰু গৃহস্থ চোৰ

হৰ্ণ্লী চাহাবৰ মতে, ৮০০ খৃষ্টাব্দ আৰু ১২০০ খৃষ্টাব্দৰ ভিতৰত ভাৰতবৰ্ষৰ প্ৰাকৃত ভাষাসমূহ লোপ পায় আৰু তাৰপৰা বিভিন্ন প্ৰাদেশিক ভাষাবোৰৰ জন্ম হয়। বঙালী ভাষা আৰু সাহিত্যৰ বুৰঞ্জী লিখক ৰায় বাহাদুৰ দীনেশচন্দ্ৰ সেনেও এই কথা অস্বীকাৰ কৰা নাই (বঙ্গভাষা ও সাহিত্য, ২য় সংস্কৰণ, ১৫ পিঠি)।

বঙলাৰ অন্যতম সাহিত্যৰ বুৰঞ্জী লিখক পণ্ডিত ছিভিলিয়ান ৰমেশচন্দ্ৰ দত্তই এই নীতি অনুসৰি কয়, চতুৰ্দ্দশ শতিকাত জয়দেৱ আৰু চণ্ডীদাসৰ কবিতাৰে পোনতে প্ৰকৃত বঙ্গ সাহিত্যৰ পাতনি হৈছে, আৰু এই শতিকাৰ চণ্ডীদাসেই প্ৰথম বঙালী কবি। তাৰ পাছত পঞ্চদশ শতিকাত সংস্কৃত ৰামায়ণ আৰু মহাভাৰতৰ বঙালী ভাঙনী আৰু ষোড়শ শতিকাৰ বৈষ্ণৱ আন্দোলনে বঙালী সাহিত্যৰ ভেটি সুদৃঢ়ভাৱে থাপনা কৰে। (*Literature of Bengal*, Preface p. iv etc.)

ডাকৰ বচন আৰু দীপিকাছন্দ পুথিৰ কালৰ ভাল মীমাংসা নোহোৱাত এই দুখন পুথিৰ কথা এৰি দিলে, আমি অসমীয়া সাহিত্যৰ পঞ্চদশ শতিকাৰ বৈষ্ণৱ কবি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ আগত, তেওঁৰ চাৰি পুৰুষৰ আগৰ অৰ্থাৎ ত্ৰয়োদশ শতিকাৰ চণ্ডীবৰ আৰু ৰজা দুৰ্লভ নাৰায়ণৰ দিনৰ কবি "প্ৰহ্লাদ চৰিত্ৰ" প্ৰণেতা হেমসৰস্বতী, আৰু তেওঁৰ কিছুকালৰ পাছৰ আৰু শঙ্কৰদেৱৰ পূৰ্ব্ববৰ্ত্তী ৰামায়ণৰ অসমীয়া অনুবাদক মাধৱ কন্দলিৰ নাম পাওঁ। মাধৱ কন্দলিৰ কাল অতি সুনিশ্চিতভাৱে নিৰ্ণয় কৰা নহলেও ৰামায়ণৰ অনুবাদত তেওঁৰ লিখা যে শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শ আছিল এইটো সুস্পষ্ট জনা আছে, গতিকে এওঁক চতুৰ্দ্দশ শতিকাৰ বোলাত ভুলৰ কাৰণ বিশেষ দেখা নাযায়। হেমসৰস্বতী এওঁবো এক শতাব্দীৰ আগৰ, তেওঁৰ লিখাও এই বিষয়ৰ অন্যতম প্ৰমাণ।

চণ্ডীদাসৰ আগৰ বঙালী সাহিত্যৰ কোনো নিদৰ্শন পোৱা নাযায়। উৎকট প্ৰদেশ-প্ৰীতিৰ দোহাই দি দীনেশ বাবুৱে চণ্ডীদাসৰ আগত যি কেইজনক "বঙালী কবি" বুলি থিয় কৰিবৰ চেষ্টা কৰিছিল বা কৰি আছে, তেওঁলোকৰ থিয় হবলৈ ভৰি নাই; প্ৰদেশ-প্ৰীতিৰ ঢোকা-ভেজাতে যি অলপ পৰ ৰব পাৰিছে সেয়েহে। এই বিষয়ত তেওঁ বহুত "মামুলী" কথাৰ অৱতাৰণা কৰিছে, কিন্তু সেইবোৰ যে দৰাচলতে টিকিব নোৱাৰে, আমি এই প্ৰবন্ধত সেই কথা দেখুৱাবলৈ চাম।

তেওঁ এঠাইত লিখিছে "বঙ্গভাষার ঠিক পূৰ্ব্বাবস্থা আমাদের পৰিচিত প্ৰাকৃতগুলির কোনটীতেই দেখিতে পাইনা, কিন্তু অনেকৰূপ সাদৃশ্য পাই" (বঙ্গভাষা ও সাহিত্য" ২২ পিঠি)। ই ধুৰুপ কথা। এই কথা বঙালী সাহিত্যৰ বুৰঞ্জীত স্পষ্টকৈ লিখা থাকিব লাগে বুলি আমি কওঁ।

তথাপি তেওঁ গাৰ বল দি কৈছে, "দেখা যায়, ডাক ও খনার বচনের ভাষা ও পরাগলী মহাভারতের ভাষাই স্থলে স্থলে এত জটিল যে, তাহার অৰ্থ পরিগ্রহ সহজ নহে। এই সকল রচনা হইতে ৫০০।৬০০ বৎসর পূৰ্ব্বের ভাষা যে সংস্কৃত ছিলনা তাহা স্পষ্টই দেখা যায়; কিন্তু বৰ্ত্তমান ভাষা হইতে তাহা এত দূরবৰ্ত্তী ছিল যে, তাহাকে বঙ্গভাষা আখ্যা প্ৰদান করাও সঙ্গত নহে। সুতরাং সে ভাষাকে প্ৰাকৃত না বলিয়া আর কি বলা যাইতে পারে? হয়ত যে সকল প্ৰাকৃত আমরা পাইয়াছি, এতদ্দেশে প্ৰচলিত প্ৰাকৃত ঠিক সেরূপ ছিলনা; কিন্তু উহাও সাহিত্য দৰ্পণ নিৰ্দ্দিষ্ট অষ্টাদশ প্ৰকার প্ৰাকৃতিক ভেদের অন্তৰ্গত ছিল, এরূপ অনুমান, বোধকরি অসঙ্গত ও অযৌক্তিক নহে।" (বঃ ভাঃ ও সাঃ ২১ পিঠি)।

এই কথায়ো তেওঁৰ প্ৰথম কথাকে সমৰ্থন কৰে। ডাক আৰু খনাৰ বচন আৰু পৰাগলী মহাভাৰত'



এই তিনিখন পুথিয়েই বঙালী ভাষা যি প্ৰাকৃতৰপৰা ওলাইছে তাৰ নিদৰ্শন! আমি এই কথাতো ঢৰি-ভৰ দি কওঁ যে ইও স্বৰূপ কথা, তাৰ কাৰণ পাছত কম। এই প্ৰাকৃত, অৱশ্যে যদি ইয়াক কেনেবাকৈ প্ৰাকৃত আখ্যা দিব পৰা হয়, যে সাহিত্য দৰ্পণ নিৰ্দ্দিষ্ট অষ্টাদশ প্ৰকাৰ প্ৰাকৃতিক ভেদৰ অন্তৰ্গত "এক নতুন প্ৰাকৃত" তাকো আমি প্ৰায়ে সমৰ্থন কৰিব পাৰিম।

ইয়াৰপৰা বুজা হয়, ডাকৰ বচন, খনাৰ বচন আৰু পৰাগলী মহাভাৰতৰ ভাষাই 'প্ৰাচীনতম বঙালী ভাষাৰ' নিদৰ্শন! অৱশ্যে স্বৰূপতে কবলৈ গলে, তেওঁ কোৱাৰ দৰেই কব লগাত পৰিব যে "তাহাকে বঙ্গভাষা আখ্যা প্ৰদান করাও সঙ্গত নহে" কিন্তু কি হব! অগত্যা বঙ্গভাষাৰ প্ৰাচীনত্ব ঠাৱৰাবই লাগিব!! গতিকে আমিও সম্প্ৰতি তেওঁৰ কথাতে ভৰ দি চলিম, তাত যদি "সক নাৱত বৰ ভৰা। মহাপ্ৰভু ৰক্ষা কৰা॥" হয় হব।

এইবোৰ ভাষাৰ "জটিলতা" আৰু "অৰ্থ পৰিগ্ৰহ সহজ নহে"—তাৰেপৰা প্ৰমাণ হয় যে ই নিশ্চয় প্ৰাচীনতম বঙালী ভাষা, নহলে কিয় এনে হব! কিন্তু এনে ভাষাৰ আৰু এখন পুথি তেওঁ পাইছিল, আমি আগেয়ে তাৰ বিষয়ে আলোচনা কৰি লেঠা মাৰি অহা ভাল হব; পাছত আমি এইখিনিলৈ আহিম। সেইখন পুথি হৈছে লিগকে উদ্ধাৰ কৰা "অনন্ত ৰামায়ণ"। তেওঁ আৰম্ভ কৰিছে "কৃত্তিবাসের পর যাহারা রামায়ণ রচনা করেন, তন্মধ্যে, অনন্ত রামায়ণ খানিই সৰ্ব্বাপেক্ষা প্ৰাচীন বলিয়া বোধ হয়। ইহা বক্কলে লিখিত, অবস্থা অতি জীৰ্ণশীৰ্ণ, ইহাই এই পুস্তকের প্ৰাচীনত্বের প্ৰমাণ ইহা ছাড়া আর একটী প্ৰমাণ ভাষা। অনন্ত রামায়ণের ভাষা অত্যন্ত জটিল ও প্ৰাচীন, ইহা সকলেরই স্বীকার করিতে হইবে।" (বঙ্গভাষা ও সাহিত্য ১২২পিঠি)।

"এদিকে হিন্দী শব্দের সঙ্গেও এই পুথির ভাষার বিলক্ষণ নৈকট্য দৃষ্ট হয় সুতরাং শ্ৰীহট্ট নাইইয়া বঙ্গের পশ্চিমোত্তর প্ৰান্ত হইতে এই কবির উদ্ভব হওয়া বিচিত্র হইবেনা।" (বঃ ভাঃ ও সাঃ ১২৩ পিঠি)।

"অনন্ত নামক কোন কবি এই পুস্তকখানি প্ৰণয়ন করিয়া স্বাক্ষর (ভণিতা) দেওয়ার সময় নিজকে "মূৰ্খ","মহামূঢ়" প্ৰভৃতিরূপে বৰ্ণনা করিয়া সৌজন্যের পরাকাষ্ঠা দেখাইয়াছেন। একটা স্থলে শঙ্কর নামক কবির কথাও ভণিতার পূৰ্ব্বে দৃষ্ট হয়, যথা "জয় জয় শ্ৰীমন্ত শঙ্কর পূৰ্ণকাম। কীৰ্ত্তনর ছন্দে বিরচিল গুণ নাম॥" যে স্থলে অপরাপর পুথিতে "ধুয়া' শব্দ প্ৰযুক্ত হয়, সে স্থলে অনন্ত "ঘোষা" শব্দ ও শ্ৰোতৃবৰ্গের স্থলে সভাসদ ব্যবহার করিয়াছেন।" (বঃ ভাঃ ও সাঃ ১২৪ পিঠি)।

কি আপদীয়া মুহূৰ্ত্তত প্ৰত্নতাত্ত্বিকপ্ৰবৰে এই কথাখিনি লিখিছিল কব নোৱাৰোঁ। ইয়েই তেওঁৰ সকলো প্ৰত্ন-বস্তু একে আষাৰে মাটিং চকাৰ!! আমি তেওঁৰ প্ৰত্নতত্ত্বৰ সোঁতত উটি গৈছিলো, কিন্তু অসমীয়া জাতিৰ জীৱৰ জীৱন "শঙ্কৰ"ৰ নামে আমাক ৰক্ষা কৰিলে, আৰু তেওঁৰ নাম লোৱা মাত্ৰেই আমি এই "শ্ৰীহট্ট" বা "বঙ্গের পশ্চিমোত্তর প্ৰান্ত হইতে "উদ্ভূত কবিক" আমাৰ জাতীয় সাহিত্যৰ অন্যতম গুৰু অনন্ত কন্দলি বুলি চিনি অন্তৰৰপৰা প্ৰণিপাত কৰিবলৈ বাধ্য হলোঁ। প্ৰত্নতাত্ত্বিকৰ কি নেজিক!!

যি হওক, তেওঁৰ প্ৰত্নতত্ত্বৰ 'নেসা' ইমানতে এৰা নাই। এওঁ সেই সুৰেৰেই আৰম্ভ কৰিছে "অনন্ত রামায়ণের অদ্ভুত ভাবাময়ী কাহিনীর একটু অংশ উদ্ধৃত করিতেছি।" দেখো, প্ৰত্নতাত্ত্বিকে কি কয়।

কাহার ঝিয়ারি তুমি কাহার ঘরণী।
কিবা নাম তোমার কহিবে সুলক্ষণী॥
জনক নন্দনি মঞি নাম মোর সিতা।
দশরথ পুত্ৰ শ্ৰীরাম বিবাহিতা॥
পিতৃ বাক্য পালি রাম বনে আসিলন্ত।
লক্ষ্মণে সহিতে মৃগ মারিবে গৈচন্ত॥
আসি লভ ফল জলে পুজিবা চরণ।
ক্ষণেক বিলম্ব করিয়োক মহাজন॥
উদবিগ্ন মনে সিতো বোলে খর করি।
তপসি নহিকো মঞি জানবা সুন্দরী॥
জগত রাবন জাক সুনি আছ কৰ্ণে

জাহার সদৃশ বড়া নাহি তৃভুবনে ॥
হেনয় রাবন আসি ভৈলো তবু পাৰ।
রামক তেজিয়ো বাৰ্দ্ধে কর মোতে আৰ ॥
যত পাটেশ্বরী মোর সব তোর দাসী।
জোহি খোজ সেহি দিব থাকিব উপাসি।
মানুষ রামকে বাৰ্দ্ধে দূরে পরিহর।
মঞি সমে যুগে যুগে রাজ্য ভোগ কর ॥
হেন শুনি ক্রোধে সিতা বুলিলন্ত বাণি।
তুর শুচা পাপিষ্ঠ অধম লঘুপ্রাণি ॥
নিকৌট গোটর তোর এতমান সাধ।
চুকর ডাকুলি হুঁয়া গঙ্গাস্নানে জাৰ ॥
রাঘবর ভার্য্যাত তোহোর ভৈল মন।
তিপাল থাস্তাত জিহ্বা ঘষস দুর্জ্জন ॥
হাতে তুলি কাল কুট গিলিবাক ছাস।
সপুত্র বান্ধবে পাপি হোবি সর্ব্বনাস।
আনো শহতৰ বাক্য বুলিলন্ত আই।
সংক্ষেপ পদত ধিক দিবেহু জুআই ॥

—অৰণ্য কাণ্ড

এতিয়া আমাৰ ডি-লিট ৰায় বাহাদুৰ দীনেশ বাবু মহাশয়ৰ এই "অদ্ভুত ভাষাময়ী কাহিনীৰ সৈতে অদ্ভুত বিদ্যাময়ী পাণ্ডিত্যটো কেনেদৰে প্ৰকাশ পাইছে, ই চাবলগীয়া কথাই। আমি কওঁ, যাৰ অসমীয়া ভাষাৰ অলপো জ্ঞান আছে সিয়ে বুজিব পাৰিব অসমীয়া বৈষ্ণৱ সাহিত্যৰ মহাপ্ৰতিভাশালী কবি অনন্ত কন্দলিৰ লিখা পুথি নি এইসকলে কিদৰে বিকৃত কৰিছে গৈ। অৱশ্যে যি 'নিকৌট' (প্ৰকৃত শব্দটো 'নিৰ্গত') আৰু "চুকৰ ডাকুলি" (প্ৰকৃত শব্দটো চুকৰ ভেকুলি) যাৰ অসমীয়া ভাষাৰ জ্ঞান "ধিক" আৰু 'দিবেহু জুআই' (প্ৰকৃততে হব লাগে "ঠিক দিব হুয়ুৱায়") সেইসকল মহাপুৰুষৰ কথা আমি নকওঁ। ওপৰত তুলি দিয়া পদ-খিনিত যথাসাধ্য বঙলুৱা ৰহণ দিবলৈকো তেওঁ দ্বিধা বোধ কৰা নাই !! 'তয়ু'ৰ ঠাইত তবু আৰু 'ৰামক'ৰ ঠাইত 'ৰামকে' ইত্যাদি ইত্যাদি! আমি সৰহ কোৱাৰ আৱশ্যক নেদেখোঁ।

ঠিক এইজন দিগ্‌গেজ বঙালী সাহিত্যিকেই আন ঠাইত কৈছে—"The Vaisnava works written in Bengali found readers in Orissa and Assam. The people of those countries occasionally changed words in those works to suit the peculiar forms of their dialects." (*History of Bengali Language & Literature p 110*) ছিঃ! ইয়াতকৈ আৰু unscrupulous কথা কিবা হব পাৰে নে? আমি নিজে নীচতাৰ শেষ খাপলৈ নামিব পাৰো সেই বুলি আমাৰ মনেৰেই জগতখন চাব পাৰোনে?

তেওঁ পুনৰ লিখিছে, "অনন্ত ৰামায়ণ পৰাগলী মহাভাৰত প্ৰভৃতি কয়েকখানি প্ৰাচীন গ্ৰন্থ বঙ্গভাষার এক অতি প্ৰাচীন স্তর উদ্‌ঘাটন করিয়া দেখাইতেছে যে যুগে প্ৰাকৃত, হিন্দি ও উড়িয়া এই তিন ভাষার লক্ষণাক্রান্ত বাঙ্গালা এক বিকট মিশ্র রূপ ধারণ করিয়া আধুনিক মাৰ্জ্জিত অবয়বের বহু ব্যব-ধানে সুললিত সংস্কৃত শব্দাদির সাহায্য বিরহিত হইয়া গ্ৰাম্যক্ষেত্রে কৃষকমণ্ডলীর ভোগ্য ছিল, এ যেন সেই যুগের ভদ্র সমাজের অনাদৃত ভাষা,—সে সময়ে যে সমস্ত সংস্কৃতজ্ঞ ব্যক্তিগণ ইতর সাধারণের ব্যবহৃত ও শিক্ষিত-গণের চক্ষে ঘৃণিত সেই কালের বাঙ্গালা ভাষা অবলম্বন করিয়া সংস্কৃত সাহিত্যের বিপুল ঐশ্বর্য্য সৰ্ব্বসাধারণের আয়ত্ত করিয়াছেন, তাহাদের কঠিন ও অসুন্দর রচনা আমাদের চক্ষে এক পবিত্র স্বদেশহিতৈষীতার মূল্য গ্ৰহণ করে, আমরা তাহার জটিলতা অমাৰ্জ্জনা ও গ্ৰাম্য দোষ রাশির মধ্যেও সেই নিৰ্ভীক ভাষা গঠনের প্ৰাকচেষ্টার সৌন্দর্য্যানুভব করিয়া অন্য রকমে এই সকল উদ্যমের মূল্য নিৰ্দ্ধারণ করিতে পারি।" (বঃ ও সাঃ ১২৬ পিঠি)।'

আমি এইখিনিতে তেওঁৰ কল্পনাজাল আৰু 'আহ্লাদে আটখানা' মনক ধন্যবাদ জনাই বৰ দুখেৰে কব লগাত পৰেঁ।—'মশাই'! Tears, idle tears! এই চকুপানী মিছা, Quite superfluous and out of place.

তেওঁৰ "অনন্ত ৰামায়ণ"ৰ অনন্ত ৰহস্যৰ টেকেলি আগতে ভাগিছে। বাকী ৰয় 'পৰাগলী মহাভাৰত'।



এই বিষয়ে আমি দুই একাষাৰ কম মাথোন। অলপৰপৰা গৌৰীপুৰৰ ৰাজা বাহাদুৰে তেওঁৰ ঘৰত পোৱা এখন পুৰণি পুথি প্ৰকাশ কৰিবৰ যো-যা কৰিছে, এই পুথিখন তেওঁৰ পূৰ্ব্বপুৰুষ কবীন্দ্ৰই লিখা, সংক্ষিপ্ত মহাভাৰত। কবীন্দ্ৰ মহাৰাজ নৰনাৰায়ণৰ মন্ত্ৰী আছিল। ইফালে হুছেন ছাহ গৌড়ৰ ৰজা আৰু পৰাগলখান তেওঁৰ সেনাপতি আছিল। সেই সময়ত যুদ্ধ, বিগ্ৰহ আৰু সন্ধি আদি নানা ৰকমে গৌড়ৰজাৰ লগত কোচ ৰজাসকলৰ সংস্পৰ্শ আছিল। কবীন্দ্ৰ কবি আৰু যোদ্ধা আছিল, গতিকে গৌড় সেনাপতি পৰাগলখানৰ অনুৰোধত তেওঁক এওঁ এই মহাভাৰতখন কবিৰ নিজা দেশী ভাষাত লিখি পঢ়ি শুনাইছিল। মূল পুথিত এই কথাৰ সঙ্কেত আছে। এয়েই "পৰাগলী মহাভাৰত।" পাছৰ বয়সত পৰাগলখান, যেতিয়া কামৰূপৰ পৰা অৱসৰ লৈ নিজ দেশ চট্টগ্ৰামলৈ যায়, তেতিয়া তেওঁৰ লগত তেওঁৰ এই মৰমৰ পুথিখন লৈ যোৱা সম্ভৱ আৰু স্বাভাৱিক। গতিকে বাবু দীনেশ সেনে ইয়াৰ কোনো নকল চট্টগ্ৰামত পোৱা অসম্ভৱ নহয়, কিন্তু সেই বুলিয়েই ইয়াক চট্টগ্ৰামৰ স্থানীয় পুথি বুলি আন কোনো প্ৰমাণ নোহোৱাকৈ প্ৰতিপন্ন কৰিবলৈ যোৱাটো আমি যুক্তি-সঙ্গত বুলিব নোৱাৰোঁ। পুথিখন গৌৰীপুৰৰ ৰাজা বাহাদুৰে প্ৰকাশ কৰি উলিয়ালে এই বিষয়ে কব লগা কথা আৰু অনেক কব পৰা হব।

ইয়াতো আমাৰ পৰিচিত আগৰ সুৰেৰেই এওঁ "সুৰু" কৰিছে, "চট্টগ্ৰামের প্ৰাচীন ভাষা স্থলে স্থলে এত জটিল যে, অৰ্থ পরিগ্ৰহ করা যায়না, সহজ স্থল বাছিয়া কবীন্দ্ৰের কবিত্বের নমুনা দেখাইতেছি।"

(বঃ ও সাঃ ১৪০ পিঠি)

দ্ৰৌপদী বোলেন্ত সৈরন্ধ্ৰী মোর নাম।
দ্ৰৌপদীর পরিচর্য্যা কৈনু অনুপাম ॥
মালিনী মোহোর নাম দ্ৰৌপদী ধরিল।
তোহ্মাকে সেবিতে মোর হৃদয় বাঞ্ছিল ॥
তে কারণে আইলু হেথা বিৰাট নগর।
সত্য কথা কৈলু এহি তোহ্মার গোচর ॥
রাজাএ দেখিলে তোহ্মা মজিবেক মন।
বল করি ধরিতে রাখিবে কোন জন ॥

(বঃ সঃ ১৪০ পিঠি)

"দেখহ সাত্যকি মুঞি চক্র লইমু হাতে।
ভীষ্ম দ্ৰোণ কাটিয়া পাড়িমু রথ হৈতে ॥
ধৃতরাষ্ট্র পুত্র সব করিমু সংহার।
যুধিষ্ঠির নৃপতিক দিমু রাজ্যভার ॥

(বঃ ও সাঃ ১৪৩ পিঠি)

এনে এহেজাৰ এটা উদাহৰণৰপৰা দেখুৱাব পাৰি যে এই পুথি কামৰূপৰ নামনি খণ্ডৰ (গুৱালপাৰ, ৰংপুৰ কোচবেহাৰ আদিৰ) স্থানীয় ভাষা। আজিও এই ভাষা তদ্ৰূপ আছে। এই বিষয়ে সম্প্ৰতি সৰহ কথা আৱশ্যক নকৰে।

এওঁ "মৃগলব্ধ" নামে আৰু এখন পুথি চট্টগ্ৰামত পোৱা বুলি কৈছে (বঃ ও সাঃ ৮২ পিঠি)। কিন্তু তাৰ ভাষা দেখি সিও পূৰ্ব্বৰ নামনি কামৰূপৰ ভাষা বুলি ধৰিব পাৰি—

"পিতা গোপীনাথ বন্দম মাতা বসুমতী।
জন্মস্থান সুচক্ৰদণ্ডী চক্ৰশালা খ্যাতি ॥
জ্যেষ্ঠ দুই ভ্ৰাতা বন্দম রাম নারায়ণ।
ধৰণী লোটায়ে বন্দম যত গুরুজন ॥"

এওঁ আৰু লিখিছে "কবীন্দ্ৰ রচিত মহাভারত হইতে আর একখানি অতি প্ৰাচীন মহাভারত, পাওয়া গিয়াছে, তাহা সঞ্জয় বিরচিত। ইহার ঐতিহাসিক কোন তত্ত্ব পাওয়া গেলনা; কিন্তু এই পুস্তক নানা কারণে সৰ্ব্বাপেক্ষা প্ৰাচীন বলিয়া বোধ হইতেছে।.. কবীন্দ্ৰ রচিত মহাভারতের প্ৰচার অপেক্ষা সঞ্জয়ের ভারতের প্ৰচার অনেক বেশী; সঞ্জয় রচিত মহাভারত বিক্রমপুর, শ্ৰীহট্ট, ত্রিপুরা, নোয়াখালী, চট্টগ্ৰাম, ফরিদপুর, রাজসাহী প্ৰভৃতি সৰ্ব্বস্থলেই পাওয়া যাইতেছে। সুতরাং এই গ্ৰন্থের প্ৰচার একরূপ সমস্ত পূৰ্ব্ববঙ্গময় বলা যাইতে পারে।" (১২৮ পিঠি)

"সঞ্জয় কৃত মহাভারতের প্ৰাচীন রচনানৈপুণ্য সুলভ নহে। গ্ৰাম্য ভাষা ও প্ৰাচীন বিভক্তির জটিলতা অনেক

স্থলেই বিৰক্তিকৰ। তাহা আদ্যন্ত পাঠ করিবার ধৈর্য্য শুধু অসামান্য সহিষ্ণু পাঠকেরই থাকিতে পারে। (১৩৩ পিঠি)

সঞ্জয়ৰ মহাভাৰতৰ ঐতিহাসিক তত্ত্ব আমিও পোৱা নাই, কিন্তু তেওঁ উদ্ধৃত কৰা অংশৰপৰাও অনুমান কৰিব পাৰি যে কবীন্দ্র আৰু সঞ্জয় অন্ততঃ একে ঠাইৰে মানুহ ; ভাষা আৰু ব্যাকৰণ বিষয়ত এই সম্বন্ধ সহজে ধৰিব পাৰি। তেওঁৰ উদ্ধৃত টোকাৰপৰাই এছোৱা আমি তদ্ৰূপে তুলি দিলোঁ। ( ১৩৩ পিঠি আৰু তাৰ পাছত )

রাজার আদেশ পাই দুঃশাসন গেল ধাই
সভাতে আনিল একেশ্বরী।
এক বস্ত্র রজস্বলা দ্রুপদ নন্দিনী বালা
রাহুএ যেন চন্দ্র নিল হরি ॥
নন্দ বোলে সভাজন ধর্ম্ম শাস্ত্র অকারণ
উচিত না বোলে কোন জনা।
কাঁদয়ে সুন্দরী রামা রূপে গুণে অনুপমা
নয়নে বহয় জল ধারা ॥
আপনে হারিল পতি মোহোর যে কোন গতি
উত্তর নাদেও সভাজন।
দ্রৌপদীর বাক্য শুনি সভাসদে কাণাকাণি
অন্যে অন্যে মুখ নিরীক্ষণ ॥”—সঞ্জয় মহাভারত

এনে ভাষা, বাক্যৰীতি আৰু ব্যাকৰণ পুৰণি অসমীয়া সাহিত্যৰ বাহিৰে বঙালী সাহিত্যত কতো দেখা নাযায়, গতিকে ই বঙালী সাহিত্যিকৰ মানত “গ্ৰাম্য ভাষা” আৰু ইয়াৰ “বিভক্তিৰ জটিলতা অনেক স্থলেই বিরক্তিকর” বোধ হবই, তাত বিচিত্র একো নাই। বিচিত্র এইখিনিতেহে যে ইমানৰ উপৰিও গাৰ বলেৰে তেওঁলোকে ইয়াক বঙালী সাহিত্য বুলিবলৈ যায় ; বঙালী “শ্রোতৃবর্গ”ৰ ঠাইত অনন্ত ৰামায়ণত পোৱা “সভাসদ”—শব্দৰ বিষয়ে ওপৰত কোৱা হৈছে, ইয়াতো সেই সভাসদ্ শব্দ প্ৰয়োগ কৰা হৈছে।

সঞ্জয় মহাভাৰতৰপৰা আৰু এডোখৰ আমি দীনেশচন্দ্ৰৰ টোকাৰপৰাই তুলি দিলো, এই পুথি কোন সাহিত্যৰ অন্তৰ্গত তাক আমি নকলেও এইবোৰেই কৈ দিব।

“তাহা দেখি কম্পয়ে যে বীর বৃকোদর
বজ্রসমা গদাহস্তে কম্পে থর থর ॥
থাউক সেবিয়া ধর্ম্ম যুধিষ্ঠির রাজা।
কুরুবল মারি আজি যমে করো পূজা ॥
কোথায় আছয়ে ধর্ম্ম কেবা তাহা জানে
কোন ধর্ম্ম সেবি রাজ্য পাইল দুর্য্যোধনে ॥
কিবা যে অধর্ম্মে আনি হারি পাশা খেরি।
কিবা অধর্ম্মে আনে দ্রৌপদীর কেশ ধরি ॥
নকুল সহদেব কম্পয়ে শরীর।
হাতে ধরি নিবারণ করে যুধিষ্ঠির ॥
যত অপরাধ মোর ক্ষম ভাতৃসব।
আপন অধর্ম্ম হইতে মজিবে কৌরব ॥
“কে আজি অর্জ্জুনে [মোরে ?] দেখাইতে পারে।
রত্নের শকট ভরি দিমু আজি তারে ॥
বৎসের সহিত দিমু ধেনু একশত।
যে আজি অর্জ্জুনে দেখাইয়া দিব মোত ॥
লেজ কালা ধোপ ঘোরা বহে যেই রথ।
তাক দেই অর্জ্জুনেরে যে দেখাইয়া দিব মোত ॥
ছত্র হস্তি দিমু শকট ভরিয়া সোণা।
তাক দিমু অর্জ্জুনক দেখায় যেইজনা ॥
সবৎসা তরুণী ধেনু সুবর্ণ ভূষণ।
তাক দেহো যে আমারে দেখায় অর্জ্জুন ॥

এই ৰচনা সৰ্ব্বতোভাৱে অসমীয়া ব্যাকৰণ অনুমোদিত, আৰু ইয়াৰ “অৰ্থ পৰিগ্ৰহ” বা “বিভক্তিৰ জটিলতা” অসমীয়া পাঠকৰ কাৰণে চুলি এডালৰ মানো নাই ; গতিকে ইয়াক পুৰণি কামৰূপৰ সাহিত্য বুলি ধৰিবলৈ একো বাধা নাই। ইয়াত অসমাপিকা ক্ৰিয়াৰ “দেখি” “মাৰি” “ধৰি” “সেবি” আদি সাধাৰণ গঢ়ৰ বাহিৰেও পুৰণি অসমীয়া সাহিত্যত থকা ‘সেবিয়া’ আদি গঢ়ো কৰবাত দুই এঠাইত আছে। এই ‘য়া’ যোগটো হিন্দীৰ পৰা অহা বুলি অনায়াসে ধৰিব পাৰি। তাকে আধুনিক বঙালীতো ব্যৱহাৰ কৰে। ইয়াৰ বাহিৰে, পুথিৰপৰা নকল কৰোঁতে যে আন ভালেমান শব্দৰ গঢ় লৰিছে তাকো অনায়াসে অনুমান কৰিব পাৰি।



এতিয়া বাকী আছে কবলৈ ডাক আৰু খনাৰ বচনৰ কথা। একে আষাৰে কব পাৰি খনাৰ বচনৰ ভাষাৰ লগত আধুনিক বঙালী ভাষাৰ প্ৰভেদ, ডাকৰ বচনৰ ভাষাৰ লগত বৰ্ত্তমান অসমীয়া প্ৰভেদৰ দৰে যৎসামান্য, আৰু খনাৰ বচনৰ ভাষা আমাৰ কাৰণে যেনে কঠিন, বঙালীৰ কাৰণেও ডাকৰ বচন তেনে। তাৰ কাৰণ, ডাক কামৰূপৰ ; কোচবেহাৰ ৰংপুৰৰ সহায়েদি ডাকৰ বচনৰ যি প্ৰভাৱ বঙ্গদেশত পৰিছে, সেয়েহে। দীনেশ বাবুৱে বস্তুতঃ এই কথা স্বীকাৰ কৰিছে “খনার বচনের প্রচলন অত্যন্ত অধিক, এই জন্য কালক্রমে তাহাদের ভাষা ক্রমশঃ সহজ হইয়া গিয়াছে, কিন্তু ডাকের বচন ততদূর প্রচারিত হয় নাই, এই জন্য সে গুলি ভাষার আদিমতা অনেকাংশে রক্ষা করিয়াছে।” ( বঃ ওঃ সাঃ ৬৭ পিঠি )।

বিশেষ দুখৰ বিষয় এয়ে হে, ডাকৰ বচনৰ যিবোৰ পুথি বঙালী ভাইসকলে পাইছে তাক তেওঁৰ ভাষাৰে তেওঁলোকে “Changed words in those works to suit the peculiar forms of their dialects.” আৰু এনে কৰি তাৰ কণ-কঠীয়া মাৰিছে ; ফলত সেইখিনি কথা তেওঁলোকৰতো বোধগম্য নহয়েই আমাৰো বোধগম্য নোহোৱা কৰিছে। এই কথাৰ প্ৰমাণ আৱশ্যক নকৰে, দীনেশ বাবুৱে এই কথা অস্বীকাৰ নকৰিব ; এই কাৰণেহে তেওঁলোকে আনকো সেই চকুৰে চাব পাৰিছে। লিখকে নিজেই কৈছে, (১৯পিঠি) “প্রাচীন হস্তলিখিত পুস্তকগুলির ভাষা ক্রমশঃ পরিশুদ্ধ হইয়া আসিয়াছে। সেই সব পুথিতে এমন অনেক শব্দ দৃষ্ট হয়, যাহা এখন আর লিখিত ভাষায় ব্যবহার হয় না। যথা :—পথা (পথ ?)—পক্ষ, কাতি—কার্ত্তিক মাস, মূরূখ—মূর্খ, শুকুল [শুকুলা]—শুক্ল, বগা [বগলি]—বক,......” [ইহার প্রায় সবগুলিই ডাক ও খনার বচনে পাওয়া যাইবে। ]

এই পণ্ডিতসকলৰ এনে “পৰিশুদ্ধ” কৰা কামফেৰিৰ ফলত এই পুথিবোৰৰ মৌলিকতাৰ ওপৰত আৰু তেওঁলোকৰ উদ্ধৃত টোকাৰ ওপৰত বিশ্বাস স্থাপন কৰিব নোৱাৰা হৈছে। এওঁ লিখিছে—(বঃ ওঃ সঃ ৬৭ পিঠি) “নিম্নলিখিত বচনগুলির [ বেণীমাধবদেব সংস্করণ ১৯৯৫ সাল ] ভাষা খুব প্রাচীন বলিয়া বোধ হয়।...

“ডাঙ্গা লিড়ান বান্ধন আলি। তাতে দিও নানা শালি ॥”—ডাক। বোধ কৰোঁ, এই কথা ফাঁকি মূলত এনে আছিল :—

ডাঙ্গৰ ডাঙ্গৰকৈ বান্ধিবা আলি। তাত দিয়া নানা শালি ॥

শালি ধান কৰৰ কাৰণে পথাৰৰ আলিবোৰ অলপ বুজনকৈ দিব লাগে ; এই ভাষাত খুব প্ৰাচীনত্ব অসমীয়াৰ কাৰণে একো নাই ; বঙালী ভাষাৰ কাৰণে অৱশ্যে থাকিবলগীয়া। এই অনুক্ৰমেই সকলো কথা। এইবোৰ যে অপহৃত অসমীয়া ডাকৰ বচনৰ বঙালী সংস্কৰণ এই বিষয়ে সৰহ কোৱা আৱশ্যক নেদেখোঁ।

ইয়াৰ বাহিৰে চণ্ডীদাসৰ আগত মাণিকচন্দ্ৰ আৰু গোবিন্দচন্দ্ৰ ৰজাৰ গান বঙালী সাহিত্যৰ সম্পত্তি বুলি ধৰা হয়। এই পাল ৰজাসকলে দ্বাদশ শতাব্দীৰ আগত পুৰণি কামৰূপৰ নামনি ছোৱা অৰ্থাৎ বৰ্ত্তমানৰ উত্তৰ বঙ্গত ৰাজত্ব কৰিছিল ; গতিকে এই গীতবোৰ প্ৰায় তেনে সময়তে ৰচা বুলি ধৰাটো যুক্তিসঙ্গত যদিও, তাৰ ভাষা বৰ্ত্তমান সময়ত ঠায়ে ঠায়ে পৰিবৰ্ত্তিত হোৱাটো স্বাভাৱিক। দীনেশচন্দ্ৰৰপৰা আমি এই গীতৰ দুই এটি উদ্ধৃত কৰিম।—

“না যাইও না যাইও রাজা দূর দেশান্তর।......
জীয়ব [জীয়ব ?] জীবন ধন আমি কন্যা সঙ্গে গেলে।
রাঁধিয়া দিমু অন্ন ক্ষুধার কালে ॥
পিপাসার কালে দিমু পানী।
হাসিয়া খেলিয়া পুহাম রজনী ॥
আইল পাতার দেখিলে কথা কহিয়া যামু।
গুরুলোকের বাড়ী গেলে গুরু শ্যাম বলিমু ॥
শীতল পাটি বিছায়া দিমু বালিসে হেলান পাও।
হাউস রঙ্গে করিমু হস্ত পাও ॥
গ্রীষ্মকালে বদনত দিমু দণ্ড পাথার বাও
মাঘ নাসি সিতে ঘেসিয়া রমু গাও ॥

( মাণিকচন্দ্র রাজার গান —H. B. L. L. p58 )

"কে কয় এগুলা কথা কে আর পইতায়।
পুরুষের সঙ্গে গেলে স্ত্রীক বাঘে ধরে খায় ॥
তুমি হবু বটবৃক্ষ আমি তোমার লতা।
রাঙ্গা চরণ বেড়িয়া লমু পালাইয়া যাবু কোথা ॥
এখন হইমু রূপর নারী তোরে যোগ্যমান।
মোক ছাড়িয়া হবু সন্ন্যাস মুই ত্যজিম পৰাণ ॥

( মাণিকচন্দ্র রাজার গান—H. B. L. L. p59)

এই পাছৰ গীতটিৰ প্ৰথম শাৰীৰ "কাই কয় এই গিলা কথা, কাঁই আর পইতায়"— এনে এটি পাঠ এজন অসমীয়া সাহিত্যিকে সংগ্ৰহ কৰি পাইছে, আৰু এইটো-হে বেছি সম্ভৱ। বাকী প্ৰায়বিলাক বাক্য-ৰীতি অসমীয়া ব্যাকৰণৰ অন্তৰ্গত, আৰু বঙালী ব্যাকৰণৰ ভিতৰ সুমুৱাবলৈ চেষ্টা কৰা সত্বেও, ই তাৰ ভিতৰুৱা হোৱা নাই। আমি আৰু কেইফাকিমান তুলি দিলোঁ : —

"থুইয়া রামের নাম সিদ্ধার গুণ গাই।
যাকে বন্দিলেই সিদ্ধি পাই ॥
হেঁটে যাইতে যেজন রামের নাম লয়।
ধনুক বাণ লৈয়ে রাম ভকত সঙ্গে যায় ॥
দেড় বুড়ি করি লোকে খাজনা যোগায়।"

"এতিয়া মাণিকচন্দ্র রাজা সরুয়া নলের বেড়া।
একতন যেকতন করিয়ে খাইছে,
তার দুয়ারত ঘোড়া।
বিনে বান্দি নাহি পিন্দে পাটের পাছড়া।"

(মাণিকচন্দ্র রাজার গান)

"তুমি যোগী আমি হইব যোগিনী।
রাঁধিয়া বিদেশে যোগাইব অন্ন পানি ॥
বসিয়া থাকহ তুমি বনের ভিতরে।
আনিব মাগিয়া ভিক্ষা আমি ঘরে ঘরে ॥

—গোবিন্দচন্দ্র রাজার গান

এইবোৰৰ বাহিৰে, দীনেশচন্দ্ৰই তেওঁৰ ইংৰাজী কিতাপখনত আৰু এখন একাদশ শতিকাৰ পুথিৰ উল্লেখ কৰিছে, সেইখন হৈছে "শূন্য পুৰাণ"। তেওঁ লিখিছে "The great exponent of Dharma cult in Bengal was by general acceptance Ramai Pandit, the reputed author of Cunya Puran, Ramai Pandit was a contemporary of Dharma Pal II, who reigned in Gauda in the early part of the 11th century A. D. ( H. B. L. L P. 30 )

এই পুথিখনিৰ ভাষা আৰু খাইকৈ ব্যাকৰণ মন কৰিব লগীয়া। তেওঁ লিখিছে—There are several passages in prose in the book which furnish curious specimens of very old Bengali mixed with later interpolations...the following lines formed a part of the original writings of Ramai Pandit.

"হে ভগবান বাৰ ভাই বাৰ আদিত হাপ পাতি নেহ সেৱকৰ অৰ্ঘ পুষ্প পানি সেৱক হব সুখী বীমাং কল্পি শুক পণ্ডিত দেউলা দান পতি সাংস্কৰ ভোক আমনি সন্ন্যাসী গতি আইতি।" (H. B. L. L-p. 70

"ৰাতিত পাথৰ চাৰি পাতি কৰ।
কতে হল সুদ সুনাৰ আড়া ॥"

"কাঞ্চন বাঁধিয়া মেজে কৰিল কাট ভাল মণ্ডপ ফটিকৰ আম লাগে চন্দন নাদন আৰ সাত জগ লাগিল গজান ॥" ( P59 )

"The book contains many passages of this nature and the learned editor has in an apologetic tone avowed his inability to explain many of them."

ইয়াৰ উপৰি গ্ৰন্থকাৰে দিয়া শিৱৰ বিষয়ক বঙালী চহা পুৰণি গীতৰ কেই ফাঁকিমান তুলি দিয়া হল।

"অথন আছেন গোসাঞি হয়া দিগম্বৰ।
ঘৰে ঘৰে বিথা মাগিয়া বুলেন ঈশৰ ॥
ৰজনী পৰভাতে ভিকখাৰ লাগি যাই।
কুথা এ পাই কুথা এ নাপাই ॥
পুখৰি কাঁদা এ লইব ভূসখানি।
আৱসা হইলে জেন ছিচ এ দিব পানি ॥



যবে ধান থাকিলেক পৰভূ সুখে অন্ন খাব।
অন্নৰ বিহনে পৰভু কত দুখ পাব ॥"

ইয়াৰ "সেৱকৰ" "ফটিকৰ" "অন্নৰ" "ৰাতিত" আদি অসমীয়া বিভক্তিৰ চিনৰ, "খাব" "পাব" (in 3rd person) আদি ক্ৰিয়াৰ উপৰিও, "পুখৰি" "ঘৰ" "পানী" (অৰ্থাৎ পানী) আদি শব্দ বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। সাধাৰণ অৰ্থত বঙ্গদেশত এইবোৰ শব্দ কেতিয়াও ব্যৱহৃত হোৱাৰ প্ৰমাণ পোৱা নাযায়।

দীনেশচন্দ্ৰৰ বঙালী আৰু ইংৰাজী পুথিত এই যুগৰ যি সুদীঘল তালিকা দিছে, তাক দেখি আচৰিত মানিব লাগে। কব লাগিব, সেই তালিকা দুখনত সৰহ ভাগ শব্দই অসমীয়া শব্দৰ বিকৃত ৰূপ মাথোন। এই তালিকাৰ আভাস দিয়াৰ আগতে, আমাৰ কথাৰ প্ৰমাণ স্বৰূপে দুই এটি উদাহৰণ দিয়া আৱশ্যক। গ্ৰন্থকাৰে "বঙ্গভাষা ও সাহিত্য" পুথিৰ (২য় সংস্কৰণ) ৭১ পিঠিত ডাকৰ বচনৰপৰা উদ্ধৃত কৰিছে। "নিয়র পোখারি দূরে যায়।" ইয়াত "নিয়র" কোন ভাষাৰ শব্দ ? "পোখারি"ৰ কথাকে নকওঁ। এই দুটি শব্দ "নিজৰ পুখুৰি" বিকৃত কৰি লিখা নহয় নে ? অথচ, এই নিচিনা ভাষাৰ গঢ়েৰেই "বোধ হয় বঙ্গভাষা স্ফুরণের এই গুলি প্রাকচেষ্টা !! বঙ্গভাষার মুখবন্ধেই এইরূপ সারগর্ভ সূচনা হইয়াছিল, ইহা আমাদের সৌভাগ্যের কথা।" (বঃ ও সাঃ ১২ পিঠি)! আমি কওঁ, অলবৎ। নহব কিয় ?

সেইদৰেই তেওঁৰ ইংৰাজী পুথিৰ ২০ পিঠিত ডাকৰ বচনৰ পৰা উদ্ধৃত কৰিছে—"ৰাতি বুলে গান গায়" আৰু তাৰ অনুবাদ কৰিছে "hums a tune while lighting the evening lamp." "বুলে" শব্দৰ অৰ্থ 'গধুলি চাকি লগোৱা'—কোন ভাষাই কয় ? এই শব্দ দুটা 'ৰাতি বুলে' এনে হোৱা সম্ভৱ নহয় নে ? তাৰ অৰ্থ ৰাতি বুলা অৰ্থাৎ ঘোৰ কৰা বা ইফালে সিফালে যোৱা (ভিকুতা বেয়া), এনে হোৱা স্বাভাৱিক নহয় নে ? এই প্ৰসঙ্গত "পণ্ডিতানাং গুণাঃ সৰ্ব্বে, মূৰ্খে দোষো হি কেৱলম্" শ্লোকৰ 'পণ্ডিত-সকলৰ সকলো গুণেই, দোষৰ ভিতৰত এয়ে হে যে তেওঁ-লোক মূৰ্খ'—এই ৰহস্য ব্যাখ্যালৈ মনত পৰে।

তলত পুৰণি পুথিত বঙালীত অপ্ৰচলিত শব্দৰ সেই তালিকাৰ যৎসামান্য আভাস তেওঁ দিয়া বঙালী অৰ্থ আদিৰে দিয়া হল।—

| শব্দ | অৰ্থ | পুস্তকের নাম |
|---|---|---|
| আছিল (cf আসীৎ) | উপস্থিত | মা, চ, গা |
| এলায় (cf ওৱালপাৰ) | এখন | " |
| কাতি | কার্ত্তিক মাস | " |
| কোনটি (কোনতে ?) | কোথায় | " |
| যেতে (য'তে) | যে স্থানে | " |
| গিরি | গৃহ | " |
| ঝোলোঙ্গা | ঝুলি | " |
| যেতকে | যত | " |
| তেতকে | তত | " |
| (cf "যেতকে নাটিছে, তেতকে ফাটিছে" Assamese Proverb) | | |
| পইতায় (পতিয়ায়) | প্রত্যয় করে | মা, চ, গা, |
| ধওল (ধবল, ধল) | ধবল | " |
| পাকেয়া (cf ঘূৰাই-পকাই) | ঘূৰাইয়া | " |
| লহড় (লৰড় ? লৰ) | দৌড় | " |
| মাও (মায়) | মাতা | " |
| সাধে (cf ধাৰ সাধা) | সংগ্রহ করে লয় | " |
| সকয়া (সক) | সরু (ছোট ?) | " |
| গাভুর (cf গাভৰু) * | যুবক, বলশালী | ডাক |
| মিঠ (মিঠা ?) | মিষ্ট | " |
| ধরেক (ধৰক) | ধরিও | " |
| পোখরি (পুখুৰি) | পুষ্করিণী | " |
| সমাধে (সমাধা কৰে) | বোঝে (?) | " |
| অবুধ (অবোধ ?) | বুদ্ধিশূন্য | " |

* "the word "Gabur" is very common in Chittagong. It means "Young" etc.—Grierson. গুৱালপাৰত "গাভুৰ" শব্দ উভয় লিঙ্গত ব্যৱহৃত হয়।

| শব্দ | অৰ্থ | পুস্তকের নাম |
|---|---|---|
| সাসিয়াল (সাহিয়াল) | Powerful | বি, প, প, |
| নৰগুণ (লগুণ) | Sacred thread | ,, |
| অথান্তৰ | Pains & hardships | ,, |
| মেলানি | Faremell | ,, |
| গোহাৰি | Humble prayer | ,, |
| পৰিপাটি | Skill | ,, |
| টনক (cf টনকিয়াল) | Strong | ,, |
| তেলেঙ্গা | Strong and healthy | ,, |
| (cf "ডোম তেলেঙ্গা, আহোম তেলেঙ্গা) | | |
| তিতা, তিতিল | Wet | ,, |
| ভোকে | In hunger | ,, |
| লোহ (.লা) | Tears | ,, |
| ওৰ | Limit | ,, |
| সোমাইল | To enter | ,, |

এনে শব্দ আৰু অসংখ্য। এইবোৰ শব্দ যে গঢ় আদি লৰায়ো কোনোমতে বঙালী সাহিত্যত ক্ষীণ নিয়াৰ নোআৰিলে তাৰে প্ৰমাণ বুলি ধৰিব পাৰি। চণ্ডীদাসৰ পাছৰ বঙালী সাহিত্যতো অসমীয়া সাহিত্যৰ প্ৰভাৱৰ চিন কিছুকাললৈ থকা বুলি কব পাৰি।

সামৰণিত, ৰায় দীনেশচন্দ্ৰ সেন বাহাদুৰ বি, এ, মহাশয়ে কোৱা কথাকে আমি সমৰ্থন কৰি কওঁ, বঙলা ভাষা নিৰ্দ্দিষ্ট অষ্টাদশ প্ৰকাৰ প্ৰাকৃতৰ কোনোটোৰে পৰা উদ্ধৃত হোৱা নাই; ডাকৰ বচন, পৰাগলী অৰ্থাৎ কবীন্দ্ৰ মহাভাৰত আদিৰ ভাষাৰ পৰা ভাগি এই ভাষাই প্ৰায় চতুৰ্দ্দশ শতিকাত জন্ম পাইছে। এইবোৰ পুথি পুৰণি অসমীয়া অৰ্থাৎ কামৰূপৰ সাহিত্যৰ অন্তৰ্গত, তাত লেশ মাত্ৰো সন্দেহ নাই। গতিকে চীন পৰিব্ৰাজক হিয়েন-ছাঙে সপ্তম শতিকাৰ আগ ভাগত বিশেষভাৱে উল্লেখ কৰা কামৰূপৰ ভাষাৰ পৰাই, তেওঁ দেখিবলৈ নোপোৱা বঙলা ভাষাৰ পাছত জন্ম হৈছে। পূৰৱপৰা যেনেকৈ কামৰূপৰ প্ৰভাৱ, পছিমৰ পৰা সেই দৰে আদিতে মৈথিলী প্ৰভাৱ। বঙালী ভাষাৰ প্ৰথম কবি চণ্ডীদাসে বেহাৰৰ কবি বিদ্যাপতিৰ পৰা পোৱা প্ৰেৰণা বঙালী সাহিত্যৰ বুৰঞ্জী লিখকসকলেও অস্বীকাৰ কৰা নাই, ই বীৰ হৃদয়ৰ পৰিচয়। "Chandidas is the earliest vernacular poet of Bengal, but it is not possible to speak of him without saying of Vidyapati, the earliest poet of Behar... and it is probable that Chandidas was only an imitator of Vidyapati and drew his inspiration from his contemporary of Behar. Thus the earliest Bengali poetry that is extant is indebted by the earliest poetry of Behar." (Literature of Bengal R. C. Dutt.) বাবু দীনেশ সেনেও এই কথা নাই-সুই কৰাটো নাম্বেই কৃতজ্ঞতাৰে স্বীকাৰ কৰিছে, (বঃ ওঃ সাঃ)। কিন্তু এই বিহাৰী প্ৰভাৱ অকল ইমানতে শেষ নহয়, পাছত চৈতন্যদেৱে যোল শতিকাত যি ধৰ্ম্ম প্ৰচাৰ কৰিলে তাৰ মূলতো বিদ্যাপতিৰ প্ৰেৰণা। "The fame of Vidyapati as a poet has spread throughout Bengal at the time of Chaitanya, and Chaitanya in his early youth was edified with the poetry of Vidyapati, and Chandidas (L. O. B.) বিদ্যাপতিৰ প্ৰভাৱ এই দৰে সমস্ত বঙ্গসাহিত্যময়; সেই দেখিয়েই বিহাৰী কবি হলেও বঙ্গ সাহিত্যত বিদ্যাপতিয়ে চণ্ডীদাসৰ সমানে ঠাই পাইছে।

বঙালী আখৰৰ বিষয়েও সেই একে কথা। সু-পণ্ডিত ৰমেশচন্দ্ৰ দত্তই কয়, কেইবা শতিকাৰ আগতে দেৱনাগৰী আখৰৰ পৰা ভাঙি বৰ্ত্তমান বঙালী আখৰ গঢ়া হৈছিল, আৰু এই আখৰতেই চণ্ডীদাসৰ সময়ৰ পৰা বঙালী সাহিত্য লিখা হৈছে। বাবু ৰাখালদাস বানাৰ্জ্জীয়ে তেওঁৰ ইংৰাজী কিতাপত (The origin of the Bengali Script) কৰ খোজে, বৰ্ত্তমান বঙালী আখৰ দেৱনাগৰী আখৰৰ সমনীয়া আৰু ব্ৰাহ্মী-লিপিৰ পাছৰ কালত যি বিবিধ মৌৰ্য্য যুগৰ আখৰ প্ৰচলিত হৈছিল তাৰে উত্তৰ ভাগৰ আখৰৰ পূৱৰ ঠালটোৰ পৰা বঙালী আৰু মাজৰ ঠালটোৰ পৰা নাগৰী আখৰৰ জন্ম হৈছে। কিন্তু বাবু দীনেশ সেন ইয়াতোকৈ বহুত উজাই গৈ কয়, 'ললিতা বিস্তৰ' পুথিত আছে বুদ্ধদেৱে বিশ্বামিত্ৰ নামৰ অধ্যাপকৰ কাষত অঙ্গলিপি বঙ্গলিপি, ব্ৰাহ্মী, সৌৰাষ্ট্ৰী, আৰু মগধলিপি শিকিছিল, গতিকে বঙ্গলিপি নিশ্চয় খৃষ্টপূৰ্ব্ব যুগৰ (বঃ ও সাঃ ২ পিঠি)। এই কথাত আমি আনন্দ পালোহেতেন, যদি এই বিষয়ৰ গৰাকীসকলৰ (authorities) কথাৰ পৰা ইয়াৰ যুক্তিযুক্ততা প্ৰমাণিত হলহেতেন, কিন্তু প্ৰথমতে, এই লিপিসমূহ সমবয়সীয়াই নহয়। তাৰ উপৰি, খৃষ্টপূৰ্ব্ব যুগত যদি এই আখৰৰ নাম "বঙ্গলিপি" আছিল, তেনেহলে খৃষ্টাব্দ চতুৰ্দ্দশ শতাব্দীৰ চণ্ডীদাসৰ পাছলৈকে বঙ্গভাষা বা বঙ্গ সাহিত্য বুলি এটা নাম আমি দৰবত বাতি দিবলৈকে নাপাওঁ কিয়? তেওঁতো নিজেই কৈছে "The name Vanga Bhasa is of recent origin" বঙ্গলিপি ইমান ancient, অথচ বঙ্গভাষা নাম ইমান recent? ইয়াৰ আঁৰত কি ৰহস্য লুকাই আছে, তেওঁ কব নে? ভাষাৰ নামকৰণ হোৱাৰ, দেড়হাজাৰ দুহাজাৰ বছৰৰ আগত আখৰৰ নামকৰণ হল, হয়তো ই 'বাঙ্গালা"ৰেই speciality!

সি যি হওক, চণ্ডীদাসৰ "কৃষ্ণ কীৰ্ত্তন"ৰ আখৰৰ লগত অসমীয়াৰ আখৰৰ গঢ় সদায় প্ৰায় একে আছে, কিন্তু আধুনিক বঙালী আখৰৰ গঢ় কেইটামান আখৰত তাৰ পৰা লৰিছে। চতুৰ সেন মহাশয়ে কিয় "আসামী (অসমীয়া?) অক্ষর বঙ্গাক্ষরেরই প্রকার ভেদ মাত্র ইহাতে কয়েকটি অপ্রচলিত পুরাতন বাঙ্গালা ও মৈথিল অক্ষর রহিয়াছে। প্রাচীন মৈথিল ও প্রাচীন বঙ্গাক্ষরের প্রভেদ অতি সামান্য ছিল।" (বঃ ওঃ সাঃ-১১ পিঠি) ৰাখাল দাসৰ পুথি (O. O. B. S.) পুথি অনুসৰণ কৰিলে দেখা যায়, পেটকটা "ৰ" "ৱ" আদি যি কেইটা আখৰে অসমীয়া ভাষাৰ বিশেষত্ব ৰক্ষা কৰি আছে তাৰ বুৰঞ্জী যেনে প্ৰাচীন, তাৰ প্ৰচাৰো সেই দৰে বৰ ব্যাপক; সৌ সিদিনা মাথোন বঙালীয়ে তাৰ সলনি "ব" আখৰৰ তলত শূন্য দি "ৱ" সাজিছে; কিন্তু এতিয়াও পুৰণি বঙালী পুথিত এই পেটকটা 'ৰ' আৰু গাৰ ৰ বুঢ়া তৰপে হয়তো এতিয়াও তাকেই চলাই আছে। যদি এই আখৰবোৰ "পুৰাতন বাঙ্গলা"ই হয়, তেনেহলেনো সিইতৰ মোট ছেলাৰৰ আৱশ্যক কি? কোনে কব?

আমি দীনেশ বাবুক সৰ্ব্বাঙ্গে সমৰ্থন কৰোঁ,—"The Moslem conquerors often built mosques with the materials of the Hindu temples they had destroyed...such has also been the case with Buddhism in India. In the Buddhist temple, the image of Buddha is often worshipped as Civa. Buddhistic religious works have been so transformed by the Hindu priests that they now pass for religious poems of the Hindus in the eyes of the people. Yet they are unmistakably Buddhistic works at first." (H. B. L, L. P. 26)

অতি ধুৰুপ কথা। আমি মাথোন তাতে ভৰ দি কওঁ, হিন্দুৰ মন্দিৰকে ভাঙি মুছলমানে মছজিদ তৈয়াৰ কৰাৰ দৰে, বুদ্ধৰ প্ৰতিমূৰ্ত্তিকে হিন্দুসকলে শিৱ বুলি পূজা কৰাৰ নিচিনাকৈ, আৰু বৌদ্ধ গ্ৰন্থবোৰকে হিন্দুসকলে ৰূপান্তৰ কৰি হিন্দু ধৰ্ম্মগ্ৰন্থত পৰিণত কৰাৰ দৰে, অনেক মূল অসমীয়া পুথিয়েই ৰূপান্তৰিত হৈ প্ৰাচীন বঙালী সাহিত্যৰূপে লোকৰ চকুত পৰিচিত হৈছে; তাৰ উপৰি গৃহস্থৰ বস্তু লৈ পলাই যোৱা চোৰে পিছে পিছে খেদা গৃহস্থকে চোৰ বুলি উলটি ধৰাৰ দৰে, বঙালী ভাষাৰ ভয়ত অসমীয়া ভাষা কম্পমান হব লগা কালো আছিল! ইয়াকে বোলে অদৃষ্টৰ পৰিহাস!!

শ্ৰীডিম্বেশ্বৰ নেওগ

# ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ

## (ব্ৰহ্ম খণ্ড)

ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ তিনি আধ্যা পদ থকা এখনি পুথি আমাৰ হাতত পৰিছে। পুথিখনৰ পাত ১০ টা মাত্ৰ, পদ সংখ্যা ১৫০। পুথিখনৰ ১ম আধ্যা আৰু শেষ আধ্যাৰ আগত 'ঘোষা' দিয়া আছে। পুথিখন সাঁচিপাতত লিখা, দীঘল ১ হাত পথালিয়ে প্ৰায় ৭ আঙুল।

ঘোষা—

শিৱ ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ।
একচিত্তে ভজো তযু কৰুণাৰবিন্দ॥ ১ম আধ্যা
গোবিন্দ মধুৰ কীৰ্ত্তন স্বামি।
চৰণে শৰণ পশিলো আমি॥ শেষ আধ্যা

পুথিখনত যি যি ছন্দ ব্যৱহাৰ কৰা হৈছে তাৰ নমুনা তলত দিয়া গল

পদ (পয়াৰ)

হে কৃষ্ণ প্ৰভূ তযু পাদপঙ্কজত।
কৰিয়ো সঙ্গত মোৰ মন মধুব্ৰত॥
হৌক জন্ম যথা তথা মোৰ কৰ্ম্মবশে।
লুব্ধ হৌক চিত্ত তযু কথামৃত ৰসে॥

লেচাৰি—

সজল মেঘৰ সমকান্তি,
ৰক্ত পদ যেন নেত্ৰ পান্তি,
পূৰ্ণচন্দ্ৰ যেন সততে প্ৰকাশে মুখ।
কোটি কামদেৱ সমবেশ,
লীলায়ে ললিত তনু দেশ,
যাক দৰশনে মনৰ পৰম সুখ॥
অনাদি অব্যক্ত পুৰাতন,
ব্যাপিয়া থাকন্ত বিশ্বগণ,
ভজিলে ভক্তৰ হৃদয়তে ব্যক্ত হয়।
স্বতন্ত্ৰ ঈশ্বৰ কৃষ্ণ দেৱ,
যাত বিনে আৰ নাহি কেৱ,
এক ব্ৰহ্ম পৰমাত্মা বুলি আক্ষে কয়॥

ছুলড়ী—

সৌতি নিগদতি
ত্ৰিজগত পতি,
ইচ্ছাময় সনাতন।
শূন্যময় দেখি
মায়াক নিৰেখি,
সৃষ্টিতে কৰিলা মন॥

ঝুমুৰি—

যিতো কৰ্ম্ম কৰো আমি।
তুমিসে কাৰণ স্বামি॥
চৰণে নমায়া মাথা।
প্ৰণামোহো জগন্নাথ॥

একাবলী—

সুবৰ্ণ সুপ্ৰভ সুবেশ তনু।
ৰত্নৰ ভূষণে ভূষিত তনু॥
পীত ৰসে আতি প্ৰকাশ কৰে।
মুখে মন্দহাস যৌবন ভৰে॥

পুথিখনত পৰব্ৰহ্মৰ (কৃষ্ণ) পৰা কেনেকৈ ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু আদ্যা প্ৰকৃতি দুৰ্গা, লক্ষ্মী আৰু সৰস্বতীৰ জন্ম হৈছিল তাৰে কথা আছে মাথোন।

এই পুথিৰ লেখকৰ নাম লক্ষ্মীশ্বৰ দ্বিজ। তেওঁ এই সৰু পুথিখন লিখাৰ কাৰণ এই দৰে দিছে।

ব্ৰহ্মখণ্ড ব্ৰহ্মবৈৱৰ্ত্তৰ কিছুপদ।
শুনিয়োক সামাজিক দূৰ কৰি মদ॥
সমস্ত পুৰাণ শুনি যিতো ফল পায়।
আৰ অধ্যায়তে পাৱে ইতো শাস্ত্ৰে গায়।



দ্বিতীয়াধ্যাতে আছে সৰ্ব্ব শাস্ত্ৰ সাৰ।
ইহাক শুনিয়া অজ্ঞানৰ চিন্তামাৰ॥

তেওঁ পুথিৰ শেহত লিখিছে:—

ইহ তৃতীয় অধ্যায় পূৰ।
ভণিলা ব্ৰাহ্মণে কীৰ্ত্তন সুৰ॥

কবিৰ পৰিচয়:—

ভোলা নাথ মহাকবিৰ নাতি।
শব্দ নামে প্ৰসিদ্ধ আতি॥

এই ভোলানাথ মহাকবিৰ ৰচিত কোনো পুথি আছে যদি আমি নেজানো। আমাৰ ডেকা সাহিত্যিকসকলে বিচাৰ কৰি এইজন কবিৰ সম্বন্ধে কোনো কথা কাকতে-পত্ৰে জানিব দিলে আমি তেওঁলোকৰ ওচৰত পৰম বাধিত হম।

পুথিৰ লেখক লক্ষ্মীশ্বৰ দ্বিজ কামৰূপৰে মানুহ যে তাত কোনো সন্দেহ নাই। তেওঁ কোন গাৱঁত উপজিছিল তাৰ সম্ভেদ পুথিত পোৱা নাযায়। তেওঁ যে এজন সংস্কৃত জনা পণ্ডিত আছিল তাক হলে তেওঁৰ পদৰ পৰাই জানিব পাৰি। কিন্তু তেওঁ ওপৰ থাপৰ কবি নহয়।

ৰায় চাহেব শ্ৰীযুত দুৰ্গাধৰ বৰকটকীয়ে প্ৰকাশ কৰা মহাভাৰত শান্তিপৰ্ব্বৰ লেখকৰ নাম লক্ষ্মীনাথ দ্বিজ। সেই লক্ষ্মীনাথ আৰু এই লক্ষ্মীশ্বৰ এজন কবি বুলিব নোৱাৰি। লক্ষ্মীনাথৰ ককাক সৰ্ব্বানন্দ দ্বিজ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ সভাৰ কবি। তেওঁ ৰজাৰ পৰা বহুত মাটি-বাৰী পাই ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে 'হেলচি' নামে গাৱঁত বাস কৰিছিল। কামৰূপত হেলচা বুলি এখন গাওঁ আছে। বোধ হয় সেই গাৱেঁ 'হেলচি'।

পুথিখন কমলেশ্বৰ সিংহৰ দিনত ১৭৩২ শকত লিখা। পুথিখনৰ শেহত একেৰি অতিৰিক্ত কথা আছে সেই কথাখিনি কি কাৰণে লিখিছিল কব পৰা নেযায় কথাখিনি এই:—

দণ্ডাত্ৰেয়ৰ শিষ্য

| | |
|---|---|
| শঙ্কৰাচাৰ্য্য | ১ |
| মুণ্ডনাচাৰ্য্য | ১ |
| পদ্মাচাৰ্য্য | ১ |
| উদ্ধৰাচাৰ্য্য | ১ |
| ব্ৰহ্মচাৰী জগত (যতি?) | ১ |
| নন্দ চৈতন্য | ১ |
| স্বৰূপাচাৰ্য্য | ১ |
| প্ৰকাশাচাৰ্য্য | ১ |

শ্ৰীবাৰানসীৰ চাৰিদিশে চাৰি মঠ:—

পূৰ্ব্বে—বন অৰণ্য।
পশ্চিমে—তীৰ্থ আশ্ৰম সৰস্বতীপুৰী।
দক্ষিণে—পৰ্ব্বত সাগৰ।
উত্তৰে—পৰ্ব্বত ভাৰতী পুৰী।

এহি স্থানত এই ৯ সন্ন্যাসীৰ নিবাস আছিল। আৰে পৰা চাৰিদিশে চাৰি ধৰ্ম্মৰ আচাৰ্য্য পাতি ধৰ্ম্ম প্ৰচাৰ কৰিল।

পূৰ্ব্বে—শ্ৰীচৈতন্য, ৩, ৪, ৮, ১৬, ১ অৰ্দ্ধনাম মাত্ৰ, সঙ্কীৰ্ত্তন ধৰ্ম্ম, একশৰণ ভক্তি।

পশ্চিমে—ৰামানন্দৰ সাধু সেৱা ধৰ্ম্ম, মানস পূজা কৰ্ম্ম, সীতাৰাম তাৰক মন্ত্ৰ।

উত্তৰে—মাধৱাচাৰ্য্যৰ নাৰায়ণ নাম মাত্ৰ, প্ৰণৱ প্ৰণৱ অক্ষৰ ঈশ্বৰ পূজা ধৰ্ম্ম, তীৰ্থাটন কৰ্ম্ম।

দক্ষিণে—বিষ্ণুশ্যামৰ যুগলকৃষ্ণ নাম মন্ত্ৰ আত্মা পৰিচয় গুৰু পৰিচয়, ধৰ্ম্ম যাত্ৰা মহোৎসৱ কৰ্ম্ম।

শঙ্কৰাচাৰ্য্যৰ পৰা ক্ৰমে অহা:—

| | | |
|---|---|---|
| তানে শিষ্য | সদানন্দ আচাৰ্য্য | ১ |
| ,, | চিৰুকাচাৰ্য্য | ২ |
| ,, | পৰমাচাৰ্য্য | ৩ |
| ,, | কেৱলাচাৰ্য্য | ৪ |
| ,, | চতুৰ্ভূজাচাৰ্য্য | ৫ |
| ,, | লক্ষ্মণ ভাৰতি | ৬ |
| ,, | কমললোচন ভাৰতি | ৭ |
| ,, | বিষ্ণু ভাৰতি | ৮ |
| ,, | ৰাম ভাৰতি | ৯ |
| ,, | উদ্ধৱ ভাৰতি | ১০ |

| | | |
|---|---|---|
| তানে শিষ্য | ৰসিকানন্দ ভাৰতি | ১১ |
| ,, | ভদ্ৰানন্দ ভাৰতি | ১২ |
| ,, | বিশ্বনাথ ভাৰতি | ১৩ |
| ,, | ভৰথানন্দ ভাৰতি | ১৪ |
| ,, | চকোৰানন্দ ভাৰতি | ১৫ |
| ,, | কাঞ্চনানন্দ ভাৰতি | ১৬ |
| ,, | বলোৰাম ভাৰতি | ১৭ |
| ,, | বিশ্বনাথ ভাৰতি | ১৮ |
| ,, | সনকানন্দ ভাৰতি | ১৯ |
| ,, | কেশৱানন্দ ভাৰতি | ২০ |
| ,, | নিমা দত্ত ভাৰতি | ২১ |
| ,, | নিত্যানন্দ ভাৰতি | ২২ |

আৰা দুই কৃষ্ণ বলভদ্ৰৰ অংশ বুলি কয়।

ইয়াত বাজে পুথিখনৰ ঢাকনি বা বেটী পাতৰ ওপৰত ১৭৩২ শকত স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত ভূমি বিক্ৰী কৰা দলিলৰ নমুনা এখনি দেখা যায়। এইখনি আমাৰ বুৰঞ্জীৰ সামলৰ নিমিত্তে বৰ লাগতীয়াল।

তেতিয়াৰ দিনত খত-পত্ৰ কেনেকৈ লিখিছিল তাৰ ই সুন্দৰ সম্ভেদ দিয়ে। দলিলখনিৰ নকল এই :—

৮৭শ্ৰীশ্ৰীস্বৰ্গদেৱ শ্ৰীকমলেশ্বৰ দেৱতাৰ দিনত মস্থুমে (ভূমি) ক্ৰয় বিক্ৰয় কৰে।

১৭৩২ শকৰ ভাদ্ৰৰ ১৪ দিন জোয়াত বুধবাৰে চোমনিবাৰি ৩ দীঘে ১ প্ৰস্থে ১ আতে হয় মাটি ৩ মুঠত—

গুণাই ৰৰাৰ কুৰিৰ বড়বড়ুয়া টেকেলা মকৰিয়ে (মেধি) বেচে। ভৰাল কাকতি অনন্তৰামে কিনে তাৰে মূল্য ধন ৩ মোহৰ টকা।

আৰে সাখি—চ'ৰাৰ বৰদলৈ কৃষ্ণৰাম ১

নগাৰঙ্কিয়া বুদ্ধ ১

খঙ্গিয়া কাকতি বিশ্বনাথ ১

কলিৰাম কাকতি

চেলেঙ্গ কাপৰ পাগুৰি—সভাউৰি লোণ এসেৰ, তামোল পাণ।

মেধিৰ আঙ্গুলি আঙ্গুলি কতপাৰ লোণ আধেৰ।

ক৬পা

শ্ৰীসোণাৰাম চৌধুৰী

---

# গ্ৰীষ্ম

## (গদ্য-কবিতা)

মই আহিছোঁ! মই আহিছোঁ! আকাশ-সাগৰ, কানন-ভূধৰ, বন-উপবন উজ্জল কৰি মই আহিছোঁ! গছে গছে নতুন মাধুৰি সানি, পাতে পাতে নতুন ৰহন বোলাই, ফুলে ফুলে নতুন মৌ সঞ্চয় কৰি, মেঘৰ চকলাত উঠি ৰমক-জমক হৈ মই আহিছোঁ! পকা আমৰ সেন্দুৰী গালত হাত ফুৰাই, বকুলৰ অকণি ওঁঠত চুমা খাই, গোলাপৰ কাঁইটৰ মাজে মাজে, নাহৰৰ পাতৰ আঁৰে আঁৰে, অ'ত থমকি, ত'ত চমকি মই আহিছোঁ বেজিৰ দৰে জোঙা চাৰি হাত দীঘলীয়া কেকোৰা শিঙৰ বোজা লৈ উভতগালি কৰি ফুৰা গলধন ধৰা ম'হৰ নোদোকা দেহত জুইৰ ফিৰিঙতি ছটিয়াই, নৈ, বিল, পুখুৰীৰ ঘাটে ঘাটে পানী খাই, চাপৰিয়েদি দন্তেৰে খোজ কাঢ়ি কাঢ়ি, জুইৰ চুৰিয়া পিন্ধি মই আহিছোঁ! গাৱঁৰ পিঠা ভাজি থকা "গুৰৱী' বুঢ়ীৰ ভগা ঘৰৰ মূধৰ স্থকণ্ডাইদি ভুমুকি মাৰি, নগৰৰ হুকম নেদেখা ধনীৰ চৰগ-ছোৱা ৰৰঘৰৰ ছালত জুই বৰষি, গাভৰুৰ জহ-গীত শুনি থমকি ৰৈ, হাক নমনা দাম্ভিক পান্থৰ ওপৰত খংমূৰা হৈ, কেতিয়াবা মৰমত পমি, কেতিয়াবা ক্ৰোধত জ্বলি মই আহিছোঁ।

মই আহিছোঁ;—আৰু লগত আনিছোঁ টুনি বুলবুলি, হেটুলুকা কুলি;—পদুমৰ কলি, ফুলনিত অলি; মেঘত বিজুলী, ৰৰগছত জিলী; বাৰীত আম-কঠাল, লেটেকু-পনীয়াল, আকাশত জোনৰ কপালী হাঁহি, পুখুৰীত ভেঁটৰ নতুন পাহি;—আৰু তাঁতত বহা ভাৰত বিভোৰা গাভৰুৰ পদুমী চকুত চিল্‌মিল্ টোপনি! আৰু কি আনিছোঁ?—আনিছোঁ জ্বালামুখীৰ বিষাল তপত বতাহ, কণ্ঠত অতৃপ্ত দাৰুণ পিয়াহ; পথৰ ধূলিত, নৈৰ চাপৰিত, ঘৰৰ চাল-বেৰত অদৃশ্য উত্তপ্ত অগ্নি;—আনিছোঁ গাৱেঁ গাৱেঁ ভীষণ মাৰীমৰক, ঘৰে ঘৰে জড়তা আৰু হাহাকাৰ! আনিছোঁ "কোমল," আৰু তাতে ঢালি দিছোঁ "কঠিন"ৰ ক'লা ৰহন!

আজি গধূলি বেলিকা জুমে জুমে ডেকাই মুকলি পথাৰত গৈ, পচোৱা বাৰ চেঁচা নিশাহ এটি পাই, ৰাঙলী হুকৰৰ ফালে চাই, নিমিষে নিমিষে ৰঙা ৰগা হেঙুলীয়া হোৱা মেঘৰ ভেলেকি খেলা দেখি আনন্দত বিভোৰ হৈছে; আৰু গাৱঁৰ বুঢ়া-ডেকা লৰাই হাতত বিছনি লৈ, বৰ আঁহতৰ তলত বহি নানা ৰকমৰ যখ ভূত বিৰাৰ মেলত ভোল গৈছে। আজি দুপৰীয়া বেলিকা ভাগৰুৱা বাটৰুৱাই পিয়াহত আতুৰ হৈ, ক্ৰোশৰ পাছত ক্ৰোশ গৈও পানী নাপাই, খঙতে নৈৰাশ্যতে মোক গালি পাৰিছে, আৰু দোৰ্দ্দণ্ড মাৰ্ত্তণ্ডৰ প্ৰখৰ তাপত ক্লিষ্ট হৈ বাটৰ কাষৰ আঠুপৰিমাণ ওখ খেৰ-বনৰ আঁৰত জিৰাবলৈ বৃথা চেষ্টা কৰিছে; আজি নৰীয়া পাটীত চট্-ফট্ কৰি ৰোগীয়ে দিনৰ দৈৰ্ঘ্যত বিৰক্ত হৈ মৃত্যুক আহ্বান কৰিছে। আজি জোনাকী নিশাত "জেতুকী"ৰ মাকে পাছফালৰ চোতালত পাটী পাৰি, জেতুকীক বুকত লৈ, গলৰ মাদুলি যেন জোনাইৰ ফালে চাই "পঞ্চমী—ষষ্ঠী, সপ্তমী" গণি জেতুকীৰ পিতাক আহিবৰ দিন গণনা কৰিছে আৰু মাজে মাজে জেতুকীক ওমলাইছে—

"জোন বাই এ
বেজি এটা দিয়া।
বেজি নো কেলৈ ?
মোনা সিবলৈ।"

আজি দিন দুপৰত নিজন বাটেদি ঘাটলৈ পানী আনিবলৈ যাওঁতে গাভৰুৱে ঘনে ঘনে সেন্দুৰী মুখৰ নিয়ৰৰ টোপাল যেন ঘামৰ কণিকা বিহাৰ আঁচলেৰে মচিছে আৰু খোজে খোজে কাষৰ কলহ মাটিত নমাই, চলচলীয়া চকুৰে বিনাইছে,—

"বুকৰে জুইয়ে মোক সদায়ে পোৰে,
বাহিৰৰ জুয়েও গুদায়ে নেৰে।"

এই দৰে, কাৰো মনত ৰং লগাই, কাৰো মনত বেজাৰ দি, কাৰো আদৰ পাবলৈ; কাৰো গালি খাবলৈ, সুখে-দুখে ভালে-বেয়াই, কোমলে-কঠিনে, সানমিহলিৰ খেল পাতি মই আহিছোঁ, মই আহিছোঁ, মই আহিছোঁ।

শ্ৰীজিতেন্দ্ৰনাথ দাস

---



# অসমীয়া ভাষা সম্পৰ্কে

বহুত দিন বিদেশত বিদেশী ভাষা শুনি-মেলি থকাৰ পিছত অসমীয়া কোৱা মানুহ এজনৰ মাত শুনিলে মনটো যেনে ৰঙত নাচি উঠা যেন লাগে, আজিকালিৰ জনদিয়েকৰ লেখা এৰি বহুত লেখকৰ লেখা পঢ়ি মহাভাৰত, ৰামায়ণ আদিৰ অনুবাদক পুৰণি লেখকসকলৰ লেখা পঢ়িলে মনটো তেনে যেন লাগে; সিফালে পুৰণি লেখাবিলাকৰ ক্ৰিয়া পদৰ ৰূপবিলাক এতিয়া অপ্ৰচলিত। ইয়াৰ কাৰণ কি ? কাৰণ—পুৰণি লেখাবিলাক অসমীয়াৰ হাড়-মগজুৰে সংশ্লিষ্ট ঠাচ্ (idiom), খণ্ড-বাক্য (phrase), যোজোনা, যুৰীয়া শব্দ আৰু শব্দৰে ভৰপূৰ আৰু এতিয়াৰবিলাক শুদা। ঠাচ্, খণ্ড-বাক্য, যোজোনা আৰু যুৰীয়া শব্দৰ কথাটো পিছৰ, শব্দৰেই টৌটক-নাটক। কোনো কোনো লেখা এনেও পোৱা যায় যে সৰ্ব্বনাম কেটা আৰু ক্ৰিয়া পদৰ আকাৰ ইকাৰ কেটা সলনি

কৰি দিলে নিৰ্খুঁত বঙলা হৈ পৰে। অসমীয়া ভাষাৰ এই দুৰ্গতিৰ গুৰি যে ইংৰাজ ৰাজত্বৰ আদিৰপৰা অনেক বছৰ অসমত বঙলা ভাষাৰ প্ৰচলন, এইটো নকলেই হয়; তাৰ লগতে আমাৰ নপঢ়ি-নুশুনি ওজা হোৱাৰ ভাবটো। পৰম শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈৰ সম্পাদিত ৰামায়ণ আৰু খণ্ড খণ্ডকৈ মহাভাৰতৰো কেবাও পৰ্ব্ব আৰু আন আন সৰু-সুৰা পুথি ছপা হৈ ওলোৱা বহুত দিন হল; ইয়াকে যদি আমি মন দি পঢ়িলোঁহেঁতেন তেন্তে আমাৰ লেখাই ইমান দিনে অলপঅচৰপ পূৰ্ব্বৰ গতি ধৰিলেহেঁতেন। আজিকালি স্কুলত অসমীয়া শিকি যিসকল ওলাইছে সিসকলেও বঙলা শিক্ষা পোৱা গ্ৰন্থকাৰসকলৰ কিতাপ হে পঢ়িছে; কাজেই তেওঁলোকৰ লেখাও তথৈবচ। বঙলা শিক্ষাই ঘাইকৈ তলত লিখা কেই প্ৰকাৰে অসমীয়া ভাষাৰ ওপৰত প্ৰভুত্ব কৰিছে।

১। লেখাৰ সময়ত সুৎ কৰে বঙলা ভাষাত চলতি শব্দটি দেখা দি অসমীয়া শব্দটি আঁৰ কৰি পেলায় আৰু আমি সংস্কৃতৰ উচিলা লৈ তাকে ব্যৱহাৰত আনো। অসমীয়া শব্দ সময়ত মনলৈ নাহেও। পুৰণি লেখকসকলৰ লেখা পঢ়ি অসমীয়া শব্দবিলাক আওৰাই নললে, এই দোষ একেবা সহজ নহব।

২। খণ্ড-বাক্যবিলাকৰ আৰু যোজোনাবিলাকৰ চলতি নোহোৱা হৈ এটা কঠুৱা ভাষাৰ সৃজন হৈছে। ঘাইকৈ যুৰীয়া শব্দবিলাকৰ প্ৰচলন অসমীয়াত ইমান বেছি যে যুৰীয়া শব্দ বৰ্জ্জিত লেখা অসমীয়া যেন নালাগেই। এই যুৰীয়া শব্দবিলাক কিন্তু অলপ ভাবি-চিন্তি লেখা উচিত, নহলে ভুল হোৱাৰেই কথা। ইইতৰ দুইটা শব্দৰেই কাষৰীয়া অৰ্থ থাকে—কাচিত হে অৰ্থশূন্য অনুৰূপ শব্দ ব্যৱহৃত হয়। যেনে—

| অশুধ | শুধ |
| --- | --- |
| লৰা-লুৰি— | লৰা-লুৰী। (আকাৰান্ত ব্যঞ্জন বৰ্ণৰ আগত ৰহা ব্যঞ্জন বৰ্ণৰ কোমল উচ্চাৰণ হলে বুজিব লাগে এটা স্বৰবৰ্ণ লুপ্ত আছে। ইয়াত উকাৰ লুপ্ত আছে। প্ৰকৃত শব্দ লুৰা; কোনো কোনোৱে আজিকালিও লৰা নকৈ লুৰাহে কয়। লুৰাৰ স্ত্ৰীলিঙ্গ লুৰী। অৰ্থাৎ লছোৱালী) |
| লৰা-দমৰা— | লৰা-দামুৰী। (ইয়াত দামুৰীয়ে ছোৱালী বুজাইছে। অৰ্থ—লছোৱালী)। |
| বাক্-বিতণ্ডা— | বাদ-বিতণ্ডা! (তৰ্ক তিনি ৰকমে কৰা হয়; বাদ, বিতণ্ডা আৰু জল্প। কোনো ৰকমে হাৰ নামানি নানান ৰকম যুক্তি আনি নিজৰ মত ৰাখি পৰৰ মত খণ্ডন কৰাৰ নাম জল্প। কোনো যুক্তিৰে বিপক্ষৰ মত খণ্ডাব নোৱাৰি, মুখৰ বলেৰে বিপক্ষৰ মতক দুসি নিজৰ মতক প্ৰশংসাৰ নাম বিতণ্ডা। নিজে হৰা-জিকাৰে মন নিদি উভয় পক্ষৰে দোষ খণ্ডি আচল তত্ত্ব নিৰূপণ কৰাৰ নাম বাদ। এই কাৰণে জল্পটো উহ্য ৰাখি যুৰীয়া শব্দ বাদ বিতণ্ডা)। |
| মানুহ-টানুহ— | মানুহ-দুনুহ। (মনুৰ অপত্য মানুহ—দনুৰ অপত্য দুনুহ। আৰ্য্য আৰু অনাৰ্য্য দুই শ্ৰেণীৰ মানুহ)। |
| ৰাৰী-থাৰী— | ৰাৰী-ধাড়ী; (ধাড়ৰ স্ত্ৰীলিঙ্গ ধাড়ী; স্বামী নভজি থকা তিৰোতা। এতেকে স্বামী মৰি আৰু নভজি, মতা নোহোৱা দুই ৰকম তিৰোতা)। |
| পূজা-পাতল— | পূজা-পাটল। (নিগম মতে দেবাৰ্চ্চনাৰ নাম পূজা আৰু আগম মতে দেবাৰ্চ্চনাৰ নাম পাটল। এতেকে আগম আৰু নিগম দুই ৰকমৰেই পূজা)। |
| মেল-তেল— | মেল-দোৱান। (মানুহৰ মিলন মেল আৰু দেৱৰ মিলন দোৱান)। |

৩। ই, উ আৰু ও আখৰ কেটাৰ কেতিয়া আধা আৰু কেতিয়া পূৰা উচ্চাৰণ হয়, এইটো পাহৰাই দিছে। (ওকালতি শব্দত পূৰা আৰু লাও শব্দত আধা, এই দৰেই পূৰা আৰু আধা উচ্চাৰণ বোজা হৈছে)। পুৰণি



ৰচকসকলৰ নিজ হাতৰ পুথি দুষ্প্ৰাপ্য, নকলকাৰসকলৰ ভুলো বিস্তৰ। তেও অলপ গমি চালে বুজা যায় যে অসমীয়া শব্দৰ শেষৰ ব্যঞ্জন বৰ্ণটো যেনে সদায় (কেটামান শব্দ এৰি) ব্যঞ্জনান্ত হয়, সেই দৰে এই আখৰ কেটাও, নেউল, চাউল, কাউৰ আদি কেটামান শব্দ এৰি, শব্দৰ মাজত আৰু শেহত থাকিলে সদায় আধা উচ্চাৰণৰ হয় আৰু আধা উচ্চাৰণৰ নহলে কোনো স্বৰবৰ্ণেই অকলে মাজত আৰু শেহত ব্যৱহৃত নহয়। গাই গোটে শব্দ হলে বেলেগ কথা—পূৰা উচ্চাৰণৰ হয়। সম্প্ৰতিকে আন আখৰতকৈ ও আখৰটোৱে বেছি আহকাল লগাইছে। আমি ধনীয়ে, শনোৱে ইত্যাদি লেখাত এ ব্যৱহাৰ নকৰোঁ কিন্তু ধনীও, শনোও লেখাত ও ব্যৱহাৰ কৰোঁ, সিফালে মেয়ো, তয়ো ইত্যাদিত ও ব্যৱহাৰ নকৰোঁ। এনেবিলাক বেমেজালি ন শিকাৰুসকলৰ উৱাদিহ নোপোৱাৰ মূল যে অকল এয়ে নহয়, পুৰণি পণ্ডিতসকলে বহু বিবেচনাৰে থিৰ কৰা এটি সুনিয়ম ভঙ্গৰো কাৰণ! এই সুনিয়ম মতে ধনীয়ো, শনোৱো, এই গঢ়ৰ হে হব লাগে। সাহিত্যিকসকলে পূৰ্ব্বৰ নিয়ম ধৰা উচিত যেন দেখোঁ।

৪। য় আৰু ৱ আখৰ দুটাৰ ব্যৱহাৰ আৰু উচ্চাৰণৰো ব্যতিক্ৰম ঘটাইছে। যকাৰান্ত ৰাজ্য, শূন্য, ভাগ্য, যোগ্য, ৰহস্য, আদি শব্দবিলাক অসমীয়া শব্দৰ শেহৰ আখৰটো ব্যঞ্জনান্ত বা আধা উচ্চাৰণৰ হোৱা নিয়মানুযায়ী এনেয়েই ৰাইজ, ৰাইক, শূইন, ভাইগ, যোইগ, ৰহইচ এনেকুৱা উচ্চাৰণৰ হয়। এইবিলাক বিকৃত উচ্চাৰণ বুলিবলৈকো "বুঢ়া-ভাষা" পুথিৰ নামটোৱে বিপৰীতে সাক্ষী দিয়ে। পুথিখনিৰ নামটি অন্ততঃ শিক্ষিতসকলৰ মুখত বুঢ়া ভাইচ নহৈ বুঢ়া ভাইচ হৈ থাকিলহেঁতেন। এতিয়া কিন্তু সেইবিলাক শব্দ ৰাইজ, ৰাইক, আদিৰ দৰে লেখা হয়, অথচ তাত আন কোনো শব্দ যোগ দিব লাগিলেই প্ৰকৃত বানানলৈ যাব লাগে। যেনেঃ—ৰাইজ ৰাজ্যাভিলাষী; ৰাইক ৰাক্যানুযায়ী। হকত আন কথা, অনাহকত উত্তম নিয়মৰ বিৰুদ্ধে এনেবিলাক উদ্ভণ্ডালি উচিত নহয় যেন দেখোঁ। সাহিত্যিকসকলে এইফালেও যেন কাণ কৰে।

সেই দৰে আজিকালি ৰ আখৰটোৰ ঠাইও, উ আখৰে অধিকাৰ কৰিছে। শব্দৰ শেহৰ ৰ নিয়মমতে এনেয়েই উৰ দৰে উচ্চাৰিত হয়। "আন দেৱী দেৱ" পদ ফাকিয়েই প্ৰমাণ। এনে খলত 'দেউ, সেউ' এইদৰে লেখাটো অশুদ্ধ। বঙালী মতে অৱশ্যে "দেৱ, সেৱ"ৰ দৰে উচ্চাৰিত হব। সেই বুলি শুদ্ধ উচ্চাৰণটো আমি এৰিব লাগে নে?

৫। বেছি পৰিমাণে সংস্কৃত শব্দ ব্যৱহাৰ কৰিলেই সাধু ভাষা বা ওখ খাপৰ পাঠ্যৰ ভাষা আৰু খাচ অসমীয়া সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰা শব্দই অকলে থাকিলে ইতৰৰ ভাষা, এনে এটা ভাবো সুমুৱাই দিছে। সৰ্ব্বসাধাৰণে যি কয় সেয়েহে ভাষা—শব্দৰ সাধু আৰু ইতৰ কি? কেৱল শব্দ বহুৱাৰ প্ৰণালী, ভাষাৰ ঠাচ, খণ্ড-বাক্যৰ প্ৰয়োগ আৰু ভাবৰ গধুৰ-লঘু লৈ হে সাধু বা ওখ খাপৰ পাঠ্যৰ ভাষা আৰু সাধাৰণ ভাষা।

এই চেগতে কব খোজোঁ যে অসমীয়া শব্দ থকাতো অনাহকত ন ধৰণৰে শব্দ সাজি ভাষাৰ বোজা গধুৰ কৰাটোও অনুচিত। "গোপচাৰ" (grazing ground) শব্দটি নিখুত অসমীয়া আৰু আজিকালি গবৰ্ণমেণ্টেও কাগজে-পত্ৰে চলতি কৰি আছে। এনে খলতো মাজে মাজে ইয়াৰ সলনি কাগজে-পত্ৰে "চৰণীয়া" দেখিবলৈ পোৱা যায়। অসমীয়া ভাষা শব্দৰে ইমান চহকী যে ন কৈ শব্দ সাজিবলৈ যোৱাটো আমাৰ নিজ ভাষা নজনাৰ এটা চিন।

ওপৰত কোৱা কথাৰ কোনো কোনোটো হেমকোষৰে নিমিলিব পাৰে। এতিয়া চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ সময়ত কিন্তু হেমকোষক খামুচি থকাটো অনুচিত। ভাষা এটাৰ অভিধান এখন নকৈ প্ৰণয়ন কৰা কিমান যে শকত কাম, আমাৰ ফালে ভবায়ে কঠিন দেখোন। একোখন সাধাৰণ কিতাপৰে কত তাওৰণলৈকে ভুল-সংশোধনী তালিকা দেখিবলৈ পোৱা যায়। পৰম শ্ৰদ্ধাস্পদ

স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াই এই হেন অভিধানখন নিজে ছপাবলৈকে নাপালে। এনে খলত ইয়াত ভুল নথকাটোৱেই অসম্ভৱ। এতিয়া চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ সময়ত যাৰ চকুত যি পৰে ভুলবিলাক উলিয়াই দিয়াই উচিত। কেতবিলাক এনে ভুলো আছে যি জাতিটোৱেই এটা কুৎচিত চিত্ৰ দেখুৱাই ভাষাৰেই দ্ৰোহ আচৰিছে। সিদিনা অলপতে এই লেখকে ধুবুৰীৰ অসমীয়া ভাষাৰ হিতৈষী গণ্য-মান্য লোক এজনৰ লগত ধুবুৰীৰ মানুহে অসমীয়া ভাষা চলোৱাত আপত্তি কৰাৰ কথা-বতৰা পতাত তেখেতে এবাৰ প্ৰকাশ কৰিলে "সিহঁতকেই বা কি দোষ দিয়া যায়; ঘৰত সকলোৱে মচাৰি (মচাৰি) বোলে; লৰা এটিয়ে স্কুলত অসমীয়া শিকি যদি ঘৰত আঠুৱা বোলেহি, তেন্তে বাপেক মাকে কি শিকোৱালোঁ ঐ বুলি খেদ কৰাত পৰে"। মোৰ মাত একেবাৰে হৰিল—দোৱাই টুটিও কৰিব নোৱাৰিলোঁ। ভাগ্যে আঠুৱা শব্দৰ ব্যাখ্যাটো মোৰ জনা আছিল নহলে কটা ঘাত আকৌ খাৰণিৰ চাট পৰিলহেঁতেন। তেখেতে যে শব্দটো লৈ নহয় জাতিটোলৈ হে আঙুলিয়ালে বুজিবলৈ বাকী নাথাকিল। হেমকোষ মতে আঠুৱাৰ ব্যাখ্যা "আগেয়ে আঁঠু নপৰাকৈ তাৰ ভিতৰলৈ সোমাব পৰা নহৈছিল"। অসমীয়া জাতিৰ দ্ৰোহ চিন্তিবলৈ শত্ৰুবিলাকৰ এনেবিলাকেই ভাল চেন্ আৰু ভিতৰি ভিতৰি কাম কৰিবও লাগিছে, নহলে, তেখেতে এই শব্দটো কেলৈ উলিয়ালেহেঁতেন। যাৰ আঠুৱা থনৰেই এই অৱস্থা এনে হেন জাতিটোতকৈ শিকলিৰ দেখাত উন্নত জাতিটোৰ বুলি চিনাকি দিবলৈ সকলোৱে ধাউতি কৰেই। অসমীয়া ভাষাত গা মচা খনক গামোছা, মুখ মচা খনক মুকুচা, শোৱা পাটীত গাৰ তলত পৰা খনক তলত-পৰা আৰু ওপৰত আৰি থোৱা খনক আঠুৱা বোলে। আমাৰ পোনপতিৰে এনে যেন হে লাগে।

হেমকোষত শব্দৰ মূল বিচৰাত বঙলাৰ পৰা আহিছে, হিন্দিৰ পৰা আহিছে, উৰ্দ্দুৰ পৰা আহিছে এনেকৈ প্ৰকাশ কৰিছে। ইও জাতিটোৰ গাত এটা বেয়া চেকা বহুৱায়। খুচৰিব পাৰিলে অসমীয়াত বহুতো ইংৰাজী, গ্ৰীক, ফাৰ্চী, আদি ভাষাৰ শব্দ ওলাব; কিন্তু সেইবিলাক শব্দ যেই সেই ভাষাৰ পৰা অনা বোলাটো অবিহিত। যেনে—হাত, মুখ, বতৰ, উজু, দুৱাৰ, পূঁজ, সোন (কাল) শব্দ কেটা hand, mouth, weather, easy, door, pus, soon শব্দৰে মিল দেখি ইংৰাজীৰ পৰা অনা বোলাটো অবিহিত। পূৰ্ব্বৰ একতাৰী আৰ্য্য জাতিৰ ঠাল-ঠেঙুলিবিলাকত বহুত শব্দৰ মিল থাকিবই। এনেবিলাক শব্দ তনা সুবুলি মিল বোলাটো হে যুগুত। আৰ্য্যৰ বাজে আন জাতিৰ শব্দ হে অনা বুলিব লাগে।

শ্ৰীৰজনীকুমাৰ পদ্মপতি

---

# কানাই

মুকলি পথাৰখনৰ এচুকে এটা পজা, চোতালত কেইজোপামান অমিতা আৰু এজোপা বেল গছ, পজাটোৰ মুধত জেওৰা দি বেৰি থোৱা ঠাই এডোখৰত কিছুমান গোমধানৰ পুলি গজিছে।

লছমীয়ে পিৰালিত শুই থকা ছাগলী পোৱালীটোক খুদ চাউল খুৱাইছিলহি; তাইৰ গাত এখন বঙচুৰা শাৰী, হাতত বালা, ভৰিত খল, কলা-বৰণীয়া তেলপৰিলে পিছলা মুখখনৰ ওঁঠ দুটা তামোলৰ ৰঙেৰে ৰঙা।

কোনোবাই ভিতৰৰপৰা সুধিলে—"লছমী বে আজি বদযুণ দিবেক নেকি?"

লছমীয়ে ওপৰলৈ চাই উত্তৰ দিলে—"নাই দিবেক জানি।"



"তবে হলে কানাইকে দেখিবি চল।"

কানাইৰ নাম লছমীয়ে শুনিছে। সেই ক'লাকৈ গাঠনুকৈ লৰাটো। এদিন তাক দেখুৱাই টুম্‌কীয়ে তাইক কৈছিল, "কানায়ে কি আচ্ছা ঝুমুৰ গায়, লছমী।"

তথাপি লছমীয়ে মাকক সুধিলে—"কোন বাগান?"

"ডিব্ৰু।"

"কত্‌না দূৰ?"

"বহুৎ দূৰ নাই আছে। সাঁঝতে ঘুৰি আহিব পাৰিম। এতিয়া ভাত হলেক্, গা ধুই খাবিক্ আহ।"

মাক-জীয়েকে খাই-বৈ ডিব্ৰু বাগানলৈ যাবলৈ ওলাল। লছমীৰ মাকৰ চিনাকী এঘৰ মানুহ তাত আছে। আজি কেবা বছৰো হল সিহঁতে একে সময়তে নিজৰ ঠাই এৰি আহিছে। কানাইৰ মাক লছমীহঁতৰ একো নহয়। মাথোন চিনাকী।

কুলী লাইনত কানাইহঁত থাকে। উদংমুদং ক'লা লৰা-ছোৱালী আৰু মতা-মাইকীৰে ভৰি থকা ঠাইখন জানিব' এখন বজাৰ। আজি দেওবাৰ বাবে কানাইহঁতৰ কাম নাই। তথাপি কুলী কুলীয়নীৰ কি তমবোল।

হাটৰপৰা উভটি আহি কানায়ে বাহিৰতে তগা চেৰপাই এখনত অকলৈ পেট পেলাই পৰি আছিল। তাৰ হাফ্‌পেণ্টৰ পিছফালে পিছল খাই পৰাৰ বোকা লাগি আছিল। টকাৰ তিন দোণকৈ ধান কিনি অনাৰ বাবে মাকৰ তাৰ ওপৰত আজি খং। ছাহাবক কৈ ৰূপ পাঁচ টকা মাকে হাওলাত আনিছিল। তাৰে ৰূপ দুটকা আজি বাতিপুৱা কানাইক দি পঠিয়াইছিল, আৰু কৈছিল যে দুটকাৰ সাদোণ ধান সি পাব, ঠগ্ বেপাৰীবোৰৰপৰা নানি সি যেন গাৱঁলীয়া মানুহৰ পৰা ধান কিনি আনে। বেপাৰীবোৰে আঠকঠীয়া দোণেৰে ধান বেচে। কিন্তু কানায়ে কৰিলে ওলোটা। মোলাৰাম বেপাৰীৰপৰা ৰূপ দুটকা দি সি ছদোণ ধান কিনি আনিলে। মোলাৰামে কানাইক কৈছিল "হেই কানাই, তোকে যাত্তি ধান দিছোঁ। ছৰ্ কুলিক মোৰ ইয়াৰপৰা ধান নিবলৈ কৈ দিবি। হোঁ ভাং একটান্ মাৰি যা।" কানায়ে আপ্যায়িত হৈ মোলাৰামৰ হাতৰপৰা শুদা ভাঙৰ চিলিমটোকে লৈ ৰৰকৈ হোঁপাচেৰেক মাৰি কলে—"আচ্ছা, হামি কৈ দিম।"

কানাইৰ মাকে ভিতৰৰপৰা পানী এচৰীয়া পেলাবলৈ আহিছিল। এনেতে লছমী আৰু লছমীৰ মাক অহা দেখি পানী চৰীয়া ওচৰতে পেলাই দি লৰি ভিতৰ সোমাই গৈ, দুখন পিৰা উলিয়াই আনি, চোতালত পাৰিলেহি। কানায়ে তেতিয়া চেৰপাইৰ খুটা এটা চপৰিয়াই গাইছিল:—

"দিদিৰে, মন্-বাবাজীৰ পাহাৰে
অনেক্ ৰকম্ ফুল্ ফুলে।"

—"কিৰে কানাই কি গাচ্ছিচ্?

সি খপজপ কৰে উঠি দেখে যে লছমী আৰু লছমীৰ মাক। লছমীয়ে পিন্ধি অহা ৰঙা শাৰীখন দেখি তাৰ মনটো কেনেবা লাগিল। যোৱা বাৰ হাটত এইখন শাৰী লছমীৰ মাকক সিয়েই কিনি দিয়া। কিন্তু তাৰ দামটো সি লৈছিল কিয়? নোলোৱাহেঁতেন সি কেনে অমূল্য বস্ত্ৰ হলহেঁতেন! মানুহে বহুত ভুল কৰে কিন্তু ইমান নিদাৰুণ ভুল কৰে কিয়?

লছমীয়ে তালৈ চাই হাঁহিলে। কানায়ে তলমূৰ কৰিলে। লছমীক সি আগেয়ে দেখা নাই। লছমীৰ মাকে হাঁহি হাঁহি কলে:—"এইবাৰ লছমীয়ে তোকে দেখা কৰিবলৈ আহিছে। চেলাম্ ল কানাই!" লছমীৰ মাকৰ এই কানাইকে জোৱাই কৰিবৰ মন।

কানাইৰ মাকে সিহঁতক অভ্যৰ্থনা কৰি আতব্যস্তকৈ বহুৱালে। লগে লগে কানাইকো মদৰ মহললৈ সিকি এটা দি লৰুৱাই পঠিয়ালে।

"আজি বহুত দিন দেখা নাই দিদিৰে" এই বুলি লছমীৰ মাকে দুটা পকা অমিতা, এটা বেল, এটা চিৰাল টোপোলাৰপৰা উলিয়াই কানাইৰ মাকৰ ফালে আগবঢ়াই দিলে।

“খুব খুছি ভাই” এই বুলি কানাইৰ মাকে বস্ত কেইটা সামৰি লৈ ভিতৰলৈ গল।

লছমীয়ে দেখিলে যে কানাইহঁতৰ জীৱন-যাত্ৰা বৰ শোচনীয়। এই এলান্ধুকলীয়া গুলুম-মাৰি-ধৰা লোৰৰ পজাত সিহঁত কেনেকৈ থাকে! চাৰিওপিনৰ কদৰ্য্যতা দেখি তাই বিস্ময় মানিলে। চোতালৰ ভেবেৰণিত কুকুৰা এজাক মহাসুখেৰে চৰি আছিল। ঘৰৰ মুখতে গাহৰীৰ গঁড়াল। পো পোৱালীৰে সৈতে এজাক গাহৰী গোটেই খনতে পিন্‌পিনাই ফুৰিছিল। দূৰৈত, হাড়-চাল-অৱশিষ্ট কুকুৰ এটাই পেট পেলাই হাড় এদাল কামুৰি আছিল।

কিন্তু বাহিৰৰ দৃশ্য চাই তাই মুগ্ধ হল। বাগিছাখন কেনে বহল, মুকলি। চাহগছৰ শাৰীৰে ঠাই-ডোখৰ কোনো ঠাইত হেলনীয়া, কোনো ঠাইত টিলাৰ দৰে—মাজে মাজে ওখ ওখ শিৰীষ গছ—এই বহাগ মাহত ফুলিছে—চালে চকু জুৰ পৰি যায়। আজি কল-ঘৰ বন্ধ। তথাপি ঘৰটোৰ আয়তন, বাহিৰত পৰি থকা যন্ত্ৰ-পাতি, ছাহাব-ছুহবৰ বঙলা, নহৰী-কেৰেণীৰ ঘৰ আৰু কুলীৰ অসংখ্য ‘লাইন’ দেখি তাই বুজিব পাৰিলে যে এই ঠাইৰ কাৰবাৰ বৰ বৃহৎ। ইয়াত উৎপন্ন হোৱা বস্তুৰ ভোগত মানুহৰ কিমান তৃপ্তি আৰু কোম্পানীৰ কিমান লাভ তাই তাকো বুজিব পাৰিলে। আৰু বুজিলে যে সেই লাভ আৰু তৃপ্তি কানাইহঁতৰ নিচিনা মানুহৰ কাৰণে নহয়, মটৰ-কাৰ আৰু কাৰ্পেট পৰা বঙলা থকা ধনী সদাগৰৰ কাৰণেহে বিধাতাই সেই-বোৰ দিছে।

“দিদি ভিতৰতে আহ” এই বুলি কানাইৰ মাকে লছমীহঁতক ভিতৰলৈ লৈ গল। ঘৰৰ ভিতৰত কানাইৰ মাকে ভাত ৰান্ধিছিল। ঘৰটো এন্ধাৰ, তাতে ধোৱাই ছাটি ধৰিছে। ধোৱা ওলাই যাবলৈ কেনিও সুৰুঙা নাই। ঘৰটোৰ ভিতৰত দুখন ভগা চেৰপাই। এখনত এসোপা লাম-লাকটু। মূধৰ বেৰখনত এটা ঢোল আঁৰি থোৱা আছে, তাৰ তলত এশাৰী গুদা বটল ওলোমাই থোৱা। খুটা এটাত ৰেড্-লেম্প চুৰটৰ বাকচৰ ছবি থকা কাগজ এখন কানায়ে ভাল দেখি আঁৰি থৈছে। ইখন চেৰপাইত ফটা কাপোৰ এবোজা পাৰি থোৱা আছে। লছমীয়ে তাৰ ওপৰতে বহি মনে মনে ভাবিবলৈ ধৰিলে—ইহঁত থাকে কেনেকৈ? মানুহে-কুকুৰাই, গৰুৱে-ছাগলীয়ে একেটা ঘৰতে শোৱাটো কেনেকৈ সম্ভৱ?

লছমীৰ মাককো বহিবলৈ দি কানাইৰ মাক ভাত ৰন্ধা কামত লাগি গল। ভগা-কেৰাহি দুখনমান, এলান্ধু-কলীয়া চৰু-মলা, কলহ-টেকেলি এসোপাৰে তাইৰ ৰান্ধনী শাল। কেতোৰ-কলা, মৰ চেৰেলা মেকুৰী এটা ভাতৰ চৰুৰ গুৰিতে বহি আছিল।

দুপৰীয়া খোৱা-বোৱাৰ পিছত কানাইৰ মাকে লছমীৰ মাকক কলে যে, ইয়াত আৰু সিহঁতৰ থাকিবৰ মন নাই। যদি কয় তাইহঁতৰ ঠাইলৈকে কাম এৰি গুচি যায়। দৰ্ম্মহা নাই, খোৰাকী নাই, বহুত মেহনত কৰিও ভাল ৰোজগাৰ গোটাব নোৱাৰে, এনে অৱস্থাত কি সুখত আৰু বাগানত থাকে? না-নবীয়া হলে পতি কৰোঁতা নাই, ঔষধ নাই। দুখু বুলি সিটো লাইনৰ মানুহ এটা সিদিনা বিনা চিকিৎসাতে মৰিল। তাৰ শটো কুকুৰ-শিয়ালৰ ভোজ হল।

লছমীৰ মাকে সকলো শুনি মেলি কলে যে ভাল বস্তি মাটি এডোখৰ পালে সিহঁতলৈ খবৰ পঠিয়াব। একেলগে দেখা শুনাকৈ থাকিবৰ সিহঁতৰো মন।

আবেলি পৰত লছমীহঁত ঘৰমুৱা হল। কানায়ে ভালেমান পৰলৈকে সিহঁত যোৱা চাই আছিল। লছমী চকুৰ আঁৰ হলতহে সি মুখ ঘূৰালে। সেইদিনা আৰু সি কলৈকো নগল—একো কামতে আৰু তাৰ মন নবহিল।

লছমীৰ চকু দুটাৰ দৃষ্টিত কানায়ে যেন অসীম স্নেহ অনুভৱ কৰিছিল। হায়! লছমীহঁত যদি সিহঁতৰ লগতে সদায় থাকিলহেঁতেন।

ৰাতি ভাত খাওঁতে কানায়ে মাকক সুধিলে, “মাই, লছ্‌মী তোৰ কি হয়?

“কুছু নহয়।”

“লেড়কীটো ভাল আছে।”



মাকে হাঁহিলে। অলপ পিছতে তাইৰ মনটো এন্ধাৰ হৈ গল। সম্ভৱ নিজৰ দুৰৱস্থাৰ কথাকে ভাবি তেনে হল। লছমীয়ে তাক কি দেখি বাৰু বিয়া কৰাব?

মেনেজাৰ ছাহাবে এদিন কামজাৰি চাই আছিল। বাগিছাৰ হাবিত এটা বাঘ ওলাই কেইবাটাও কুলী হানি কৰিছে বুলি ছাহাবে শুনিবলৈ পালে। উলটি আহোঁতে ছাহাব বাহাদুৰে বাটত কানাইক দেখি সুধিলে—“হেই, বাঘ-চিকাৰত যাব পাৰিবি?’—“নাই পাৰিম হুজুৰ।”

“ডেম্ চুৰৰ! বন্দুক লিব নাই পাৰিবি?”

সি ভয়ত শেঁতা পৰি কলে—“চেকেগা হুজুৰ!”

কানাই চিকাৰলৈ যাবলৈ ওলাইছে বুলি শুনি কানাইৰ মাকে তাক লগ পাবলৈ বিচাৰিলে। কাৰণ তাই ছাহাবক কৈ সেই দিনাৰেপৰা ছুটি লৈছে, আৰু সেই দিনায়েই কানাইৰে সৈতে একেবাৰে লছমী-হঁতৰ তালৈ তাই উঠি যাব।

কানায়ে এই খবৰ পাই ৰঙত নাচিলে। মাকে লছমীহঁতৰ তালৈ নিবলৈ সেই দিনা গুড়ৰ পিঠা খন-চেৰেক ভাজিছিল; কানাইৰ মাকে সেই আপুকণীয়া খাদ্যৰ খনচেৰেকক তাক আহি খাই যাবলৈ মাতিলে। সি কৈ পঠিয়ালে যে সি উভটি আহিহে খাবহি, মাকে যেন তালৈ বাট চাই থাকে। কানায়ে বুজিলে যে সি বাগিছা এৰি আজিয়েই লছমীহঁতৰ ঘৰলৈ যাব পাৰিব। লছমীক সেইদিনা সি দেখিছিলহে মাথোন। তাইৰ লগত এবাৰ কথাকে সি হব নোৱাৰিলে। সি যে তাইক ভাল পায় এই কথাটো ছাগে তাই বুজিলেনে? আজি সি সেইটো বুজাব, বুজাব, বুজাব।

বেলি লাহে লাহে পৰিল। সি কামজাৰিবগৰা ছাহাবৰ বঙলাৰ ফালে গল। ছাহাবে তাৰ হাতত লেম্প এটা দি হাবিৰ ফালে তাক আগবাঢ়ি যাবলৈ কলে। অলপ-ধতুৱা কানাইৰ বুকুত এই কামৰ কাৰণে সাহ নাছিল। তথাপি সি আগবাঢ়ি গল। কাৰণ আজি অলপ বাহাদুৰীৰ তাৰ প্ৰয়োজন আছে, আৰু ঘাইকৈ কাম ফেৰি যৎপৎ কৰি অঁটোৱাৰ তাৰ ইচ্ছা। সি কোবাকুবিকৈ হাবি ভাঙি যাবলৈ ধৰিলে। বাটত তাৰ সমনীয়া বন্ধু জগুৱাই লগ পাই কলে—“নিজ্ চম্‌হালি চলিচ্‌ৰে কানাই।” কানায়ে কাঠ্ হাঁহি এটা মাৰি কলে, “আচ্ছা।”

ছাহাবে কৈ পঠোৱামতে গছ এজোপাৰ তলত সি ৰলহি। কাঁইট্ আৰু গছৰ মূঢ়াই তাৰ শৰীৰটোক অপঘাত কৰিছিল, কিন্তু সেইবোৰলৈ সি একো কটা-হিতকে নকৰিলে। জীৱনতো আজিয়েই হে সি এই বাগিছাত চাকৰী কৰিব। আৰু সি লছমীক কব পাৰিব যে সি কেনে ডাঙৰ সাহৰ কাম আজি কৰি আহিছে। গছৰ ঠাল-পাত কপাই এজাক বতাহ সোঁ-সোঁ কৈ বৈ গলত তাৰ জাৰ লাগিল। ছাহাবে দিয়া পুৰণা অ’ভাৰকোট্ এটা সি পিন্ধি আহিছিল। সি সেইটো ভালকৈ বুটাম মাৰি পিন্ধিব খুজি দেখিলে যে তাৰ এটাও বুটাম নাই। অগত্যা মূৰৰ গামোছা-খনৰেই কঁকালত কমৰ মাৰি ললে।

এজাৰ গছ এজোপাৰ মাজেদি তৰা এটাই ভুমুকিয়াইছিল। ওখ আকাশত তৰাটো কিমান দূৰৈত তথাপি সি যেন কিমান আপোন! তৰাটোৰ হাঁহিটি কানাইৰ বৰ মিঠা লাগিল। কাৰ যেন এইটো হাঁহি? কাৰ—কাৰ? যেন লছমীৰ!

অকস্মাৎ তাৰ গাটো এটা অজান আশঙ্কাত শিয়ঁৰি গল। সি যেন মাকৰ মাত শুনিলে! ডাঠ-হাবি খনত এন্ধাৰৰ ছাঁ ডাঠ হৈ পৰিল। তাৰ হাতৰ লেম্প্‌টোৱে পোহৰৰ এটি সৰু বৃত্ত সৃষ্টি কৰিছিল মাথোন। “গুৰুম” কৰে হঠাৎ এটা আৱাজ্ হল। কানায়ে কি কৰো কি নকৰো কৰিলে। লাহে লাহে শব্দটো অহাৰ ফাললৈকে লেম্প্‌টো লৈ আগবাঢ়ি গ’ল। হাউহি মাৰি যেন এটা ডাঙৰ জন্তু তাৰ আগে-দিয়েই বিজুলী সঞ্চাৰে জাপ্ মাৰি গল। ..সি ছঁয়া-ময়া দেখিলে।...আকৌ এটা বন্দুকৰ শব্দ।

যেন তাৰ গাত বজ্ৰপাত পৰিল। ছাহাবৰ লক্ষ্য-ভ্ৰষ্ট গুলিয়ে কানাইৰ বুকু ভেদ কৰিলে—কানাইৰ দেহ মাটিত বাগৰি পৰিল—লছমীক আৰু সি নেদেখিলে।

“কচ”

# 'বুৰঞ্জীৰ অপলাপ' প্ৰবন্ধৰ প্ৰশ্নৰ কৈফিয়ৎ

যোৱা বহাগৰ প্ৰথম সংখ্যা 'বাঁহী'ত, শ্ৰীযুক্ত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই তেখেতৰ লিখিত 'বুৰঞ্জীৰ অপলাপ' নামেৰে প্ৰবন্ধটোত পূজ্যপাদ ৺ধীৰেশ্বৰাচাৰ্য্যদেৱৰ জীৱন চৰিতৰ দ্বিতীয় পিঠিত লিখা "প্ৰেমাৱতাৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰৱৰ্ত্তক শ্ৰীশ্ৰীচৈতন্যদেৱ এওঁৰ সতীৰ্থ। জয় ভাৰতিয়ে তীৰ্থ ভ্ৰমণৰ উপলক্ষে গৌৰাঙ্গৰ লগত প্ৰকৃতিৰ শান্তি আশ্ৰম, চতুৰ্ব্বৰ্গপ্ৰদ, শিৱদুৰ্গাৰ বিলাসভূমি, দেৱীক্ষেত্ৰ কামৰূপলৈ আহি হাজোৰ হয়গ্ৰীৱ মাধৱ দেৱালয়ত উপস্থিত হৈছিল।" ইত্যাদি কথা, এজন বঙালী লিখকৰ পুৰণি প্ৰবন্ধ এটিৰ কেইফাকিমান কথা তুলি দি, অসত্য আৰু অনৈতিহাসিক বুলি শিৰোধাৰ্য্য কৰি, দেৱৰ জীৱন চৰিত লেখকৰ ওচৰত 'বাঁহী'ৰ জৰিয়তে কৈফিয়ৎ খুজিছে। "সত্যে নাস্তি ভয়ং ক্বচিৎ।" দেৱৰ জীৱন চৰিত লেখকে কোনো ইতিহাস লিখা নাই নাইবা কোনো ঐতিহাসিক সমালোচনা কৰা নাই। কেৱল দেৱে নিজে লিখি থৈ যোৱা তেখেতৰ "আচাৰ্য্য গীতি" নামেৰে সংস্কৃত প্ৰবন্ধটোৰ অসমীয়া ভাঙনী কৰি লেখকে দেৱৰ জীৱন চৰিতৰ "বংশ পৰিচয়ৰ' দেহা বঢ়াইছে। উদাৰচেতা নিৰপেক্ষ অসাম্প্ৰদায়িক সুবিবেচক বিজ্ঞ লোকৰ ন্যায্য বিচাৰত, বোধকৰোঁ দেৱৰ জীৱন চৰিত লেখক সেই-বাবে অপৰাধী নহব। কাৰণ দেৱৰ জীৱন চৰিত লেখক জন মহাপুৰুষীয়া, দামোদৰীয়া নাইবা চৈতন্যপন্থীয়া নহয়। সেইবাবে নেওগ ডাঙৰীয়া আৰু তেওঁৰ ফলীয়া লোকবিলাক চক খাবৰ কোনো কাৰণ নেদেখোঁ। চৈতন্যদেৱ কামৰূপলৈ আহিছিল নে নাই? দামোদৰদেৱে চৈতন্যদেৱৰ ওচৰত শৰণ লৈছিল নে নাই? সেইবোৰ বিষয় লৈ দেৱৰ জীৱন চৰিত লেখকে অনাহকত বায়ু বৃদ্ধি কৰিবলৈ ইচ্ছা নকৰে। কাৰবাৰ যদি ইচ্ছা হৈছে, তেনেহলে তেওঁলোকে যেন মধ্যম নাৰায়ণৰ ব্যৱস্থা কৰে। নেওগ ডাঙৰীয়াই দেৱৰ জীৱন চৰিত লেখকক যিখনিখিনি আন্তৰিক অবিশ্বাস কৰিছে, আচল মতে দেৱৰ জীৱন চৰিত লেখক তিমানখিনি অবিশ্বাসৰ পাত্ৰ নহয়। কাৰণ দেৱৰ জীৱন-চৰিত লেখকে, যি কোনো সাম্প্ৰদায়িক কথাই নহওক, সেইবোৰৰ বিপক্ষে সদায় সামঞ্জস্য আৰু ঐক্য-প্ৰীতিৰ কথা সমাজত প্ৰকাশ কৰে। ইয়াত বাজে নেওগ ডাঙৰীয়াৰ আৰু তেওঁৰ ফলীয়া লোকসকলৰ ওচৰত দেৱৰ জীৱন-চৰিত লেখকৰ বিশেষ কোনো কৈফিয়ৎ নাই। তলত দেৱে লিখি থৈ যোৱা "আচাৰ্য্য গীতি" প্ৰবন্ধটোৰ কেইটামান সংস্কৃত শ্লোক উদ্ধৃত কৰি দিলোঁ। এই কেইটা শ্লোক দেৱৰ জীৱন চৰিতৰ ওপৰক্ষিত ১১৪ পিঠিত দিয়া হৈছে।

তদ্বংশে জয়ভাৰতিৰাচাৰ্য্যোঽভূৎ পুৰা নবদ্বীপে।
শ্ৰোত্ৰিয়কুলমৌলিমণিৰ্দ্দাৰ্শনিকানাম্মনীষিণাম্প্ৰথমঃ ॥৪॥
আসীদ্ যস্য সতীৰ্থো বৈষ্ণৱধৰ্ম্ম প্ৰৱৰ্ত্তকো বিদ্বান্।
গৌৰাঙ্গাপৰনামা চৈতন্যঃ কৃষ্ণভক্তি সম্পন্নঃ ॥৫॥
শ্ৰীচৈতন্যসহায়স্তীৰ্থাটনসম্ভ্ৰমাৎ স আচাৰ্য্যঃ।
সম্প্ৰাপ কামৰূপং বাপীতটিনীতটোল্লসদ্যুগম্ ॥৬॥
অথ তত্ৰ তীৰ্থজাতং নিষেব্য ভব্যাশয়ঃ স কৃষ্ণস্য।
আৰোগ্যস্নানভৱে সম্ভাৰপুনৰ্ভৱে মহাতীৰ্থে ॥১৩॥
ঘনবনঘটাট্যমানো মণিকূটগিৰিং সমাৰুৰোহ ততঃ।
অবলোকয়িতুং মাধৱমৌৰ্ব্বমুনিস্থাপিতং হয়গ্ৰীৱম্ ॥১৪॥
তন্নিৰ্দ্দিষ্টকুটীৰে চৈতন্যেনাজিনে সমাসীনঃ।
স নিনায় সুখেন নিশাং কৃতশাস্ত্ৰকথাপ্ৰসঙ্গ এনেন ॥১৮॥
অথ স যথাবিধি মাধৱদৰ্শন সংস্পৰ্শনস্তুতি প্ৰণতীঃ।
প্ৰবিধায় যাৱদদং তত্ৰাবাৎসীত্তপশ্চৰন্ সমগঃ ॥২০॥
অথ মৃতজ্ঞানিৰ্গৌতম গোত্ৰো দামোদৰো বিৰজা ভূগম।
আদাতুং সদ্ধৰ্ম্মং চৈতন্যাভ্যৰ্ণ মাগতো বিপ্ৰঃ ॥২১॥
শ্ৰীচৈতন্যাদেশাচ্ছ্ৰুত্বা জয়ভাৰতেঃ স ভাগৱতম্।
স্তৱসন্মণিকূটগিৰেৰুপত্যকায়াং হৰি মমাৰাধ্য ॥২২॥
শিষ্যশ্চৈতন্যস্য স্যামিতি কৃত্বা কণীৰমায়ান্তম।
জ্ঞাত্বা শ্ৰীচৈতন্যঃ সুহৃদং সম্প্ৰস্থিতো জগাদেদম্ ॥২৩॥
সৌম্য শ্ৰীপুৰুষোত্তমমিতঃ প্ৰতিষ্ঠে বস স্বমত্ৰৈৱ।



ইত্যুক্তালিঙ্গ্য চ তং শ্ৰীগৌৰাঙ্গো জগাম তৎক্ষেত্ৰম ॥২৫॥
যামধ্যুবাস সপগুহা' মণিকূট গিৰেৰ্ব্বৰাহকুণ্ডতটে।
তামদ্যাপি চ নাম্না চৈতন্যগুহাং জনাঃ প্ৰভাষন্তে ॥২৬॥

কৈফিয়তৰ কলেৱৰ বঢ়াব বাবে শ্লোকবোৰৰ ভাঙনী দিয়া নহল। অনুগ্ৰহ কৰি বাৰ অনা দি, একোখন ৺ধীৰেশ্বৰাচাৰ্য্যদেৱৰ জীৱন চৰিত কিনি ললে সংশয় দূৰ হব। ইয়াৰ লগতে আৰু এটা কথা নিলিখাকৈ থাকিব নোৱাৰিলোঁ। চৈতন্যদেৱক "প্ৰেমাৱতাৰ" বিশেষণটোৰ দাৰাই অলঙ্কৃত কৰাৰ বাবে, আন মানুহৰ উপাধিৰূপ ব্যাধি বিশেষণ-টাৰে যেন চক নাখায়? কাৰণ গুণ-গ্ৰাহী নিৰপেক্ষ লোকসকলে, সাধু মহাপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা-ভক্তিশীল হৈ তেওঁলোকক দুই-চাৰিটা ভাল বিশেষণেৰে বিভূষিত কৰে। যেয়ে তেনে কৰিবলৈ নোৱাৰে, সেইবিলাক মানুহক বিজ্ঞসকলে ঈৰ্ষালু আৰু মক্ষিকাবৃত্তিৰ বুলি কয়। মহাত্মা গান্ধীকো আজি পৃথিৱীৰ সৰহভাগ মানুহে 'অৱতাৰ' নাইবা বৰ্ত্তমান যুগৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱ বুলি কয় আৰু কবলৈ কুণ্ঠিত নহয়।

অয়ং নিজঃ পৰো বেতি গণনা লঘুচেতসাম্।
উদাৰচৰিতানাস্তু বসুধৈৱ কুটুম্বকম্॥
অলমতি বিস্তৰেণেতি।

পণ্ডিত শ্ৰীকামাখ্যাচৰণ ভট্টাচাৰ্য্য
পলাশবাৰী (আৰ, বি, হাই স্কুল)

---

# অপলাপৰ ওপৰত প্ৰলাপ

৺ধীৰেশ্বৰাচাৰ্য্যৰ জীৱনী লিখকে বুৰঞ্জীৰ যি অপলাপ কৰিছে বুলি মই লিখিছিলোঁ, তাৰ উত্তৰ দিবলৈ আহি তেওঁ এইবাৰ প্ৰলাপ বকা দেখি তেওঁলৈ পুতৌ জন্মে। তেওঁ অন্ততঃ ইমান পৰে স্বীকাৰ কৰিলে যে তেওঁ লিখা কথাখিনি "হিজ্ মাষ্টাৰ্চ ভইছ"ৰ অধিক একো নহয়, তেওঁ মাথোন "যথাদৃষ্টং তথা লিখিতং—লিখকে নাস্তি দোষং।" মই বুৰঞ্জীৰ বিচাৰ কৰা কথা কেইটাৰ বিষয়ে তেওঁ লিখিছে, "সেইবোৰ বিষয় লৈ দেৱৰ জীৱন-চৰিত-লেখকে অনাহকত বায়ু বৃদ্ধি কৰিবলৈ ইচ্ছা নকৰে। কাৰবাৰ যদি ইচ্ছা হৈছে, তেনেহলে তেওঁলোকে যেন মধ্যম নাৰায়ণৰ ব্যৱস্থা কৰে।" "অনাহকত" নহয় যদিও, লিখকে যেতিয়া তেওঁৰ বায়ুৰোগ থকা বুলি নিজেই কৈ কাঢ়িছে, হকৰ হকেও তেওঁক মই সেই "বায়ু বৃদ্ধি কৰিবলৈ" কব নোৱাৰোঁ, আৰু তেওঁৰ বাবে "মধ্যম নাৰায়ণৰ ব্যৱস্থা" কৰিবলৈও মই অপাৰগ। লিখকে যে মোৰ লগতে মোৰ "ফলীয়া" এটা দল বিচাৰি পাইছে, ইও তেওঁৰ সেই বায়ু-বৃদ্ধিৰ লক্ষণ আৰু "ঈৰ্ষালু আৰু মক্ষিক বৃত্তিৰ" চিন বুলি আমি ধৰি লব পাৰিম হবলা।

মোৰ মূল উদ্দেশ্য বুজা মানসিকতা থকাৰ পৰিচয় তেওঁ নিদিলেও, আৰু আচাৰ্য্যদেৱৰ জীৱনী লিখিবলৈ যোৱা দায়িত্ব এতিয়াও বুজিবলৈ অপাৰগতা দেখুৱালেও, মোৰ প্ৰবন্ধটিৰ আলম লৈ তেওঁ যে "বাঁহী"ৰ জৰীয়তে পাঠকসকলক "অনুগ্ৰহ কৰি বাৰ অনা দি, একোখন ৺ধীৰেশ্বৰাচাৰ্য্যদেৱৰ জীৱন চৰিত কিনি" লবলৈ চেনু পালে, ইও তেওঁৰ পক্ষে যথালাভ বুলি তেওঁ ভবা উচিত,—যেনে, "শোলাৰ মুখত মাখি!"

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# নাৰীৰ অৱস্থা

স্ত্ৰী স্বাধীনতা বুলি আজিকালি চাৰিওফালে এটা প্ৰবল ঢৌ উঠিছে। এই ঢৌৰ কাৰণেই হওক নাইবা আন কাৰণেই হওক আজিকালিৰ কিছুমান পুৰুষক তাৰ সপক্ষে মত দিয়া আৰু তাৰ কাৰণে চেষ্টা কৰাও অলপ অচৰপ দেখা গৈছে। বিপক্ষ দলৰ কথা তো অৱশ্যে কবই নালাগে। কব নালাগে যে মুখেৰে সহানুভূতি দেখুৱাই কাৰ্য্যক্ষেত্ৰত পিঠি দিয়া আৰু সুযোগ মতে তাৰ নিন্দা কৰা "মহাপুৰুষ" সকলো এই দলৰ ভিতৰতে।

সি যি হওক, মই আজি আপোনালোকৰ আগত তাৰ আলোচনা কৰিবলৈ অহা নাই। কেৱল স্বপক্ষ-বিপক্ষ দলৰ মতামতৰ আলোচনা কৰি থাকিলে আমাৰ কাম নচলে। তাতকৈও আমাৰ ডাঙৰ কাম আছে—আমাৰ কৰ্ত্তব্য আছে, সেইটো হৈছে আমাৰ অৱস্থা আমি নিজে জনা, আমি নিজে অনুভৱ কৰা। কাৰণ আমি যদি নিজৰ অৱস্থাই নিজে নাজানো স্ত্ৰী-স্বাধীনতা, স্ত্ৰীশিক্ষা ইত্যাদি বুলি যিমানেই চিঞৰ-বাখৰ লগাওঁ তাত একো ফল নধৰে।

কিন্তু জীৱিত প্ৰাণী মাত্ৰৰে গাত শুই থাকিলেও স্পন্দন বোলা এটা বস্তু আছে। আমি স্ত্ৰীস্বাধীনতা আৰু স্ত্ৰীশিক্ষাৰ ঢৌকো এনে এটা স্পন্দন বুলি জানোঁ আৰু আমি আশা আৰু বিশ্বাস কৰোঁ, এই আন্দোলনেই আমাৰ জাগৰণৰ পূৰ্ব্ব লক্ষণ।

আমি জানোঁ, পুৰুষেও জানে, প্ৰকৃতি আৰু পুৰুষ এই দুই জাতি একে ঈশ্বৰৰে সৃষ্টি। আমি আৰু জানো, সৃষ্টিৰ মূলত এই প্ৰকৃতিৰেই গৌৰৱময়ী মূৰ্ত্তি নাৰী--পালনৰ মূলত এই নাৰী—সকলোৰে মূলতে এই নাৰী ; মাতৃত্ব, দেৱীত্ব, আৰু সখিত্ব সকলো মূৰ্ত্তিৰেই এই নাৰীয়েই সৃষ্টিখন ৰক্ষা কৰি আহিছে—পুৰুষ কেৱল তাৰ সাহায্যকাৰী মাত্ৰ।

কিন্তু কৰ্ম্মক্ষেত্ৰত নাৰীয়ে তাৰ উপযুক্ত সন্মান পাই আহিছে নে? পুৰুষে জানো নাৰীক আগ ঠাই দি আহিছে?

আমি কওঁ মিছা, সকলো মিছা; নাৰীয়ে উপযুক্ত সন্মান কেতিয়াও পোৱা নাই আৰু পোৱা নাছিল; নাৰীয়ে উপযুক্ত আৰু ন্যায্য অধিকাৰ কেতিয়াও লাভ কৰা নাই, কৰা নাছিল; পুৰুষে কেতিয়াও নাৰীক আগ ঠাই দিয়া নাই—কেতিয়াও দিয়া নাছিল; নাৰীয়ে তাইৰ সেৱা, তাইৰ প্ৰেম, তাইৰ মাতৃত্ব আৰু দেৱীত্বৰ ফলত কেৱল পাই আহিছে পুৰুষৰপৰা পদে পদে লাজ, অপমান আৰু অত্যাচাৰ। পুৰুষে নাৰীক খেলাৰ পুতলা বুলি ভাবি আহিছে—এতিয়াও ভাবে; আৰু নাৰীয়ে কেৱল পুৰুষৰ দাসীত্ব কৰি আহিছে আৰু এতিয়াও কৰি আছে।

অতীতলৈ বহুতে আঙুলিয়ায়। কোনো কথাৰ আলোচনা কৰিবলৈ হলেই অতীতৰ উদাহৰণ দিয়ে। অতীতত হেনো নাৰীৰ সন্মান আছিল, অতীতত হেনো নাৰীয়ে সন্মানৰ আগ ঠাই লাভ কৰিছিল, অতীতৰ পুৰুষে হেনো নাৰীক দেৱী জ্ঞান কৰিছিল। আমি কিন্তু তাৰ প্ৰতিবাদ কৰোঁ। হব পাৰে, অতীতৰ ঋষি-মুনিসকলে নাৰীক বিধাতাৰ শ্ৰেষ্ঠ আশীৰ্ব্বাদ বুলি কৈছিল, দেৱী বুলি আখ্যা দিছিল, কিন্তু তথাপি নাৰীয়ে জানো কাৰ্য্য ক্ষেত্ৰত সেই সন্মান ভোগ কৰিব পাৰিছিল? নাৰীক "নৰকৰ দুৱাৰ," "পুৰুষৰ তেজ চুহি খোৱা বাঘিনী" "সাক্ষাৎ নৰক," "স্ত্ৰীবুদ্ধি প্ৰলয়ঙ্কৰী" ইত্যাদি বুলি এই ঋষি-মুনিসকলেই জানো ঘিণ কৰা নাছিল! আৰু তাৰ লগে লগে নাৰীৰ ওপৰত শাস্ত্ৰকাৰসকলৰ যি কঠোৰ বিধি সেইবোৰ জানো নাৰীৰ গৌৰৱৰ?

অতীতলৈ আৰু যাব নালাগে, বৰ্ত্তমানলৈ এবাৰ চকু ফুৰাওক, দেখিব নাৰী কেনে অৱস্থাত আছে। নাৰীৰ অৱস্থা নাৰীয়ে সুবুজিলে আৰু কোনেও সুবুজে। বৰ্ত্তমানতো নাৰীৰ ওপৰত পুৰুষৰ পশুত্ব বল। মই কিয়



এবাৰ সুধিব খোজোঁ, নাৰী যদি পশু হয়, তেন্তে পুৰুষ জানো পশু নহয়? মাক তাৰু ঘৈণীয়েক যদি চাকৰনী হয়, তেন্তে গিৰীয়েক জানো চাকৰ নহয়? নাৰী যদি নৰকৰ কীট হয়, তেন্তে পুৰুষ কি?

তাৰ ওলোটাকৈয়ে হওক, নাইবা নাৰীৰ সৌন্দৰ্য্যত মুগ্ধ হৈ হওক, আজিৰ কৱিও গায় নাৰীৰ অতুলনীয় ৰূপ, নাৰী দেৱী। অতীত কালতো এই একে কথাই উঠিছিল। তথাপি তাৰ ন্যায্য সন্মানতো নাৰীয়ে পোৱা নাই। ৰূপৰ প্ৰশংসা শুনি কোনোৰেতো জীয়াই থাকিব নোৱাৰে, নাৰীও যে পুৰুষৰ নিচিনাই মানুহ, নাৰীৰো যে আত্মা আছে। দেৱী ইতিকিং কৰিবৰ এটা শব্দ মাথোন। পুৰুষেও জানে যে নাৰী দেৱী নহয়। আমিও কওঁ, আমি কেতিয়াও দেৱী নহওঁ, দেৱীৰ আসনতো তোমালোকে আমাক কেতিয়াও দিয়া নাই, নাৰীক ফুচুলাই কাম আদায় কৰিবৰ ইও এটা ফন্দি মাথোন।

আমিও মানুহ, আমাৰ অধিকাৰ, আমাৰ শিক্ষা-দীক্ষা, আমাৰ আদৰ্শ মানুহৰ—মনুষ্যত্বৰ সকলো ব্যৱস্থাই আমাক লাগে।

পুৰুষে নিজেই জানে, নাৰীৰ উন্নতি নহলে কি সমাজ, কি ৰাষ্ট্ৰ সকলোতে কেতিয়াও উন্নতি নাই। তথাপি গাৱঁতেই হওক, নাইবা চহৰেতেই হওক ছোৱালীৰ শিক্ষাত ককায়েক-ভায়েক-বাপেক সকলোৰে বাধা। এইবোৰ কঠিন বাধা হেঁচি ঠেলি কোনো মতে আগুৱাব পাৰিলেও প্ৰথম ভাগ নাইবা দ্বিতীয় ভাগ পঢ়া শেষৰ লগে লগেই তাইৰ বিদ্যা-শিক্ষাও শেষ। বাৰে পাচি ভুল থকা সাতদিনৰ মূৰত কোনো মতে এখন চিঠি লিখিব পৰাই নাৰীৰ পক্ষে যথেষ্ট।

সমাজো সেয়েই, সমাজত যত বিধি, যত ব্যৱস্থা, যত শাসন, সকলো তিৰোতাৰ কাৰণে; সকলো তিৰোতাৰ ওপৰত পুৰুষৰ পাপৰ ফল নাৰীয়ে ভোগ কৰিব, পুৰুষৰ অত্যাচাৰ নাৰীয়ে সহ্য কৰিব সেয়েতো সমাজৰ ব্যৱস্থা।

পুৰুষে নাৰীক বিলাসিনী কৰি ৰাখিছে, সি কেৱল ভোগৰ কাৰণে, তেওঁৰ পশুত্ব তৃপ্তিৰ কাৰণে। নাৰীক সুবিধা কেতিয়াও দিয়া নাই। নাৰীৰ ওপৰত পুৰুষৰ যদি শ্ৰদ্ধা আৰু সন্মান থাকিলেহেঁতেন তেন্তে নাৰীৰ অৱস্থা কেতিয়াও এনে হবলৈ নাপায়। কিন্তু পুৰুষৰ ওপৰত বিশ্বাস আৰু নিৰ্ভৰ কৰি থাকিলেতো আৰু আমাৰ কাম নচলে—তাৰ প্ৰতিদান যে আমি পাই আহিছোঁ, আমাৰ বাট আমি নিজেই মুকলি কৰি লব লাগিব। *

শ্ৰীকমলা ৰাভা

---

# ৰূপৰ পগলা

নেদেখোহেঁতেন মই
    সোণৰ হৰিণা
কিয় বাৰু পাছে পাছে যাওঁ,
দুচকুত বালি মাৰি
    হাবিত সোমালে
কিয় ভেৰা লাগি ৰহ চাওঁ।
ৰূপতে বলিয়া মই
    ৰূপৰ ভিখাৰী
পখিলাৰ পাখি যাওঁ খেদি,
চকুৰ আগতে দেখোঁ
    পখিলা লুকায়,
মূলতেই আশা মোৰ ছেদি।
সোণৰ হৰিণা হেৰ
    ৰূপৰ পখিলা
তইতক কিয় সৰজিলে,
দেখুৱাই চকা মকা
    ৰূপ তইতৰ,
কিয় মোক পগলা কৰিলে।

'বিন'

* আসাম মহিলা সমিতিৰ গোৱহাটত বহা অধিবেশনত পঠিত বুলি গৃহীত।

# ছাত্ৰ জীৱনৰ লক্ষ্য

"নমো নমো নিত্য নিৰঞ্জণ নাৰায়ণ শিৱ সনাতন,
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি-অন্ত
তুমিসে চৈতন্য সমস্ত ভাব ভাবন্তা ॥"

উপস্থিত সমজুৱাসকল আৰু মৰমৰ ছাত্ৰমণ্ডলী, যাৰ অপাৰ কৰুণাৰ গুণত সকলো হিংসা দ্বেষ আৱৰ্জ্জনা-মলিনতা জলাঞ্জলি দি আমাৰ গুটীয়া স্বাৰ্থ বেজাৰ-বিৰাগ কাটি কৰি থৈ দি এটি মহৎ ভাবেৰে অনুপ্ৰাণিত হৈ শুদ্ধ আৰু পৱিত্ৰ মনেৰে এই শুভ অনুষ্ঠানত সমবেত হৈছোঁহি সেই সিদ্ধিদাতা মঙ্গলময় ভগৱন্তৰ চৰণাৰবিন্দত জয় জয়তে শতকোটি প্ৰণাম জনাওঁ। আৰু যি দুজন মহাপুৰুষে অসমীয়াৰ ধৰ্ম্ম, সমাজ আৰু সাহিত্য সুন্দৰকৈ গঢ়ি দি অসমীয়া জাতিক জগতৰ আগত এটি জাতি বুলি চিনাকী দিবপৰা কৰিলে, সংস্কৃত-সাগৰ মথি বেদ, উপনিষদ, শ্ৰীমদ্ভাগৱতৰ মধুৰ ভক্তি-ৰসেৰে ওপচা প্ৰেম-অমৃতৰ নদীৰ পাৰ ভাঙি বসুমতী প্লাবিত কৰিলে, সেই প্ৰাতঃস্মৰণীয় মহাত্মা শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পৱিত্ৰ স্মৃতি আজি অন্তৰত ধ্যান কৰি তেওঁলোকৰ উদ্দেশ্যে ভক্তি কুসুমৰ আঁজলি হেঁপাহেৰে আগ বঢ়াই আজিৰ উৎসৱৰ কাৰ্য্য আৰম্ভ কৰোঁ।

## শলাগ-শৰাই

বাইজসকল, যেতিয়া ভাবৰ হেন্দোলনি উঠে, ভাষাৰ নাটনি হয়। আজিৰ এই মহাযজ্ঞৰ পুৰোহিতৰ পদত মোক বৰণ কৰি আপোনালোকে যি অতুলনীয় আদৰ আৰু সন্মান দেখুৱাইছে, তাৰ বাবে সমূলি মোৰ যোগ্যতা নাই বুলি জানিও কোনটো সাহেৰে, কিৰূপ ধৃষ্টতাৰে তাক গ্ৰহণ কৰিলোঁ মই নিজেই ভাবি উৱাদিহ নোপোৱা হৈছোঁ। ৰজাঘৰীয়া সন্মান পোৱাতকৈও, লক্ষ লক্ষ টকাৰ অধিকাৰী হোৱাতকৈও, দেশবাসীৰ আদৰ-চেনেহ পোৱাটো আৰু অধিক সৌভাগ্য আৰু গৌৰৱৰ কথা। ছাত্ৰাৱস্থাৰপৰা ক্ষুদ্ৰ শক্তি অনুসৰি বাইজৰ চৰণ সেৱা কৰি সুখ পাইছোঁ, মাতৃ-ভাষাৰ চৰণ-কমলত দুপাহি এপাহি তলসৰা ভাব-কুসুমৰ শৰাই আগ বঢ়াই একেৰি সান্ত্বনা লভিছোঁ, স্কুল-কলেজৰপৰা ওলাইও নিজকে সাংসাৰিক পঢ়াশালিৰ এটি ক্ষুদ্ৰ ছাত্ৰ বুলি গণ্য কৰি ছাত্ৰসকলৰ সকলো অনুষ্ঠানতে ঘৰে প্ৰবাসে যোগদান কৰি তৃপ্তি লাভ কৰিছোঁ। বোধকৰো এইবিলাক কথালৈ মন কৰিয়েই আজিৰ এই মহা-সন্মিলনৰ সভাপতিৰ আসনখনি এই অভাজনলৈ বঢ়া-হল। এই সন্মানটি পৰমেশ্বৰৰ আদেশ আৰু বাইজৰ আশীৰ্ব্বাদ বুলি শিৰ পাতি গ্ৰহণ কৰিলোঁ। তাৰ সলনি দিবলৈ মোৰ অৰ্থৰ সম্বল, ভাবৰ সম্পদ, ভাষাৰ অলঙ্কাৰ, হাহিৰ ৰহঘৰা—একোৱেই নাই। আছে মাত্ৰ এধাৰি শলাগৰ চকুলো;—তাৰে এখনি শৰাই আপোনালোকলৈ সাদৰে আৰু সন্তৰ্পণে আগ বঢ়াই মোৰ জীৱনত অৰ্জ্জন কৰা সামান্য অভিজ্ঞতা আৰু সংসাৰ-হাটত বাট বুলোঁতে বাটে-পথে বুটলি পোৱা ভাবৰ সঞ্জুলিৰপৰাই আমাৰ দিয়েক কথা আপোনালোকৰ ওচৰত নিবেদন কৰিবলৈ সাহ কৰিলোঁ।

## চাৰিং

আজি আমি গোট-খোৱা ঠাইডোখৰৰ নাম চাৰিং। চাৰিং শিৱসাগৰ বা পুৰণি ৰংপুৰৰ অন্তৰ্ভুক্ত এখন প্ৰধান ঠাই। আমি শিৱসাগৰীয়া বুলি গৌৰৱ অনুভৱ কৰিবৰ বিশেষ কাৰণ আছে। অসম ৰজাৰ পুৰণি ৰাজধানীস্বৰূপে, দ'ল-পুখুৰী, গড়-মৈদাম, ৰং-ঘৰ, কাৰেং-ঘৰ, শিলৰ সাঁকো, তলাতলি ঘৰ ইত্যাদি সুন্দৰ কাৰুকাৰ্য্যৰ চানেকি অপূৰ্ব্ব ধৰণৰ বস্তুৰে পৰিপূৰ্ণ এখনি মনোৰম চাৰনগীয়া তীৰ্থস্থানস্বৰূপে, ভুৱনপ্ৰসিদ্ধ মহাসতী জয়মতী কুঁৱৰীৰ লীলাভূমিস্বৰূপে শিৱসাগৰৰ এটি অনুপম সৌন্দৰ্য্যৰ বিভূতি আৰু অসীম মহিমাই যেউতিয়ে অকল শিৱসাগৰবাসী নহয়, সমস্ত অসমবাসীৰ অন্তৰ জিলিকাই আছে। আহোম ৰজাৰ দিনত ডাঙৰ



ডাঙৰ বিষয়-বাব খোৱা ভালেমান লোকে বসতি কৰিলে আপোনালোকৰ এই চাৰিঙতে। দুৱৰা, ফুকন, ভূঞা, টুকৰীয়া, চলিহা, কাকতী আদিৰ বংশধৰসকলেই তাৰ প্ৰমাণ। "চাৰিং" নামৰ নৈখনিৰপৰাই বোধকৰো ঠাইডোখৰৰ নামকৰণ হৈছে। চাৰিং শব্দটোৰ মূল অৰ্থ জান, তাৰ উৎপত্তি আৰু জন্মবৃত্তান্তৰ বিষয়ে কবলৈ চাৰিঙৰ প্ৰত্নতত্ত্ববিৎ বন্ধুবৰ শ্ৰীযুত বেণুধৰ শৰ্ম্মা দেৱক ভাৰ দি মই নিষ্কৃতি লভিব খোজোঁ। আপোনালোকৰ এই চাৰিঙৰপৰাই স্বৰ্গীয় পৃথুৰৰ কাকতীৰ নিচিনা খ্যাতিমন্ত লোক, শ্ৰীযুত ৰমাকান্ত বৰকাকতীৰ নিচিনা বিদ্যোৎসাহী পুৰুষ, স্বৰ্গীয়া সুধালতা দুৱৰা আৰু শ্ৰীমতী স্বৰ্ণলতা আইদেওৰ নিচিনা বিদুষী মহিলা, শ্ৰীযুত ৰাধাকান্ত ফুকনৰ নিচিনা ব্যৱসায় ক্ষেত্ৰত লব্ধপ্ৰতিষ্ঠ লোক, শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা, শ্ৰীযুত বেণুধৰ শৰ্ম্মা, শ্ৰীযুত হৰকান্ত দুৱৰা দেৱৰ নিচিনা সাহিত্যসেৱী আৰু স্বদেশহিতৈষী ডেকাৰ উদ্ভৱ হৈছে। কিন্তু বৰ পৰিতাপৰ বিষয় এই যে চাৰিঙে এতিয়াও বহিৰ্জ্জগতৰ লগত অধিক ঘনিষ্ঠতা ৰাখিব পৰা নাই, আমাৰ জাতীয় অনুষ্ঠানবিলাকত এই ঠায়ে বিশেষকৈ ভাগ লোৱাৰ দৃষ্টান্ত বিৰল সৰ্ব্বব্যাপী শ্ৰীযুত বেণু শৰ্ম্মাৰ বাহিৰে শ্ৰীযুত কুশকান্ত বৰকাকতী ডাঙৰীয়াইহে মাজে-সময়ে দেশৰ সভা সমিতিত যোগ দান কৰা আমাৰ মনত পৰে। আলি-পদূলি, নাদ পুখুৰী আদিৰ সুবিধা চাৰিঙত যথেষ্ট পৰিমাণে হোৱা নাই। ঠাইখনিৰ সৌন্দৰ্য্য বঢ়াবলৈ ভালেমান কাম বাকী। শিক্ষা বিস্তাৰৰ বিষয়তো চাৰিঙে বৰকৈ আগুৱাব পৰা নাই বুলি মোৰ বিশ্বাস। জনদিয়েক উদ্যোগী লোকৰ যত্নত নগা আলিটোৰ অলপ উন্নতি হোৱা, স্থায়ী পঞ্চায়ত ঘৰ এটি স্থাপন কৰা আৰু চাৰিঙ নামৰ ডাকঘৰ এটি সুপ্ৰতিষ্ঠিত হোৱা শুনি সন্তোষ পাইছোঁ। আপোনালোক "একোটা" নহৈ "একেটা" হলে, অৰ্থাৎ গাইগুটীয়া স্বাৰ্থৰ বোকাত লেট লৈ নাথাকি গোটেই গাওঁখনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ অৰ্থে ধনী দৰিদ্ৰ জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলো সম্প্ৰদায়ৰ মানুহে সঙ্ঘবদ্ধ হৈ কাম কৰিলে চাৰিঙৰ উন্নতি অতি সোনকালে হব ই ধুৰুপ।

## ছাত্ৰ-সভাৰ আৱশ্যকতা

বৰ্ত্তমান যুগ জাগৰণৰ যুগ। এই কলিযুগত অন্যায়-অবিচাৰ, উৎপীড়ন, নিৰ্য্যাতন, পাপ-কলুষ আৱৰ্জ্জনা-কুসংস্কাৰ আদিৰ বিৰুদ্ধে খড়্গহস্ত হৈ বিপ্লৱৰূপী কলিয়ে সংহাৰ মূৰ্ত্তি ধৰি সভ্যজগতত তোলপাৰ লগাইছে। ছাত্ৰ শক্তি আৰু যুৱক-শক্তিৰ অপচয় হবলৈ নিদি তাক সঙ্ঘবদ্ধ আৰু উদ্বোধিত কৰি স্বদেশ সেৱাৰ আৰু নৰ-নাৰায়ণৰ সেৱাৰ কাৰ্য্যত নিয়োজিত কৰিবৰ কাৰণে জগত জুৰি এটি বিৰাট আন্দোলন চলিছে। ছাত্ৰ আৰু যুৱকসকলেই দেশৰ আৰু জাতিৰ আশা-ভৰসাৰ স্থল। তেওঁলোকৰ উদ্যম, অনুৰাগ, আগ্ৰহ, একাগ্ৰতা, একনিষ্ঠা, অধ্যৱসায়, স্বাৰ্থত্যাগ আৰু সন্মিলিত শক্তিৰ ওপৰতে দেশৰ আৰু জাতিৰ উন্নতি ঘাইকৈ নিৰ্ভৰ কৰে। কিন্তু তৰুণ বয়সৰ বা উদ্দাম যৌৱনৰ এই মহাশক্তি বেয়া বাটলৈ যাবলৈ নিদি সজ বাটেদি নি সৎকাৰ্য্যত লগাব লাগিব। উন্নতিৰ উপায়, কৰ্ত্তব্যৰ পথ নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে মিলাপ্ৰীতি আৰু কাৰ্য্যসাধিকা সংহতিৰ ভাব বিস্তাৰ কৰিবৰ কাৰণে, ভাবৰ আদান-প্ৰদান কৰিবৰ কাৰণে সাহিত্যানুৰাগ, স্বদেশপ্ৰেম, বাক্‌শক্তি আদি ফুটাই তুলিবৰ কাৰণে, যুটীয়া কাৰ্য্যৰ নিয়ম-প্ৰণালী আলচ কৰিবৰ কাৰণে, শৃঙ্খলা আৰু নিয়মৰ তলতীয়া হৈ সু-অভ্যাস গঠন কৰিবৰ কাৰণে, সভা-সমিতিৰ প্ৰধান আৱশ্যক। এনেস্থলত, "চাৰিং ছাত্ৰ-সভাৰ" নিচিনা এটি অনুষ্ঠান অতি সময়োপযোগী হৈছে আৰু সেই সভা প্ৰতিষ্ঠা কৰি আজি ছবছৰ নিয়াৰিকৈ চলোৱা বাবে এই সভাৰ সম্পাদক আৰু সভ্যসকল সঁচাকৈয়ে আমাৰ আন্তৰিক শলাগৰ পাত্ৰ। আশা কৰোঁ সভাখনি দীৰ্ঘজীৱী আৰু সৰ্ব্বাঙ্গসুন্দৰ কৰিবৰ নিমিত্তে ধন আৰু মনৰ বলেৰে যথাশক্তি সহায় কৰিবলৈ স্থানীয় ৰাইজ পিছ হুঁহকিব। আপোনালোকে নাভাবিব যে লৰাক পঢ়িবলৈ পঢ়াশালিত নাম লগাই দিছে, বোৰ্ডিঙত বা কাৰবাৰ বাৰীত থাকিবলৈ সুবিধা কৰি দিছে, আপোনালোকৰ কৰ্ত্তব্যৰ ইমানতে ওৰ পৰিল আৰু ছাত্ৰসকলো ইমানতে সন্তুষ্ট থাকিব লাগে। যদি লৰাক

প্ৰকৃত জ্ঞান দিব খোজে, যদি লৰাক ভবিষ্যতলৈ সমাজৰ আৰু স্বদেশৰ হিতত ব্ৰতী কৰিব খোজে, যদি লৰাক যশস্বাবান আৰু প্ৰকৃত মানুহ কৰিব খোজে, তেন্তে পঢ়াশালিত নাম লগাই দিলেই সেই উদ্দেশ্য সাধিত হোৱা অসম্ভৱ ; অকল বিদ্যালয়ৰ শিক্ষাই ছাত্ৰসকলৰ সকলো বৃত্তিৰ উৎকৰ্ষ সাধন কৰিব নোৱাৰে। ই মাত্ৰ শিক্ষাৰ এটি ক্ষীণ আভাস দি জ্ঞান ৰাজ্যলৈ যাবলৈ এটি বাট আঙুলিয়াই দিব পাৰে। তাৰ ওপৰঞ্চি শিক্ষা লাভ কৰিলেহে জীৱন যুদ্ধত জয়লাভ কৰিব পাৰিব। এই প্ৰসঙ্গতে সিদিনা অলপতে বঙ্গদেশৰ লাট বাহাদুৰ ছাৰ ষ্টেনলি জেকছন মহোদয়ে কলিকতা বিশ্ব-বিদ্যালয়ৰ কনভোকেছনত কোৱা সাৰগৰ্ভ কথা এফাকি তুলি দিবলৈ বাধ্য হলোঁ।—

"শিক্ষা লাভৰ লগে লগে বহুদৰ্শিতা লাভ নকৰিলে শিক্ষা বিপদজনক হৈ উঠে। আৰু শিক্ষা লাভ নকৰি অকল বহুদৰ্শিতা অৰ্জ্জন কৰাৰ পৰাও কোনো লাভ নাই। শিক্ষাৰ অবিহনে বহুদৰ্শিতা কোনো কামত নাহে।"

## শিক্ষাৰ উদ্দেশ্য

বাইজসকল, আজি আৰু সেই দিন নাই যে লৰাই দুটা অসমীয়া বা দুটা ইংৰাজী আখৰ চিনি বাগিচাৰ মহৰী বা কেৰেণী কামত মূৰটো সুমুৱাই লব পাৰিলেই, নাইবা তাতকৈ অলপ ওপৰ মহলালৈ উঠি কাছাৰী ঘৰৰ নাইবা অইন কোনো অফিছৰ আমোলা এটি হৈ দুটা পইচা ঘটিব পৰা হলেই জীৱন সাৰ্থক হল বুলি ভাবিব। আজি জগতৰ মনস্বীসকলে দঢ়াই দঢ়াই কৈছে যে তেনে ধৰণৰ দাসত্ব বৃত্তিৰ (Slave mentality) পৰাই আমাৰ দেশৰ অশেষ অনৰ্থ ঘটিছে। যি শিক্ষাই মাত্ৰ গোলামী বা চাকৰী কৰিবলৈহে উদগনি দিয়ে সেই শিক্ষা "শিক্ষা" নামৰ যোগ্য নহয়। শিক্ষাৰ উদ্দেশ্য ধন উপাৰ্জ্জন কৰা নহয়, জ্ঞান উপাৰ্জ্জন কৰা, প্ৰকৃত জীৱন যাপন কৰিবলৈ সমৰ্থ কৰা। আমি খাবলৈ জীয়াই নাথাকোঁ, জীয়াই থাকিবলৈহে খাওঁ। আহাৰ, নিদ্ৰা, মৈথুন মানুহ আৰু ইতৰ জন্তুৰে একে। পশুবিলাকে অস্তিত্ব ধাৰণ কৰে। প্ৰকৃত মানুহে জীৱন ধাৰণ কৰে। উদৰ পূৰণ কৰি শুই সাৰ পোৱাটো অস্তিত্ব হে জীৱন নহয়। প্ৰাণ ধৰি শতেক প্ৰাণত প্ৰাণ সঞ্চাৰ কৰিব পৰাটোহে প্ৰকৃত জীৱন আৰু প্ৰাণ এৰিও যুগ যুগান্তৰলৈকে কীৰ্ত্তি জীয়াই ৰখাটোহে প্ৰকৃত মৰণ ;—অমৰত্ব লাভ হে মৰণৰ সাৰ্থকতা। এজন দাৰ্শনিকৰ মতে শিক্ষাৰ ঘাই উদ্দেশ্য হৈছে মানুহৰ ভিতৰৰ উচ্চ আৰু সজ প্ৰবৃত্তিবিলাকৰ আটাইতকৈ ভাল উপায়েৰে উৎকৰ্ষ সাধন কৰা, শাৰীৰিক, মানসিক আৰু নৈতিক শক্তিৰ সামঞ্জস্য ৰাখি সেই শক্তিবিলাক প্ৰস্ফুটিত আৰু পৰিবৰ্দ্ধিত কৰা। পূৰ্ব্বকালত স্পাৰ্টানসকলে মাত্ৰ শাৰীৰিক শক্তিৰ পৰিবৰ্দ্ধনকহে শিক্ষা বুলি ধৰিছিল। হেলেনিক আদৰ্শ মতে মানসিক শক্তি পৰিচালনেইহে ওখ ঠাই পাইছিল। আৰু এটি আদৰ্শ অনুসৰি ধৰ্ম্মইহে শীৰ্ষ স্থান অধিকাৰ কৰিছিল আৰু বাকীবিলাক শক্তিক আওহেলা কৰা হৈছিল। কিন্তু সৰ্ব্বশেষত, দাৰ্শনিক আৰু মনস্বী পুৰুষসকলে সিদ্ধান্ত কৰিলে যে সকলো শক্তিৰে সমাবেশ কৰি শিক্ষাৰ সামঞ্জস্য (Cultural harmony) ৰখাইহে প্ৰকৃত শিক্ষাৰ লক্ষ্য হোৱা উচিত। এটি এৰি আনটিক ধৰিলে নহব। অৱশ্যে যাৰ কোনো এটি বৃত্তি প্ৰখৰ, সেই বৃত্তিৰ বিশেষভাৱে উৎকৰ্ষ সাধন কৰিবলৈ তেওঁ সুযোগ পোৱা উচিত।

গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে প্ৰকৃত শিক্ষাৰ উদ্দেশ্য সুখ। অবিদ্যাজনিত সুখ নিকৃষ্ট বিধৰ, বিদ্যাজনিত সুখ উৎকৃষ্ট বিধৰ সুখ, প্ৰকৃত সুখ। মোৰ ভাগৰ মাটি ডোখৰ চাক-চিকুণ কৰি, হাল-কোৰ বাই, কঠিয়া কই, ধান দাই, ডাঙৰী কঢ়িয়াই ভঁৰালত বছৰটো খাবৰ জোখাৰে ধান সুমুৱাই, দুবেলা দুমুঠি পেটত ভৰাই, গৰু-গাই চপাই, খাজনা ফেৰা আদায় কৰি সন্তোষ লভা সুখ, প্ৰকৃত সুখ নহয়। প্ৰকৃত সুখ উপভোগ কৰে মহাত্মা গান্ধীৰ নিচিনা পুৰুষে যি দেশৰ আৰু দহৰ উপকাৰৰ অৰ্থে জীৱন উছৰ্গা কৰি অক্লান্তভাৱে ঘূৰি ফুৰিছে। মহাত্মা গান্ধীয়ে এদিন কৈছিল, "মোৰ



নিজৰ বুলিবলৈ ফুটা কড়ি এটাও নাই। তত্ৰাচ মই পৃথিৱীত সবাতকৈ চহকী। মোৰ প্ৰাণত অনিৰ্ব্বচনীয় আনন্দ, অনুপম শান্তি।" এই শান্তি আৰু আনন্দ লাভ কৰাতেই সাধকৰ সিদ্ধি। ত্যাগতেই সাধকৰ ভোগ। গৌতম বুদ্ধই সাধনা কৰি নিৰ্ব্বাণ পাওঁতে এনে সুখ, এনে শান্তি লভিছিল। আৰু এটা কথা। ছাত্ৰই বোলক বা অইন মানুহেই বোলক, গাইগুটীয়াকৈ থাকিলে নিজৰ মানস বৃত্তিবিলাকৰ পৰিপুষ্টি আৰু অভিব্যক্তি নহয়। নিজৰ ব্যক্তিগত স্বাৰ্থত, গুটীয়া চিন্তা-ভাবনাত নিমগ্ন থাকিলে, মানসিক দুৰ্ভিক্ষৰ (mental starvation) গৰাহত পৰি ককবকাব লগাত পৰে। মানসিক শক্তি দুৰ্ব্বল হয়। মন সঙ্কীৰ্ণ হয়। প্ৰত্যেক মানুহেই এটা ডাঙৰ চকৰীৰ দণ্ডিৰ (spoke) নিচিনা। প্ৰত্যেক মানুহ নিজৰ নিমিত্তেই নহয়, দহজনৰ নিমিত্তে।

"If you are shut up with only your own thoughts you suffer from mental starvation. The mind becomes narrow. The mental powers weaken. Living alone causes one of the milder forms of insanity. Instead of each person being a separate unit, each one is like a spoke in a big wheel."

সোঽহং, তেৱেঁই মই। তেওঁ যন্ত্ৰী, মই যন্ত্ৰ। তেওঁ যি কৰায় তাকে কৰোঁ। যত জীৱ তত শিৱ। মানৱৰ সেৱাই তেওঁৰ সেৱা। ইত্যাদি ভাবেৰে নিজৰ আত্মাক বিস্তাৰ কৰি দিব লাগে।

হিচাব কৰি চালে দেখা যায় বছৰটোৰ ভিতৰত নিচেই তাকৰ সময়হে ছাত্ৰই শিক্ষকৰ লগত বিদ্যালয়ত কটায়। বাকী ডোখৰ সময় নিজৰ পাঠ পঢ়ি আৰু ঘৰুৱা বন-বাৰী কৰিও যিখিনি আজৰি সময় থাকে, সেইখিনি সময়ত মুকলিমূৰীয়াকৈ অনাই-বনাই ফুৰি ওচৰৰ দোকানত আড্ডা নামাৰি, তাচ পাশা খেলত অবাবত কাল নকটাই, পৰনিন্দা, কুৎসা আদি বটি বাক্য ব্যয় নকৰি, এখনি সুপ্ৰতিষ্ঠিত সভাৰ সভ্যস্বৰূপে সজ আলোচনা, সৎসঙ্গ আৰু সৎগ্ৰন্থ পাঠত সময় কটালে, চৰিত্ৰ গঠনৰ ভালেমান লাগতিয়াল আহিলা পাতি সংগ্ৰহ কৰিবলৈ সুচল হয়।

## জ্ঞান উপাৰ্জ্জন

ছাত্ৰসকলৰ চৰিত্ৰ গঠনৰ এটি প্ৰধান সম্বল হৈছে ব্ৰহ্মচৰ্য্য। সাত্বিক ভাবত থাকি ব্ৰহ্মত বিচৰণ কৰা আৰু শক্তিৰ অপচয় হবলৈ নিদি বীৰ্য্য ধাৰণ কৰি সেই বীৰ্য্য, সেই শক্তি, সৎকাৰ্য্যত নিযুক্ত কৰা। খোৱা-শোৱা, পিন্ধা-উৰা, ফুৰা-চকা সকলো বিষয়তে ব্ৰহ্মচৰ্য্য পালন কৰিব পাৰিলে জ্ঞান অৰ্জ্জন আৰু চৰিত্ৰ গঠনৰ পথ সুগম হয়। পূৰ্ব্বকালৰ ঋষিসকলে ছাত্ৰসকলৰ কাৰণে ব্ৰহ্মচৰ্য্য অপৰিহাৰ্য্য বুলি বিবেচনা কৰি সেই ব্ৰতত ছাত্ৰসকলক দীক্ষিত কৰিছিল। আৰব্ধ, প্ৰাৰব্ধ, অনাৰব্ধ অৰ্থাৎ মই কোন, কৰ পৰা আহিছোঁ, কলৈ যাম, মোৰ কৰ্ত্তব্য কি, মই কেলেই সংসাৰলৈ আহিছোঁ, ইত্যাদি তত্ত্ব-কথা জনাও ব্ৰহ্মচাৰীৰ কৰ্ত্তব্য। বহু জন্মৰ তপস্যাৰ ফলত লাভ কৰা মনুষ্য জন্ম কেনেকৈ সাৰ্থক কৰিব পাৰি, নশ্বৰ মানৱী জীৱনৰ সবাতকৈ ডাঙৰ পুৰস্কাৰ অমৰত্ব, অবিনশ্বৰ কীৰ্ত্তি কেনেকৈ আৰ্জ্জন কৰা যায়—সমাজ সেৱা, দেশাত্মবোধ ইত্যাদি ওখ প্ৰবৃত্তিবিলাক কেনেকৈ জাগ্ৰত কৰিব লাগে, এইবিলাক সৃষ্টিৰ অদ্ভুত ৰহস্য উদ্ঘাটন কৰি সৃষ্টি, স্থিতি, প্ৰলয়ৰ অধিকাৰী বিশ্বনিয়ন্তাৰ আচৰিত লীলা-খেলা বুজিবলৈ চেষ্টা কৰি কেনেকৈ শান্তি আৰু সন্তোষ লভিব পাৰি ইত্যাদি আমাক শিকায় কিহে ?—জ্ঞানে।

অনেক সংশয়োচ্ছেদী পৰোক্ষাৰ্থস্য দৰ্শকং
সৰ্ব্বস্য লোচনং জ্ঞানং যস্য নাস্তি অন্ধ এব সঃ।

ভালেমান সংশয় আঁতৰ কৰা, নিগূঢ় অৰ্থ বুজোৱা, সকলোৰে চক্ষুস্বৰূপ জ্ঞান যাৰ নাই, সি বাস্তৱিকতে কণা। জ্ঞান পবিত্ৰ, জ্ঞান অনন্ত, অপৰিসীম। জ্ঞানৰ সেন্দূৰী আলিয়েদিহে স্বৰ্গীয় সুখ-ৰাজ্যলৈ যোৱা যায়। জ্ঞানেই শক্তি। এই শক্তিৰে শক্তিমন্ত হৈ মানৱে অসাধ্য সাধন কৰিছে। বিশিষ্ট জ্ঞান অৰ্থাৎ বিজ্ঞানৰ সহায়েৰে সৃষ্টিৰ নতুন নতুন তত্ত্ব আৰু তথ্য আৱিষ্কাৰ

কৰি-জগতক স্তম্ভিত কৰিছে। প্ৰকৃতিৰ ওপৰত অভাৱনীয় প্ৰভাৱ বিস্তাৰ কৰি লক্ষ লক্ষ যোজনৰ বাট চমুৱাই চকুৰ পচাৰতে পাব পৰা, দূৰ-দূৰণিৰ বাণী নিমিষতে কৰ্ণগোচৰ হোৱা কৰিছে। জ্ঞান লাভ কৰাৰ উপায় সদসঙ্গ, সদালাপ, সৎগ্ৰন্থ পাঠ, ভ্ৰমণ ইত্যাদি। দাল-পাত জোৰা দিয়া মিছা কথা, নীচ ধৰণৰ অশ্লীল বা কুৰুচিব্যঞ্জক কথা-বাৰ্ত্তা ইত্যাদিত সময়ৰ অপব্যয় নকৰি, সৎ বিষয়ৰ আলোচনা হোৱা সভা-সমিতিত যোগদান দিলে নথৈ উপকাৰ হয়। শ্ৰীকৃষ্ণ, শ্ৰীৰামচন্দ্ৰ, ভীষ্ম, অৰ্জ্জুন, যুধিষ্ঠিৰ, কৰ্ণ, প্ৰহ্লাদ, বৃষকেতু, ধ্ৰুৱ, যীশুখ্ৰীষ্ট, মহম্মদ, বুদ্ধ, চৈতন্য, শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, ৰামকৃষ্ণ, বিৱেকানন্দ আদি ধৰ্ম্মবীৰ, সীতা, সাবিত্ৰী, দময়ন্তী, বেহুলা, ৰাধা, ৰুক্মিণী, উষা, খনা, লীলাৱতী, জয়মতী, ৰেবেকা আদি সতী (বিশেষকৈ ছাত্ৰীসকলৰ বাবে) আৰু শিৱাজী, আকবৰ, ৰাণা প্ৰতাপ, নেপলিয়ন, গেৰিবল্ডি, মেকছুইনী, বুকাৰ, ওৱাছিংটন, লেনিন, মুছলিনী, এব্ৰাহাম লিঙ্কলন, জেনেৰেল বুথ, কামাল পাছা, মহাত্মা গান্ধী, লাজপৎ ৰায়, দেশবন্ধু দাস প্ৰভৃতি কৰ্ম্মবীৰসকলৰ আৰু অসমৰ জাতীয় জীৱন গঢ়োতা সাহিত্যিক আৰু নেতাসকলৰ জীৱনী, আৰু তাৰ লগে লগে ৰামায়ণ, মহাভাৰত, গীতা, কোৰাণ, বাইবেল, কীৰ্ত্তন, নামঘোষা আৰু নীতি উপদেশপূৰ্ণ অন্যান্য গ্ৰন্থ পাঠ কৰি তাৰ সাৰমৰ্ম্ম গ্ৰহণ কৰিব পাৰিলে, মৌ বৰে সেইবিলাকৰ ৰস চুহিব পাৰিলে, তাৰ সাঁচ দকৈ অন্তৰত বহি চৰিত্ৰ গঠনত নথৈ সহায়তা কৰিব। ইয়াৰ উপৰিও পাৰদৰ্শী আৰু বিজ্ঞলোকৰ অভিজ্ঞতাৰপৰা ওপজা কথা আৰু উপদেশ শুনিলেও বিস্তৰ জ্ঞান উপাৰ্জ্জন হয়। আমি কিতাপৰ দুখিলামান পাত পঢ়ি বা দুটামান কথা জানিয়েই বৰ জ্ঞানী হলো বুলি গেলা গপত ওফন্দি পৰো। কিন্তু এই অখিল ব্ৰহ্মাণ্ডৰ অনন্ত জ্ঞান-ভঁৰালৰ এটি খুদকণা পাবলৈকে জ্ঞানী আৰু সাধুসকলে কিমান সাধনা, কিমান তপস্যা কৰে ভাবিলে আচৰিত হব লাগে। মহামতি ছক্ৰেটীছে গোটেই জীৱনব্যাপী গৱেষণা আৰু সৃষ্টি-তত্ত্ব সন্ধান কৰি দেশ-দেশান্তৰত নিজৰ সুখ্যাতি বিস্তাৰ কৰিছিল, কিন্তু তেওঁৰ এজন ভক্তই তেওঁ কেনেকৈ ইমান জ্ঞানী হল বুলি সোধাত তেওঁ কলে যে বিশাল জ্ঞান-সমুদ্ৰৰ এক বিন্দুৰো তেওঁ অধিকাৰী হব পৰা নাই। ভাবি চাওকচোন! কি বিনয়! কি জ্ঞানস্পৃহা! জ্ঞান-পিপাসুৱে বিষয়-সুখ, পাৰ্থিব সম্ভোগলৈ হাবিলাষ নকৰে। জ্ঞানেই তেওঁলোকৰ ঐশ্বৰ্য্য-বিভূতি, ধন-সম্পদ, গৌৰব-মৰ্য্যাদা সকলো। জ্ঞানৰ হেঁপাহ তেওঁলোকৰ জীৱনত সততকাই পূৰ নহয়। অসম-গৌৰৱ ছিভিলিয়ান পণ্ডিত আনন্দৰাম বৰুৱাদেৱে অবিবাহিত অৱস্থাতে ইহলীলা সামৰিলে। এদিন এজন বন্ধুৱে বিয়াৰ প্ৰস্তাৱ তেওঁৰ আগত উথাপন কৰোঁতে তেওঁ তেওঁৰ বিৰাট পুথি-ভঁৰালৈ আঙুলিয়াই গহীনাই উত্তৰ দিলে "এই পুথি-ভঁৰালকে মই বিয়া কৰাইছোঁ তাক নো কি বিয়া কৰাম।" চাওকচোন কি একাগ্ৰতা! কি অকৃত্ৰিম জ্ঞানৰ পিয়াহ!

ছাত্ৰ-বন্ধুসকল, এই জ্ঞান-বস্তুৰ অধিকাৰী হবলৈ এহাতুধীয়াকৈ চেষ্টা কৰিলে জীৱন ধন্য হব। অকল পৰীক্ষাত উত্তীৰ্ণ হবৰ কাৰণে নাইবা শিক্ষকৰ বেত্ৰাঘাত বা গঞ্জনাৰপৰা অব্যাহতি পাবলৈ স্কুলীয়া পাঠ্য পুথিকেইখনৰ পাত গোটাদিয়েক আওঁৱালেই প্ৰকৃত জ্ঞান বস্তু লাভ নহয়। নিয়মিতৰূপে একাগ্ৰভাৱে পুৱা দুঘণ্টা গধূলি দুঘণ্টাকৈ পাঠ্যপুথি পঢ়িলেই সাধাৰণ বুদ্ধিৰ লৰাই সহজে আৰু সুখ্যাতিৰে পৰীক্ষাত উঠিব পাৰে বুলি মোৰ বিশ্বাস। সকলো কাৰ্য্যতে একাগ্ৰতাৰ (Concentration) প্ৰয়োজন। চকু দুটা কিতাপৰ পাতত ৰাখি মনটো লোকৰ বাৰীত মোক-খা মোক খা কৰি থকা পকা সুমথিৰা টেঙাৰ গছত ওলোমাই ৰাখিলে কিতাপৰ কথা স্মৃতি-পথৰ পৰা কৰবালৈ উৰি যাব। "পঢ়ে পঢ়াই বোৰে পাণ, এই তিনিও নিচিন্তে আন"। এই কথাষাৰে ইয়াকে বুজায় যে পাঠ কৰিবৰ বা পঢ়ুৱাবৰ সময়ত পঢ়াৰ বাহিৰে অইন কথা ভাবিব নালাগে। একনিষ্ঠভাৱে মন পুতি পাঠকেহে পঢ়িব বা পঢ়াব লাগে। সেইদৰে পাণ কৰৰ সময়তো অইন কথালৈ মন নিদি পাণৰ ওপৰতহে মনটো নিবিষ্ট কৰা উচিত। ইয়াকে বোলে



একাগ্ৰতা। পূৰ্ব্বেই উনুকিয়াই আহিছোঁ যে পাঠ পঢ়ি আৰু দকৰা বন কৰিও ভালেমান আজৰি সময় বাকী থাকে। সেইখিনি সময়ত নীতি-উপদেশপূৰ্ণ, ধৰ্ম্মভাৱ স্বদেশপ্ৰেম আদি উদ্ৰেক কৰা পুথি পঢ়ি, সভা-সমিতিত যোগ দি নতুন নতুন ভাৱৰ সঞ্জুলি গোটাই মনোৰাজ্যৰ সীমা বহল কৰি সেই ভাৱবিলাক মনৰ ভিতৰত আয়ত্ত কৰিব পাৰিলে জ্ঞানৰ ভঁৰাল চহকী হয়। সময়ৰ নাটনি বুলি আপত্তি কৰা মানুহ আটাইতকৈ অকামিলা মানুহ। সময়ৰূপী ঘোৰাক ভালকৈ জিন কচি, লেকাম লগাই, চেকুৰাই চম্ভালি ৰাখিলে তাৰ সদ্ব্যৱহাৰ হয় আৰু তাৰ পৰা দিনটোত ভালেমান কাম আদায় কৰিব পাৰি।

## শৰীৰ আৰু মন

ইয়াকে কৰিবলৈ হলে শৰীৰ আৰু মন সুস্থ অৱস্থাত থাকিব লাগিব। সুস্থ দেহত হে সুস্থ মন বসতি কৰে। পুষ্টিকৰ অথচ নিৰ্ম্মল খাদ্য খাই, নিৰ্ম্মল বায়ু সেৱন কৰি পৰিস্কাৰ-পৰিচ্ছন্ন ভাৱে থাকি, শাৰীৰিক ব্যায়াম কৰিলে শৰীৰ সুস্থ আৰু সবল হয়। বল-বীৰ্য্যৰ অভাৱত আমি বহুত সময়ত আত্মৰক্ষা কৰিবলৈ অপাৰগ হওঁ। চোৰ, ডকাইত নাইবা হিংস্ৰ জন্তুৰ গৰাহত পৰিলে সিঁহতৰ আক্ৰমণ ওফৰাব পৰা শক্তি যিমান দূৰ সম্ভৱ আৰ্জ্জন কৰা বাঞ্ছনীয়। তাৰ উপৰিও, কোনো আতুৰ নিৰাশ্ৰয় মুনিহ বা মহিলা দুৰ্দ্ধৰ্ষ বিপদৰ মুখত পৰিলে, তেওঁকো উদ্ধাৰ কৰিবলৈ শাৰীৰিক শক্তিৰ বিশেষ প্ৰয়োজন। তেজপুৰৰ ডেকা স্বৰ্গীয় প্ৰিয়নাথ গোস্বামীয়ে বনৰীয়া মহৰ আক্ৰমণৰ পৰা এগৰাকী অসমীয়া মহিলাক কেনেকৈ ৰক্ষা কৰি অসীম সাহস আৰু শক্তিৰ চানেকি থৈ গৈছে বাতৰি-কাকত পঢ়োঁতা মাত্ৰৰে স্মৰণ থাকিব পায় কিন্তু শাৰীৰিক শক্তি সঞ্চয় গুণ্ডামি কৰিবলৈ, যথে-মধে, বাটে-পথে মানুহক কিলাই ভুকিবলৈ নহয়—ঘাইকৈ, আতুৰৰ ৰক্ষা, সমাজৰ সেৱা, অন্যায় অত্যাচাৰৰ বিৰুদ্ধে সংগ্ৰামত নিয়োজিত কৰিবলৈহে। মানৱৰ শক্তি থকাটো ভাল, কিন্তু দানৱৰ দৰে তাক ব্যৱহাৰ কৰাটো অতপালি। নাইডুৰ প্ৰণালীয়েই বোলক, ছেণ্ডোৰ প্ৰণালীয়েই বোলক, আমাৰ পুৰণি-কলীয়া হয়গুডু, টাংগুটি ইত্যাদিয়েই বোলক, এবিধ ব্যায়াম নিয়মিতৰূপে কৰিলে হে শৰীৰ মজবুত আৰু কামিলা হয়। বৰ্ত্তমান সময়ত লাঠি আৰু তৰোৱাল খেলৰ প্ৰচলনৰ বাবে বিৰাট আন্দোলন চলিছে। সিদিনা শিৱসাগৰ প্ৰদৰ্শনীত হাতীকোমৰ মুছলমানসকলে তেনে ধৰণৰ খেল অতি সুন্দৰকৈ দেখুৱাই সকলোৰে চিত্তাকৰ্ষণ কৰিছিল। তেনে খেলৰ ব্যৱস্থাৰো দৰকাৰ পৰিছে। এইখিনিতে কৈ থওঁ, যে শাৰীৰিক শক্তিৰ পৰিচালনা কৰিবলৈ হলে পৰিশ্ৰমৰ মৰ্য্যাদা (dignity of labour) বঢ়িয়াকৈ উপলব্ধি কৰিব লাগিব। আমি হাল বোৱা, কুঠাৰ মৰা, কোৰ মৰা, বাঁহৰ কাম, কাঠৰ কাম আদি কৰা ভদ্ৰলোকৰ ঘৰৰ লৰাৰ কাম নহয় বুলি উপলুঙা কৰি দলিয়াই পেলাই মহা অন্যায় কৰিছোঁ। আজি কালি চাকৰি-সমস্যা ইমান কঠোৰ হৈ উঠিছে, যে এইবিলাক কাম নাজানিলে আমাৰ কালে মৰণ হব। সকলো কামৰে অলপ অলপ জানি থোৱা ভাল। গাৰ ঘাম উলিয়াই কাম কৰিলে আমাৰ মধুৰ নিদ্ৰা আহিব, শৰীৰ সুস্থ থাকিব। কুচিন্তা, কুভাবনা মনৰ পৰা আঁতৰ হব।

"Work and pure slumbers shall wait
on thy pillow
Work thou shalt ride over cares' billow.
Work for some good be it however slowly
Work! for all labour is noble and holy."
—Nathaniel Hall

নাও-খেল, সাঁতোৰা, জপিয়া, দৌৰা আদিৰ পৰাও অঙ্গ-প্ৰত্যঙ্গৰ পৰিচালনা হৈ সবলতা উৎপাদন হয়।

মন সুস্থ আৰু পবিত্ৰ ৰাখিবৰ কাৰণে ধৰ্ম্ম-ভীৰুতা, ভক্তিপ্ৰৱণতা, গুণগ্ৰাহিতা ইত্যাদি গুণৰ আৱশ্যক। সৰুৰে পৰা কোমলমতি লৰা-ছোৱালীৰ অন্তৰত ধৰ্ম্মলৈ আসক্তি আৰু ঈশ্বৰলৈ ভক্তিভাৱ সুমুৱাব পাৰিলে নথৈ উপকাৰ হয়। বাল্যকালত লৰা-ছোৱালীৰ মন নিৰ্ম্মল, স্বৰ্গীয় ভাৱেৰে পৰিপূৰ্ণ থাকে; সংসাৰৰ আৱৰ্জ্জনাই

কলুষিত নৌ কৰে এখোন। এই বয়সতে কোমল মনত সৎভাবৰ সাঁচ বহুৱাবলৈ সহজ। কোমল মাটিত গছৰ পুলি ৰুলেহে সি ঠন ধৰিব। এটি অদৃষ্ট শক্তিয়ে আমাক চলাই লৈ ফুৰিছে—সুখ-দুখ, ঘাত প্ৰতিঘাতৰ মাজেদি সৰকাই, বিপদ, বিঘিনিত পেলাই পৰীক্ষা কৰি, আমাৰ আত্মাক অগ্নিময় স্পৰ্শমণিৰে ছুই পূত আৰু বিশুদ্ধ কৰি, আঁউসীৰ ঘোঁপমৰা আন্ধাৰেদি পূৰ্ণিমাৰ ফৰিংফুটা জোনাকলৈ বাট বুলাই নি যি নিজৰ অসীম মহিমা আৰু আচৰিত লীলা প্ৰকাশ কৰিছে সেই একমেবাদ্বিতীয়ং চৰাচৰ বিশ্বৰ অধিকাৰী, কৰুণাময় বিশ্বপিতাৰ প্ৰতি অকৃত্ৰিম ভক্তিভাবৰ বীজ লৰা-ছোৱালীৰ মনত ৰোপণ কৰিলেহে তাৰ শিপা দকৈ মেলিব আৰু ভবিষ্যৎ জীৱনত হৃদয় ভক্তি-সৌৰভেৰে আমোলমোলাই উঠিব।

মোৰ বোধেৰে বেলি পৰাৰ পিছত যেতিয়া গোটেই বিশ্বই শান্তভাৱ ধাৰণ কৰে, সেই শুভক্ষণত লৰা-ছোৱালীৰ হতুৱাই ভক্তি মূলক বিভু-বন্দনা গোৱাব লাগে। অসমীয়া হিন্দু লৰা-ছোৱালীয়ে অন্ততঃ সপ্তাহত এদিন আৰু তিথি-পৰ্ব্ব আদিৰ উপলক্ষে নাম-কীৰ্ত্তন নিয়মিতৰূপে কৰাৰ অভ্যাস কৰিলে বেয়া নহব। পিতৃ-মাতৃ, অভিভাবকসকলে ধেমালিৰ ছলেৰে ৰামায়ণ, মহাভাৰত, কোৰাণ, বাইবেলৰ গল্পবিলাক কৈ শুনাব লাগে আৰু লৰা-ছোৱালী অলপ ডাঙৰ হলেই ধৰ্ম্মবীৰ আৰু কৰ্ম্মবীৰ-সকলৰ জীৱন-কাহিনী বিবৰণ কৰি তেওঁলোকৰ মন ধৰ্ম্ম আৰু স্বদেশৰ ফালে ঢাল খুৱাব লাগে।

ধৰ্ম্মই দুখ-কষ্ট সহ্য কৰিব পৰা নাৰীসুলভ শক্তিকে হে যে দিব পাৰে এনে নহয়, কাম কৰিব পৰা পুৰুষ-সুলভ শক্তিও দিব পাৰে। নিষ্ক্ৰিয় বিধৰ ধৰ্ম্মতকৈ কৰ্ম্মময় ধৰ্ম্মক অতি ওখ আসন দিয়া যায়। গ্ৰীক পণ্ডিত এৰিষ্টটলৰ মতে Goodness consists in well-being and well-doing. ভাল হোৱা আৰু ভাল কৰাকেহে সাধুতা বোলে। বুদ্ধিৰ উৎকৰ্ষ শিক্ষাৰ দ্বাৰা, চৰিত্ৰৰ উৎকৰ্ষ অভ্যাসৰ দ্বাৰা হয়। কাকো অপকাৰ নকৰাত সন্তুষ্ট থকাতকৈ কাৰবাৰ উপকাৰ কৰিব পৰাটোহে প্ৰকৃত ধাৰ্ম্মিকৰ কাম। মই নামঘৰত ভোৰ তাল কোবাই টেটু ফালি নাম-কীৰ্ত্তন কৰিছোঁ, নাইবা গোঁসাই ঘৰত ডুঘণ্টা সোমাই টিলিঙা ঘণ্টা কোবাই আকাশ-পবন মুখৰিত কৰিছোঁ, কিন্তু ওলাই আহিয়েই চোতালত নিৰাশ্ৰয় মগনিয়াৰ এটি দেখি ছেই ছেই কৰি খেদাই দিছোঁ; কোনো দেশহিতকৰ কাৰ্য্যৰ কাৰণে দুই চাৰি অনা বৰঙনি বিচাৰি অহা মোৰ অনুগ্ৰহপ্ৰাৰ্থী মানুহটিক লাঞ্ছনা-গঞ্জনা কৰি দূৰতে বিদূৰ কৰিছোঁ; তেতিয়া মোৰ ধৰ্ম্মপ্ৰাণতা থাকিল কত? মোৰ নাম-কীৰ্ত্তনৰ সাৰ্থকতা হল কিহত? ধৰ্ম্মভাব সেৱা কাৰ্য্যত ফুটি ওলালে হে তাৰ সফলতা হয়। সেৱা-ধৰ্ম্মই পৰম ধৰ্ম্ম। সেৱাতেই মানৱৰ সৰ্ব্বোচ্চ গৌৰৱ। "Service is the crowning glory of man." নৰ-ৰূপী নাৰায়ণৰ সেৱা কৰিলে হে ভগৱানৰ প্ৰীতি আৰু আত্মাৰ তুষ্টি হয়। প্ৰকৃত সেৱক হলে হে, প্ৰকৃত ভক্ত, প্ৰকৃত নেতা, প্ৰকৃত মানুহ বুলি পৰিগণিত হয়। এই প্ৰসঙ্গতে কওঁ যে প্ৰকৃত সেৱক বা সাধকৰ মন স্বৰ্গীয় অশান্তিৰে (divine discontent) উগুল থুগুল কৰি থাকে। মই জীৱনত কাৰো একো উপকাৰ কৰিব পৰা নাই, নিজৰ একেৰিও উন্নতি কৰিব পৰা নাই, ইত্যাদি অশান্তিৰ ভাব মঙ্গলদায়ক। নিতৌ শুবৰ সময়ত নীৰৱে ভাবি চাব লাগিব, আজি দিনটোৰ ভিতৰত নতুন জ্ঞান কিবা আৰ্জ্জিলোঁ নে, নতুন ভাব কিবা গোটালোঁ নে, কোনো ওচৰ-চুবুৰীয়াৰ বা সংসাৰৰ এটি প্ৰাণীৰো কিবা উপকাৰ সাধিলোঁ নে, দেশৰ কিবা এটিও কাৰ্য্যত মোৰ ক্ষুদ্ৰ শক্তি আগ বঢ়াব পাৰিলোঁ নে? প্ৰকৃত নৰনাৰায়ণৰ সেৱা, সমাজ-সেৱা, স্বদেশ-সেৱাৰ কাৰ্য্য কৰিবৰ কাৰণে প্ৰাণৰ ভিতৰত উদ্দীপনা, অন্তৰৰ অন্তঃস্থলৰপৰা অনুপ্ৰেৰণাৰ আৱশ্যক। স্বাৰ্থ বিসৰ্জ্জন আৰু সাধনাৰ আৱশ্যক। নিজৰ নাম বাতৰি-কাকতত জাহিৰ কৰিবলৈ বা নিজকে স্বদেশ হিতৈষী বা বিশ্বপ্ৰেমিক বুলি জগতত চিনাকি দিবৰ কাৰণে, যি কাৰ্য্য কৰা যায় তাক কৃত্ৰিমালি বা স্বাৰ্থপৰতাৰ চেকাই কলঙ্কিত কৰি তাৰ মূল্য একেবাৰেই কমাই পেলায়।



মন ওখ কৰিবৰ কাৰণে আৰু এটি অধিকাৰ কৰিবলগীয়া গুণ হৈছে গুণগ্ৰাহিতা। মৌ-মাখিয়ে ফুলৰ মৌ উলিয়াই তাৰ ৰস পান কৰে, কিন্তু গুবৰুৱাই লেতেৰা বস্তু আবৰ্জ্জনা বিচাৰি ফুৰে, আৰু শগুণ মৰা শৱ সন্ধানত হাঁয়ৰাণ। আমি মৌ-মাখিৰ গুণ অনুশীলন কৰিব লাগিব। লোকৰ দোষ খুচৰি থকাতকৈ গুণ বিচাৰি উলিওৱাটোহে সৎলোকৰ লক্ষণ। গুবৰুৱা নহৈ ভোমোৰাহে হব লাগিব। মহাপুৰুষ মাধৱদেৱে "নামঘোষা"ত কি কৈছে শুনক—

অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লবে কৰিয়া বিচাৰ;
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰিয়া বিস্তাৰ।

## ছাত্ৰৰ কৰ্ম্মক্ষেত্ৰ

চাৰিভীয়া ছাত্ৰসকলৰ পোনপ্ৰথম কৰ্ম্মক্ষেত্ৰ চাৰিওফালেই। "জুই-শালত গঢ়িলেহে কমাৰ-শালত গঢ়িব পাৰি" বুঢ়ালোকৰ এই কথা সকলো ক্ষেত্ৰতে ব্যৱহাৰ্য্য। চাৰিং ছাত্ৰসভাৰ সভ্যসকলে যদি জয়জয়তে তেওঁলোকৰ সঙ্কীৰ্ণ গণ্ডীৰ ভিতৰতে মধুৰ আৰু গধুৰ ভাবৰ আদান-প্ৰদান কৰিব পাৰে বৰ্ত্তমান জগতৰ ভাব-গতিলৈ লক্ষ্য ৰাখি নতুন নতুন ভাবৰ সজুলি গোটাই জ্ঞানৰ ভঁৰাল চহকী কৰিব পাৰে, আৰু চাৰিওফালৰ চাৰি সীমাৰ ভিতৰত জনহিতকৰ সকলো কাৰ্য্যত তেওঁলোকৰ আজৰি সময় কটাই শক্তি-সামৰ্থ্য ঢালি দিব পাৰে, ছাত্ৰাৱস্থাৰে পৰা মনত ধৰ্ম্মপ্ৰৱণতা আৰু স্বদেশপ্ৰেমৰ ভাব জাগ্ৰত কৰিব পাৰে, এই সেৱা-ভাব আৰু সৎকৰ্ম্মপ্ৰবৃত্তিয়েই ভবিষ্যতত অসম-মাতৃৰ আৰু অসমীয়া সাহিত্যৰ সেৱা-ব্ৰতত ব্ৰতী হবলৈ তেওঁলোকক উদগণি নিদিয়াকৈ নাথাকে। ছাত্ৰাৱস্থাত তেওঁলোকে সকলো কাম জপ-টিয়াই ধৰিব নোৱাৰে। গাওঁখনৰ উন্নতিৰ কাৰণে তেওঁলোকে কিছু কাম হাতত লব পাৰে। গাওঁবিলাক লৈহে দেশখন। গাৱঁলীয়া খেতিয়কসকলেই দেশৰ মেৰুদণ্ডস্বৰূপ। সভাই-সমিতিয়ে আজিকালি আৰাও উঠিছে "Back to Village" গাৱঁলৈ উলটি আহাঁ। চাৰিং অসম দেশৰ এটি অঙ্গ। সকলো অঙ্গ-প্ৰত্যঙ্গ পুষ্ট আৰু সবল হলেহে সমস্ত শৰীৰ সুস্থ হয়। একো-খন গাৱঁৰ বা চুবুৰীৰ উন্নতিৰ লগত গোটেই দেশৰ উন্নতিৰ ঘনিষ্ঠ সম্বন্ধ। চাৰিওফালৰ ছাত্ৰ আৰু ডেকাসকলে তলত লিখা কামবিলাক হাতত লব পাৰে—

### (ক) মাদকতা নিবাৰণ

চুৰট দৈত্যই ঘোৰ বিভীষিকাৰূপে আমাৰ সমাজত দেখা দিছেহি। লৰাৰ কথাকে নকওঁ, সৰু সৰু ছোৱালীয়েও চুৰটৰ সোৱাদ পাবলৈ ব্যাকুল। সিহঁতে দেহি বুজা নাই যে ই অমৃত নহয় বৰ বিহ। নিকটিন নামে চুৰটত থকা বিষাক্ত পদাৰ্থ ই মস্তিষ্কৰ বিকাৰ ঘটাই, লাখে লাখে দেশৰ টকা চুৰটৰ ধোঁৱাৰ লগত সাত সমুদ্ৰ তেৰ নদী পাৰ হৈ বিদেশলৈ উৰি যাব লাগিছে। Red Lamp বা লাল বাটিৰ ধোঁৱাই যে অসম-আকাশ ছাটি পেলালে। সেই লাল বাটিলৈ "লাল নিছান" দেখুৱা-বৰ সময় কাহানিবাই হল। আসাম ব্যৱস্থাপক সভাত Juvenile Smoking Act পাছ হোৱা ভালেমান দিন হল, কিন্তু আজি পৰিমিত সি বিশেষ কাৰ্য্যকৰী হৈ উঠা দেখা নাই; আৰু তাৰ মৰ্ম্ম ৰায়তক বুজাবলৈকো বিশেষ ব্যৱস্থা হোৱা নাই। আশা কৰোঁ আজিৰ সন্মিলনীত উপস্থিত ছাত্ৰসভাৰ সভ্যসকলে চুৰট নাখাওঁ বুলি দৃঢ় সংকল্প কৰি এটি প্ৰস্তাৱ গ্ৰহণ কৰিব আৰু অইন কোনো লৰা-ছোৱালীয়ে চুৰট খোৱা আৰু দোকানৰ পৰা কিনা ধৰা পেলাই তেনে লৰা-ছোৱালীৰ লগত সংশ্ৰৱ এৰিবলৈ আৰু শিক্ষক বা অভিভাৱকৰ হতুৱাই সমুচিত দণ্ড বিহা-বলৈ চেষ্টা কৰিব। সিদিনা অলপতে গুৱাহাটীৰ ফালৰ এখন গাৱঁৰ এটি লৰাই চুৰট খোৱা দেখি তাৰ সমনীয়া লৰাবিলাকে তাৰ মুখত গোবৰ সুমুৱাই তাক লাজ আৰু অপমান দিলে। তেনে কঠোৰ ব্যৱস্থা নকৰিলেও অসহ-যোগ বা সংশ্ৰৱ বৰ্জ্জন পন্থা অৱলম্বন কৰিও বহুত কৰিব পৰা যায়। কানি, ভাং, মদ যদিও ছাত্ৰসকলে নিজে নাখায়, সেইবিলাকৰ পৰা দেশৰ ৰায়তৰ আৰ্থিক, শাৰী-ৰিক আৰু নৈতিক অৱনতি হৈছে বুলি তেওঁলোকে বুজি সেই বস্তুবিলাক সেৱন কৰা ভক্তসকলক কাকুতি-

মিনতি কৰি একৰাৱলে যত্ন কৰিব আৰু যাতে নতুনকৈ তেওঁলোকৰ শিষ্যই দীক্ষা নলয় তালৈ চকু ৰাখিব। পৰম পূজনীয় শ্ৰীল শ্ৰীযুত গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে এই গুৰুতৰ বিষয়ত বিশেষ মনযোগ দিয়া বাবে আমাৰ আশাৰ সঞ্চাৰ হৈছে আৰু আজিৰ এই সভাপতিৰ আসনৰ পৰা প্ৰভু ঈশ্বৰলৈ এখনি শলাগৰ শৰাই আগ বঢ়ালোঁ।

## (খ) জ্ঞান বিস্তাৰ

আজিলৈকে জগতৰ ভিন ভিন যুগৰ ভিন ভিন দেশৰ ভাবুক আৰু মনস্বীসকলে যিবিলাক ওখ ওখ ভাবৰ সামগ্ৰী জগৎবাসীক উপহাৰ দি গৈছে সেই সামগ্ৰীৰে ভৰপূৰ বছা বছা গ্ৰন্থ আনি তাৰে এটি ৰাজহুৱা পুথি-ভঁৰাল স্থাপন কৰিব পাৰিলে আৰু গাৱঁলীয়া ৰাইজেও পঢ়িবৰ সুবিধা কৰিলে জ্ঞান চৰ্চ্চাৰ বাট মুকলি হয়। বৰ্ত্তমান জগতৰ সোঁত কোন কালে বৈছে, কি কি নতুন আৱিষ্কাৰ হৈছে, কি কি সংস্কাৰ, আন্দোলন আদি ঘটিব লাগিছে ইত্যাদি খা-খবৰ ৰাখি বহিৰ্জগতৰ লগত সম্পৰ্ক ৰাখিবৰ কাৰণে অসমীয়া, টাইম্‌ছ, বাঁহী, মিলন, ঘৰজেউতি, অৰুণ প্ৰভৃতি বাতৰি-কাকত আৰু আলোচনীবিলাক পঢ়িবলৈ সুবিধা দিবৰ নিমিত্তে এটি পঢ়া-কোঠা (Reading Room) চাৰিওৰ পঞ্চায়ত ঘৰত বা অইন কোনো উপযুক্ত ঠাইত খুলিলে সুবিধা হব। তালৈ নিৰক্ষৰ মানুহ আহিলেও ছাত্ৰসকলে তেওঁলোকক খবৰ-বাতৰিৰ সাৰাংশ বুজাব পাৰে। অৱশ্যে এই পুথিভঁৰাল আৰু পঢ়া কোঠালীৰ প্ৰস্তাৱ গাৱঁত নালাগে নগৰতে কাৰ্য্যত পৰিণত কৰা টান। কিন্তু টান বুলি এৰি নিদি চেষ্টা কৰি চোৱাটো উচিত।

ছাত্ৰসকলে নিজে কবিতা বা প্ৰবন্ধ লিখি সাহিত্যিক হব নোৱাৰিলেও সাহিত্যৰ প্ৰচাৰৰ অৰ্থে অসমীয়া বাতৰি-কাকত, নৈকে প্ৰকাশিত পুথি আদিৰ গ্ৰাহক গোটাই মাতৃ-ভাষাৰ উন্নতি কাৰ্য্যত সহায় কৰিব অনায়াসে পাৰে। নৈতিক আৰু আধ্যাত্মিক উন্নতিত আৰু ব্যক্তিগত আৰু জাতীয় জীৱনত সঙ্গীতৰ মহৎপ্ৰভাৱ মনস্বীসকলে মুক্ত-কণ্ঠে স্বীকাৰ কৰিছে। বিমল আনন্দ উপভোগৰ কাৰণেও সঙ্গীত-চৰ্চ্চা লাগতিয়াল। সকলো পৰা ল'ৰা-ছোৱালীৰ মনত সঙ্গীতলৈ ৰাপ বঢ়োৱা উচিত আৰু ওপৰত উল্লিখিত কিবাৰ দৰে সপ্তাহত অন্ততঃ এবাৰ নাম-কীৰ্ত্তনাদিৰ ব্যৱস্থা কৰা উচিত। জ্ঞান প্ৰচাৰ আৰু সঙ্গীত, নাট্যকলাৰ অনুশীলনৰ কাৰণে এটি নাট ঘৰৰো বিশেষ প্ৰয়োজন। আশা কৰোঁ স্থানীয় সদাশয় ৰাইজৰ সহযোগত ছাত্ৰসকলে সেই অভাৱ পূৰ কৰিবলৈকো যত্ন কৰিব।

## (গ) শিক্ষা প্ৰচাৰ

গাৱঁলীয়া পঢ়াশালিবিলাকত যাতে সৰহ সংখ্যা ল'ৰা-ছোৱালীয়ে শিক্ষা পায় তাৰ বাবে বিশেষ প্ৰচেষ্টাৰ আৱশ্যক। বৰ্ত্তমান শিক্ষা-প্ৰণালী ভাল নে বেয়া, তাত কি কি আসোঁৱাহ আছে সেইটো ইয়াত আলচ কৰা নিষ্প্ৰয়োজন। মানসিক, নৈতিক আৰু শাৰীৰিক শক্তিৰ বিকাশত সহায়তা কৰা শিক্ষাৰ ব্যৱস্থা থকা অৱশ্যে বাঞ্ছনীয়, আৰু সাহিত্য, জ্যামিতি, গণিত আদি পঢ়াৰ লগে লগে খেতিৰ প্ৰণালী, বাঁহৰ কাম, কাঠৰ কাম, ইত্যাদি শিক্ষাৰ আয়োজন থকাও ভাল। তদুপৰি সকতে ল'ৰা-ছোৱালীৰ কোন বিষয়ত ৰাপ তাক লক্ষ্য কৰি সেই বিষয়ত বিশেষ শিক্ষা দিবলৈ দিহা কৰা উচিত বুলি বিজ্ঞ লোকৰ অভিমত। কিন্তু এইবিলাক নহয় মানে বৰ্ত্তমান প্ৰচলিত প্ৰণালীৰেই পঢ়াশালিবিলাকত শিক্ষা পোৱা ল'ৰা-ছোৱালীৰ সংখ্যা যাতে বাঢ়ে তালৈ চকু দিব লাগিব। ল'ৰাৰ লগে লগে ছোৱালীকো শিক্ষা দিব লাগিব। সুশিক্ষিতা ছোৱালী অ'গলৈ ভাল মাতৃ, ভাল গৃহিণী হব পাৰিব। মহাত্মা গান্ধীয়ে দঢ়াই দঢ়াই কৈছে জাতিৰ মাতৃসকল সুশিক্ষিতা নহলে স্বৰাজ লাভ সুদূৰ-পৰাহত। ছোৱালীবিলাকে পঢ়াৰ লগে লগে বোৱা-কটা, ৰন্ধা-বঢ়া, স্বাস্থ্য-ৰক্ষা, ৰোগীৰ শুশ্ৰূষা, আৰু গৃহস্থালি কাৰ্য্যৰ সুশিক্ষা পোৱাৰ ব্যৱস্থা কৰিলেহে তেওঁলোকৰ উপকাৰ হব। অৱশ্যে এইটো অভিভাৱক-সকলৰহে কৰ্ত্তব্য, ছাত্ৰৰ নহয়। যিবিলাক ল'ৰাই দিনৰ দিনটো গৰু ৰখিব বা হাল-কোৰ ৰাব লগা হয়, তেনে দুখীয়া অৱস্থাৰ ল'ৰাৰ কাৰণে 'night school' নৈশ বিদ্যালয় স্থাপনৰ চেষ্টাও কৰি চালে বেয়া নহয়। তলত পৰি থকা জাতিবিলাকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰো তাত সুবিধা হয়। সেই জাতিবিলাকক ওপৰলৈ তুলিবলৈ যি প্ৰচেষ্টা হয় তাতো ছাত্ৰসকলৰ সহানুভূতি থকা উচিত।



## (ঘ) স্বাস্থ্য-ৰক্ষা

কুসংস্কাৰ, অন্ধবিশ্বাস, অজ্ঞতা আৰু আচাৰহীন বিচাৰৰ কাৰণে গাওঁবিলাকত নানা প্ৰকাৰৰ ৰোগ-ব্যাধি সোমাই অস্বাস্থ্যকৰ কৰিছে। গাৱঁলীয়া মানুহবোৰ যাতে চাফ-চিকুণ, পৰিষ্কাৰ পৰিপাটীকৈ থাকি ৰোগ ব্যাধিৰ হাত সাৰিব পাৰে, ভণ্ড ফকিৰ বা বেজৰ চক্ৰান্তত পৰি যাতে অৰ্থব্যয় আৰু কষ্ট ভোগ নকৰে, পানী-খোৱা পুখুৰীত লেতেৰা কাপোৰ বা গা ধুই যাতে তাৰ পানী দূষিত নকৰে, অলাগতিয়াল হাবি-বননি কাটি যাতে নিৰ্ম্মল বতাহ আৰু বদৰ পোহৰ ঘৰবিলাকত সোমাব পাৰে, ইনফ্লুৱেঞ্জা, কলেৰা আদি সোঁচৰা ব্যাধিৰ প্ৰকোপ হলে যাতে মানুহ সাৱধানে চলে ইত্যাদি কথা ৰাইজক বুজাবলৈ আৰু পৰাপক্ষত নিজে দৃষ্টান্ত দেখুৱাবলৈ যত্ন কৰা ছাত্ৰসকলৰ এটি প্ৰধান কৰ্ত্তব্য। হাইজা নিবাৰণৰ উপায়, মেলেৰিয়া নিবাৰণৰ উপায় ইত্যাদি বিষয়ৰ সৰু সৰু পুথি ৰাইজৰ মাজত বিতৰণ আৰু মেজিক লেণ্টাৰ্ণৰ আশ্ৰয় লৈ বক্তৃতাদি দিয়াৰ ব্যৱস্থা কৰিলেও এই কাৰ্য্যত বহুত সহায় হব। আসাম ছাত্ৰ সন্মিলন আৰু তাৰ জৰিয়তে শিৱসাগৰ ছাত্ৰ-সভাই এই কাৰ্য্য হাতত লোৱা দেখি সন্তোষ পাইছোঁ। গাৱঁলীয়া ৰাইজৰ বিশেষকৈ ডেকা ল'ৰাবিলাকৰ শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধনৰ অৰ্থে ওপৰত কৈ অহা লাঠি-তৰোৱাল খেল, সাঁতোৰা, ঘোঁৰাত উঠা, জপিয়া, দৌৰা প্ৰভৃতিৰ ব্যৱস্থা কৰিলে গাৱঁলীয়া স্বাস্থ্যৰ বহুত উন্নতি হয়।

## (ঙ) স্বদেশী প্ৰচলন

অলপ দিনৰ আগলৈকে আমাৰ অসমীয়া জীয়ৰী-সকলে ৰাতি এড়োখৰলৈকে জাতে জাতে নাম গাই, নেওঠনীত কপাহ নেওঠি, যতৰত সূতা কাটি, সুন্দৰ সুন্দৰ কাপোৰ বৈ, ভায়েক-ককায়েক, বাপেক-দদায়েকক সজাই-পৰাই, অইন কি, ৰণলৈকো আগ বঢ়াই পঠাইছিল। আজি সেই অভ্যাস পৰিত্যাগ কৰি দিয়াত আমাৰ এনে অধঃপতন। আমি কাপোৰ এড়োখৰৰ বাবে পৰমুখা-পেক্ষী হৈ বিদেশীক চহকী কৰি নিজে দাল-দৰিদ্ৰ, ভিকহু হৈছোঁহক। ভাৰতৰ অইনবিলাক প্ৰদেশত খাদৰ প্ৰচলন, স্বদেশী প্ৰচাৰ তীব্ৰভাৱে চলিছে। অসমৰ এৰি, মুগা, পাট ইত্যাদিলৈ অসমীয়াই লাহে লাহে পিঠি দিছে। কামৰূপত হে ইয়াৰ এফেৰি আদৰ বৈছেগৈ। ভাটীৰ পৰা কিনি অনা খাদৰতকৈ আমাৰ জীয়াৰী, বোৱাৰী নাইবা ল'ৰা ছোৱালীয়ে নিজ হাতে কটা সূতাৰে বোৱা কাপোৰ পিন্ধাটোহে পৰম গৌৰৱৰ কথা।

## (চ) ছাত্ৰসভাৰ কাৰ্য্য

ওপৰত উল্লেখ কৰা কাৰ্য্যবিলাকলৈ মনোযোগ দিওঁতে ছাত্ৰসকলৰ সভাখনিলৈ আওকাণ কৰিবলৈ মই কোৱা নাই আৰু কেতিয়াও নকওঁ। এই সভাৰ জৰিয়তেহে সেই কাৰ্য্যবিলাক হাতত লব লাগিব। সভাত এনে ধৰণৰ আলোচনা হব লাগে যাতে ওপৰত লিখা কাৰ্য্যবিলাকত সহায়তা কৰিবৰ কাৰণে লাগতিয়াল ভাব সঞ্চয় কৰিব পৰা হয়। ছাত্ৰ সভাৰ মাহেকীয়া, পখেকীয়া বা সাপ্তাহিক অধিবেশনত এটি সময়োপযোগী বিষয় লৈ পুঙ্খানুপুঙ্খৰূপে আলোচনা কৰিব। তাৰ দ্বাৰা আপোনালোকৰ বাক্‌শক্তি, তৰ্ক কৰা অভ্যাস, সাহিত্যানুৰাগ বাঢ়িব, ভাবৰ সলনা-সলনি হব, শৃঙ্খলা লগাই নিয়মৰ তলতীয়া হৈ কাৰ্য্য কৰিবলৈ শিকিব, সভ্যসকলৰ মাজত উমৈহতীয়া দায়িত্বজ্ঞান আৰু সঙ্ঘবদ্ধ হৈ কাৰ্য্য কৰা সক্ষি ফুটি উঠিব। Discipline বস্তুটো বৰ দৰকাৰী। ইয়াৰ গুণতে আজি ইংৰাজ জাতি ইমান বলী। ইয়াৰ নাটনিয়েই ভাৰতবাসীৰ অধোগতিৰ কাৰণ। লোকৰ নেতৃত্বত কাম কৰাটোৱেই Discipline-ৰ ভিতৰ। প্ৰত্যেকেই ঘপকৰে বৰমূৰীয়া বা নেতা হবলৈ গলে কাৰ্য্য সিদ্ধি নহয়। যিবিলাকে লোকৰ ওপৰত নেতৃত্ব কৰিব খোজে তেওঁলোকে প্ৰথমতে নিজে লোকৰ নেতৃত্বত চলিবলৈ শিকিব লাগিব। ৫৩৯৮/অ:

আপোনালোকে এইদৰে শৃঙ্খলা লগাই, নিয়াৰিকৈ এহাওঁথীয়া ভাবে কাম কৰিলে কোনো জানে আপোনা-

লোকৰ মাজৰ পৰা সময়ত একোজন নামজলা কবি, লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, সুপ্ৰসিদ্ধ নেতাৰ আবিৰ্ভাৱ নহব। শিৱসাগৰ বাল্যাশ্ৰম, বিমলালয় সভা, গুৱাহাটীৰ একতা সভা, কলিকতাৰ A. S. L. Club-অত দীক্ষা লোৱা ভালেমান লোকে সাহিত্য, সমাজ, ৰাজনীতি প্ৰভৃতি ক্ষেত্ৰত প্ৰতিপত্তি লাভ কৰাৰ দৃষ্টান্ত চকুৰ আগতে জিলিকি আছে। বৰ্ত্তমান যুগত কথাতকৈ কাৰ্য্যৰ আদৰ বেছি। নীৰৱ আৰু নিঃস্বাৰ্থ সেৱা কাৰ্য্যইহে ৰাইজৰ শ্ৰদ্ধা আৰু বিশ্বাস আকৰ্ষণ কৰিব আৰু তেনে কাৰ্য্যহে ভগৱানৰ কৃপাবাৰিৰে অভিষিক্ত হব। সভাৰ এটি সমাজ-সেৱা বিভাগ সুকীয়াকৈ খুলি সভ্যসকলক চামে চামে বিভক্ত কৰি, ওপৰত কৈ অহা সমাজহিতকৰ অনুষ্ঠানত নিযুক্ত কৰিব পাৰিলে এই সঙ্ঘবদ্ধ ছাত্ৰশক্তি ফুটি উঠি ফলে-ফুলে জাতিকাৰ হব। ছাত্ৰবন্ধুসকল, আপোনালোক বয়সত সৰু হব পাৰে, কিন্তু কোমল বয়সীয়া প্ৰহ্লাদ, ধ্ৰুৱ, কেছেবিয়াঙ্কাই আপোনালোকৰ আগত কি উজ্জ্বল আৰ্হি থৈ গৈছে! তেওঁলোকৰ চানেকিৰে জীৱন গঢ়িবলৈ যত্ন কৰক। প্ৰহ্লাদৰ আত্মশক্তি, ধ্ৰুৱৰ একাগ্ৰতা, কেছেবিয়াঙ্কাৰ কৰ্ত্তব্যপৰায়ণতা অনুশীলন কৰি গন্তব্য পথত আগুৱান হওকচোন। নিশ্চয় আপোনালোকৰ অভীষ্ট সিদ্ধ হব। সাধনাত সিদ্ধি। এদিন, এমাহ, এবছৰতে আপোনালোকৰ মনোবাঞ্ছা পূৰ্ণ নহব পাৰে। শুভ কাৰ্য্যত অনেক বিঘিনি। কিন্তু বিঘ্ন-বিপৰ্য্যয়, অতিক্ৰম কৰা ক্ষমতাতহে শক্তি সাধনাৰ চিনাকী পোৱা যায়। বিপদ অতিক্ৰমতেই কৰ্ম্মৰ কৃতিত্ব।

## অসম মাতৃ

ৰাইজসকল, আপোনালোকে মনত ৰাখিব যে চাৰিওৰ সুনাম অৰ্জ্জন কৰিব লাগিব, দেশৰ সকলো কামতে যাতে এই ঠাইৰ অধিবাসীয়ে ভাল ঠাই পায়, উন্নতিৰ পথত যাতে আগুৱাব পাৰে, চাৰিওৰ পৰা যাতে দেশত লৰলগীয়া আগৰণুৱা মানুহ সকলো ক্ষেত্ৰতে ওলায়, ঠাইখনি যাতে নিৰোগী, পৰিষ্কাৰ, ফৰকাল হয়, ইয়াৰ চুকে-কোণে যাতে জ্ঞানৰ জেউতি পৰে ইয়ালৈ আপোনালোকৰ দৃষ্টি থাকিব লাগিব। কিন্তু সবাতো উপৰি আপোনালোকে মনত ৰাখিব লাগিব যে আপোনালোক সকলোটিয়ে অসম-মাতৃৰ সন্তান। এই মাতৃৰ বুকৰ প্ৰত্যেকটি ধূলিকণাৰে আমাৰ শৰীৰৰ অস্থি-চৰ্ম্ম, তেজ-মাংসৰ সম্বন্ধ, এই মাতৃৰ সাদৰী কোলাতে লালিত-পালিত হৈ মাতৃৰ বুকৰ জলবায়ু সেৱন কৰি, আমি ডাঙৰ-দীঘল হৈছোঁ, এই মাতৃৰ স্নিগ্ধ সুশীতল অঙ্কত এদিন মহা-মহা তাপসসকলে জিৰণি লভিছিল। এই মাতৃৰ উচ্চশিৰতে এদিন নভোমণ্ডলৰ জ্যোতি পৰিছিল, এই অসমৰ পৰ্ব্বত-কন্দৰ বেদৰ ছন্দেৰে প্ৰতিধ্বনিত হৈছিল, প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ এই সোণৰ অসম দেশ; পুণ্যতোয়ে ব্ৰহ্মপুত্ৰ যুগে যুগে বৈ অসমৰ কীৰ্ত্তি বখানি হৃদয়-সৰসীত সোণালী অতীতৰ স্মৃতিৰ লহৰী তুলিছে। অলঙ্ঘ্য দুৰ্গস্বৰূপ পৰ্ব্বত-ৰাজি গৰ্ব্বোন্নতশিৰে বিৰাজি অতীতৰ কীৰ্ত্তি-কাহিনী দিক-দিগন্তত প্ৰচাৰ কৰি আছে। উমানন্দ, নীলাচল, বিশ্বনাথ, হয়গ্ৰীৱ মাধৱ, নৱগ্ৰহ, উৰ্ব্বশী, মণিকৰ্ণেশ্বৰ, বশিষ্ঠাশ্ৰম, সীতাকুণ্ড, জয়সাগৰ, শিৱসাগৰ, পৰশুৰাম কুণ্ড আদি তীৰ্থস্থানবিলাকে অসমৰ মহিমা দেশ-দেশান্তৰলৈকে প্ৰচাৰ কৰিছে। ভগদত্ত, বাণ, ভাস্কৰবৰ্ম্মা, নৰনাৰায়ণ, চিলাৰায়, গদাপাণি, লাচিত ফুকনৰ বীৰত্ব কাহিনীৰে গৌৰৱান্বিত, উষা, ৰুক্মিণী, খনা, লীলাৱতী, বেহুলা, জয়মতী, মূলা-ৰমণী গাভৰুৰ সতীত্ব জেউতিৰে বিভূষিতা এই অসম-মাতৃ স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিৰ অৱস্থা আজি কি শোকলগা এবাৰ ভাবি চাওকচোন। আজি অসম-আইৰ মুখৰ ভাত বিদেশীয়ে কাঢ়ি নিছে, ফটা কাপোৰ এডোখৰৰ কাৰণে, নিজৰ জীবিকাৰ কাৰণে আয়ে পৰৰ ওচৰত হাত পাতিছে। কানি বৰ বিহ অসম 'আইৰ' শৰীৰৰ বন্ধ্ৰে বন্ধ্ৰে প্ৰৱেশ কৰি শৰীৰ জৰ্জ্জৰিত কৰাত দিনে দিনে খীণাই-শুকাই অস্থিচৰ্ম্মসাৰ হৈ গৈছে। আজি সেই নিচলা দুখুনী দুৰ্ভগীয়া আয়ে সতৃষ্ণ নয়নে সন্তানৰ মুখৰ ফালে চাই আছে এনে সময়ত আমি হাত সাৱটি বহি থকা উচিত নে? আইৰ দুখ-দুৰ্গতিৰ প্ৰতি উদাসীন হৈ নিজৰ ক্ষুদ্ৰ স্বাৰ্থ আৰু ব্যক্তিগত বিষয়-বাসনাত লিপ্ত থাকিলে আইৰ অভিসম্পাত আমাৰ মূৰত নপৰিবনে? এতেকে আহক, দেহ মন প্ৰাণ আইৰ সেৱাত অকাতৰে ঢালি দিওঁহঁক। আইৰ চৰণত বিবিধ ভাব-কুসুমৰ অঞ্জলি প্ৰদান কৰোঁহঁক; আইৰ মলিন বয়ান একেবি উজ্জ্বল কৰোঁহঁক! শুৱলা কথাৰে আইৰ ৰূপ মাধুৰী গুণ গৰিমা বৰ্ণাই থাকিলেই আই সন্তুষ্ট নহয়; দুখ দুৰ্গতিবো ওৰ নপৰে। অসম মাতৃৰ গৌৰৱময় অতীত-স্মৃতিৰে অনুপ্ৰাণিত হৈ বৰ্ত্তমান জগতৰ গতি-বিধি, উন্নতিৰ প্ৰবল সোঁতলৈ লক্ষ্য ৰাখি উপস্থিত কৰ্ত্তব্য থিৰাং কৰি আগবাঢ়িব লাগিব। অসম মাতৃৰ দুৰ্ব্বলতা দূৰ কৰি বিলৈ-বিপত্তিৰ প্ৰতিকাৰ কৰিলে পৰোক্ষভাবে ভাৰতবৰ্ষৰ সেৱা কৰা হয়। অসম, বঙ্গ, পঞ্জাব, গুজৰাট, বোম্বাই, মাদ্ৰাজ ইত্যাদি ভিন ভিন সমষ্টি লৈহে ভাৰতবৰ্ষৰ অস্তিত্ব। শৰীৰৰ প্ৰত্যেক অঙ্গ, প্ৰত্যেক অৱয়ৱ সুস্থ আৰু সবল হলেহে গোটেই শৰীৰৰ জেউতি ফুটি উঠিব।



## সামৰণি

সভাপতিৰ আসনখনি পাই জনাই নজনাই ভালেমান কথা কৈ আপোনালোকক আমনি কৰাৰ বাবে ক্ষমা মাগিছোঁ। কিন্তু এই কথাখিনি বলিয়াৰ প্ৰলাপ বুলি আওকাণ নকৰি ধৈৰ্য্য ধৰি ইমান পৰ কৰ্ণপাত কৰাৰ কাৰণে আপোনালোকৰ ওচৰত মই চিৰধৰুৱা। ছাত্ৰসকল, আজি কোৱা কথাবোৰ দলিয়াই নেপেলাই অলপ ভাবি-চিন্তি চালে আৰু মোৰ এধাৰমান কথাবো কিবা গুণ ধৰিলে মোৰ পৰিশ্ৰম সাৰ্থক হব, মোৰ জীৱন ধন্য হব! আপোনালোক বিদ্যাই-বুদ্ধিয়ে স্বভাৱে-চৰিত্ৰে কথাই-কামে, ভাবে-ভাষাই ভাল হওক, ধৰ্ম্ম আৰু কৰ্ম্মত নিষ্ঠাবান হওক; কায়মনোবাক্যে সকলোৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁঃ—

অসতো মা সদ্গময়
তমসো মা জ্যোতিৰ্গময়
মৃত্যোৰ্মামৃতং গময়।

মোৰ স্বপ্নৰ অগোচৰ, আশা আৰু ভাষাৰ অতীত আদৰ আৰু সন্মান দেখুওৱাৰ বাবে আকৌ এখনি শলাগৰ শৰাই আগবঢ়াই ইমানতে মোৰ অসাৰুৱা অভিভাষণৰ সামৰণি পেলাওঁ।

নাজানোহোঁ আবাহন নাজানোহোঁ বিসৰ্জ্জন
পূজা মন্ত্ৰ নাজানো কিঞ্চিৎ
এতেকে পৰমেশ্বৰ দাস ভৈলোঁ চৰণৰ
মোৰ গতি সাধিবে উচিত।*

শ্ৰীপদ্মধৰ চলিহা

---

## চতুৰ্দ্দশী

চৈধ্যটি বছৰ, তাতে কত ব্যৱধান!
সেই লেউসেউ দেহ, অকণি অকণি
হাত-ভৰি, মুখনিত হাঁহি-কেলেকনি—
সকলো পুৰণি চিন আজি অন্তৰ্ধ্যান।
চতুৰ্দ্দশ বছৰৰ যৌবনে ইমান
সুচতুৰভাৱে দিছে বুলাই লেখনী!
হাঁহি-লাজে খেলে তাতে লুকা-ভুমুকনি,
প্ৰাণত সুৰগা জলে—প্ৰেম-অভিমান।

হেৰা চতুৰ্দ্দশী প্ৰিয়া! হে শিল্পী যৌবন!
সেই কেচুৱাতে দেখি যোৱা দিন ধৰি
কোনে কাক কাষলই কৰি আকৰ্ষণ
খেলিলা গোপনে এনে প্ৰীতিৰ লহৰী?
বুজিছোঁ, ই যৌবনৰ আকুল চুম্বন;
তাতে হে কেচুৱা আজি অনিন্দ্য সুন্দৰী!!

শ্ৰীডিম্বেশ্বৰ নেওগ

---

* চাৰিং ছাত্ৰ সন্মিলনৰ দ্বিতীয় বছৰেকীয়া অধিবেশনৰ সভাপতিৰ অভিভাষণ।

## এখন চিঠি

শ্ৰদ্ধাস্পদ বেজবৰুৱা ডাঙৰীয়া,

মনৰ খু-হুৱনী মাৰিবলৈ আপোনাৰ ওচৰত এষাৰ কথা জনাব খুজিছো,—আপোনাৰ 'অ' মোৰ আপোনাৰ দেশ' বোলা জাতীয় গীতটি আমি '১ম বছৰ বাঁহী' আৰু 'কদম কলিত' দেখিছিলো কিন্তু এই বাৰ অন্য ৰকমে শুনিলো—লগতে ন-ৰূপ ধৰা গীতটোও পঠাই দিলো। আপুনি কেতিয়াবা ইয়াক এইদৰে সংশোধন কৰিলেনে কি? আমি হলে এইদৰে কোনো কাগজে-পত্ৰত নেদেখি সন্দেহ ভাঙিবৰ কাৰণে লিখিলো। যদি আপুনি অলপ নতুন কৰিলে তেন্তে আকৌ তাৰ বাঁহীত প্ৰকাশ কৰিলে সকলোৱে জাতীয় গীত হিচাবে গাব পাৰিব—যদি আপুনি সাল-সলনি কৰা নাই তেওঁলোকে নো কি বুলি সলালে? ইতি

শিৱসাগৰ
৫।৬।২৯

এজন শিৱসাগৰীয়া

---

## সামৰণী-সঙ্গীত *

(শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা)

এই গীতটি অসমীয়া National Anthem হিচাবে সকলো সভা সমিতি উৎসৱ আদিত ব্যৱহাৰ কৰিবলৈ প্ৰয়াস পোৱা গৈছে। এই সঙ্গীত যেতিয়া বজোৱা হব প্ৰত্যেক দেশপ্ৰাণ অসমবাসীক ঠিয় হৈ ইয়াৰ প্ৰতি সন্মান দেখুৱাবলৈ বিনীত অনুৰোধ কৰিলোঁ।

সমজুৱাসকলেঃ— অ' মোৰ আপোনাৰ দেশ,
অ' মোৰ চিকুণী দেশ,
অ' মোৰ মৰমৰ আই
অ' মোৰ অসমী আই
অ মোৰ চেনেহী আই।

গায়কসকলেঃ— এনেখন সুফলা এনেখন সুফলা
এনেখন মৰমৰ ঠাই।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত,
পৃথিৱীত ক'তো বিচাৰি নোপোৱা
জনমটো কৰিলেও পাত।
অ' মোৰ চেনেহী আই পৃথিৱীত
ক'তো ইত্যাদি।
অ' মোৰ মৰমৰ আই,
অ' মোৰ আদৰি আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই।

* 'এখন চিঠি' প্ৰবন্ধত উল্লেখ কৰা গীত



## উত্তৰ

চিঠি লেখকৰ নাম নাপাই, বাঁহীলৈকে উত্তৰ লেখি পঠিয়ালোঁ। চিঠিত উল্লেখ কৰা গীতটিৰ মই একো সাল-সলনি কৰা নাই; আৰু কেতিয়াও নকৰোঁও। মোৰ এটা ধাৰণা আছে, সি শুধেই হওক বা অশুধেই হওক, কিন্তু আছে।—গছৰ পকা ফল সৰি পৰিলে, গছৰে সৈতে তাৰ আৰু সম্পৰ্ক নাথাকে। সি তলত পৰি গজে; নাইবা জীৱ-জন্তুৰ পেটলৈ যায়; নাইবা বতাহে তাক উৰাই নি দূৰ-দূৰান্তৰত পেলায়। গছ তাৰ আলৈ-আথানি, বা আদৰ-সাদৰৰপৰা আঁতৰত। অৱশ্যে তাৰ আদৰ দেখিবলৈ পালে গছৰ যে সন্তোষ নহয়, অথবা আলৈ-আথানি চকুত পৰিলে যে গছ অলপ-নহয়-অলপ ব্যথিত নহব, এনে নহয়। তথাপি গছ তাৰ বিষয়ে নিৰ্লিপ্ত।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰথম পুথি হৰিশ্চন্দ্ৰ উপাখ্যান। এদিন তেওঁ পাটবাউসীত থাকোতে, এটা মগনিয়াৰে হৰিশ্চন্দ্ৰ পুথিৰ পদ মাতি, মাগি ফুৰা দেখি তেওঁ দুখ কৰি কৈছিল, "মোৰ প্ৰথম মানস-সন্তান ভিক্ষাৰী হল।" মোৰ ৰচিত এই গীতটি, ভিক্ষাৰী হোৱা দূৰত থাওক, 'National Anthem" অৰ্থাৎ জাতীয় সঙ্গীত ৰূপে ৰাজ-ৰাজেশ্বৰ হোৱা দেখি অৱশ্যে মোৰ আনন্দ কুলায়-পাচিয়ে যে নধৰা হৈছে তাক নকলেও হব।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

## ৰামৰায়ৰ কুঠি বা ছত্ৰশাল সত্ৰ

ভোগালি বিহুৰ দিনা এই "বঙালৰ কঙাল দেশ"ত কিনো পাম, কিনো থাম বুলি ভাবি-চিন্তি ৰামৰায়ৰ কুঠি বা ছত্ৰশাল সত্ৰ চাবলৈ যাবলৈ পাঙি থৈছিলোঁ। সেইদিনা পুৱাই সেইফালে যাত্ৰা কৰিলোঁ। আৰু ৰেলেৰে সোণাহাট ষ্টেশ্যনত নামিলোঁহি। লগত আৰু এজন।

সোণাহাট বৰ্ত্তমান অসম প্ৰদেশৰ পূৰ্ব্ববঙ্গ ৰেলৰ শেষ ষ্টেশ্যন। ষ্টেশ্যনটো প্ৰকৃততে বোলে বঙ্গ প্ৰদেশৰ ৰংপুৰ জিলাৰ ভিতৰত হে পৰে, ষ্টেশ্যন মাষ্টৰৰ ঘৰটোহে গুৱালপাৰ জিলাৰ মাটিত; অৰ্থাৎ ষ্টেশ্যন মাষ্টৰ জনে অসম প্ৰদেশত থাকি বঙ্গ প্ৰদেশত কাম কৰে। ষ্টেশ্যনটো সৰু আৰু গোলোকগঞ্জ জংশ্যনৰপৰা ২১৩ মাইল ভটীয়াই গলেই পায়।

ৰামৰায়ৰ কুঠিলৈ এই ঠাইৰপৰা পাচ মাইল, খৰালি কেদিনত গৰু গাড়ীৰে বা খোজকাঢ়ি সহজে যাব পাৰি। আমি এছোৱা বুলি আৰু আন ছোৱা 'গাড়্যাৰোহণ' কৰি বাটৰ ওৰ পেলালোঁ। সেইখিনি পাওঁতে প্ৰায় দুপৰীয়া বাৰ বাজিল। আমি লৰালৰিকৈ সত্ৰৰ পুৱাৰ প্ৰসঙ্গ শুনিবলৈ পাম বুলি গৈছিলোঁ, কিন্তু বাটতে মাহ-প্ৰসাদ লৈ উলটি অহা ভকত কেজনমানক লগ পাই পুৱাৰ প্ৰসাদ শেষ কৰিলে বুলি বুজিব পাৰিলোঁ। তথাপি সত্ৰলৈ গৈ চেনি-মিহলোৱা মাহ-প্ৰসাদৰ ভাগ লোৱা হ'ল।

ছত্ৰশাল মহাপুৰুষীয়া সত্ৰ, বৰ্ত্তমান অধিকাৰজন গৌৰীপুৰৰ ৰজাৰ কিবা লগা-ভগা বুলি শুনিলোঁ। তেওঁ হেনো প্ৰায়ে গৌৰীপুৰতে থাকে, বিশেষ কাজ-কাম হ'লেহে আহে। কমলাবাৰীৰ দুজন ভকত তাত থাকি দৈনিক কাজ-কাম চলায়, তেওঁলোকে গৌৰীপুৰৰ ৰজাৰপৰা কিবা পায়। বৰ্ত্তমান সত্ৰখন সৰু, কিন্তু কিছুদিনৰ আগতে ইয়াৰ প্ৰায় চাৰিহাটী ভৰি ভকত আছিল হেনো। পাছত কিবা কাৰণত এই ৰজাৰ লগত ভকতসকলৰ বিবাদ লগাত তেওঁলোক ভাগিল, আৰু সত্ৰৰ শাসন ৰজাই নিজ হাতলৈ ললে। সত্ৰৰ

পৰা বছৰি বহুত আয় হয়, আৰু সেইটো ৰজাৰ বিষয়াই তুলি নিয়ে ; ইয়াৰ কীৰ্ত্তন ঘৰটো বৃজন, বগী-তাম্ দিয়াই ৰজায়ে সজাই দিয়ায় ; কিন্তু আন কীৰ্ত্তন ঘৰৰ দৰে ইয়াৰ ভঁৰাঘৰ বা মণিকূট নথকাত বহুত অসুবিধা হৈছে।

ৰামৰায় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ ভায়েক। এওঁৰে জীয়েক ভুবনেশ্বৰীক এই ঠাইতে ৰাজছত্ৰ মেলি কোচ ৰজা মহাৰাজ শুক্লধ্বজ বা চিলাৰায় দেৱানে বিয়া কৰায় দেখি এই সত্ৰৰ নাম ছত্ৰশাল হৈছে বুলি কয়। শহুৰেক ৰামৰায় থাকিবৰ কাৰণে চিলাৰায়ে ইয়াতে বন্দবস্ত কৰি দিছিল আৰু সেই অনুসাৰেই এই ঠাই ৰামৰায়ৰ কুঠি বুলি প্ৰসিদ্ধ। এই কমলাবৰীয়া ভকতৰ এজনে ইয়াৰ কীৰ্ত্তনঘৰৰ কাষৰ ঘৰটি দেখুৱাই কৈছিল বোলে তাতেই তীৰ্থ-পৰ্য্যটনৰপৰা ঘূৰি, শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ ৰামৰায়ৰ আলহী স্বৰূপে দিনদিয়েক থাকেহি। সত্ৰৰ আশে-পাশে প্ৰায় সকলোৱেই ৰাজবংশী, আৰু তেওঁলোকৰ প্ৰায় এশঘৰ মানেই মহাপুৰুষীয়া। ৰাজবংশীৰ বাহিৰেও তাত কলিতা আৰু খেন জাতিৰ মহাপুৰুষীয়া শিষ্যও আছে ; সামাজিক আচাৰ-ব্যৱহাৰত কলিতা আৰু খেন জাতি প্ৰায় সমস্থানীয়। আগেয়ে এই সত্ৰৰ বামুণ শিষ্যও কেবাঘৰো আছিল, এতিয়া হেনো তেওঁলোকে কোনোবা নবদ্বীপৰ গুৰুত শৰণ লৈছে। মহাপুৰুষীয়া শিষ্যসকলৰ সাধাৰণ উপাধি "ভকত" আৰু ভকত বুলিলে তেওঁলোককহে বুজায়।

যাওঁতে বাটত কিছুমান গৰুৰ ডিঙিত ফুলৰ মালা দেখি গৈছিলোঁ, সত্ৰৰ ওচৰতো তাকেই দেখিলোঁ। ভকতকেজনক আৰু আন আন মানুহক সুধি জানিব পাৰিলোঁ, দোমাহী বা বিহুৰ উপলক্ষে তেওঁলোকে এই দিনা তেনে কৰে। আগেয়ে এই দিনা সকলোৱে এই কাম কৰিছিল, এতিয়াহে সেইটো ক্ৰমে পাতলি আহিছে আৰু নকৰিলেই নহয় বুলি সকলোৱে নভবা হৈছে। বিহুৰ উপলক্ষে এতিয়াও প্ৰায় সকলোৱে এই দিনা ভাত-পানী নেখায়, তাৰ পৰিবৰ্ত্তে আগৰাতি ভাজি থোৱা পিঠা-পনা আৰু দৈ-চিৰা-চাউল আদি গ্ৰহণ কৰে। এওঁলোকে উখুৱা চাউলৰপৰা, ৰ'দত শুকুৱাই, জুইত নভজাকৈ, কেচা চিৰাও কৰি পকা-বস্তু নোখোৱা লোকক বোকা চাউল বা কোমল চাউলৰ দৰে খাবলৈ দিয়ে। বুঢ়া দুজনমানৰপৰা জানিব পাৰিলোঁ, কিছু দিনৰ আগৰপৰাহে এওঁলোকৰ মেজী-ফুঁউৱা নিয়ম নোহোৱা হৈছে। গুৱালপাৰৰ কোনো কোনো ঠাইত এই মাঘ বিহুক "পুৰ্না" বুলি কয়। বহাগৰ দোমাহীত ইয়াৰ প্ৰায় সকলো ঠাইতে গৰু-গা ধুৱায় আৰু কোনো কোনো ঠাইত উজনি অসমৰ দৰে ঘৰে ঘৰে কীৰ্ত্তন কৰি বা হুচৰি গাই পইছাও নিয়ে হেনো। আমি ঘূৰি আহোঁতে এঠাইত আমাৰ ফালৰ নিচিনা ঢোলৰ চেও শুনি থমকি ৰৈছিলোঁ ; ইয়াৰ ঢোলবোৰ আমাৰ ফালৰ ঢোলৰ লগত নিমিলে, বজোৱাৰ চেও হলে ভালেখিনি মিলে। ইয়াৰ কিছুমান ৰীতি আৰু কথা উজনি অসমতকৈ কামৰূপৰ লগতেই মিলে ; মেজীঘৰক ইয়াত কামৰূপৰ দৰে "ভেলাঘৰ" বোলে, নগাঁৱত "হাৰলিঘৰ" বোলে।

কমলাবাৰীৰ ভকতকেজনৰ লগত ভালেখিনি পৰ কথা হোৱা হল। এজন ভকতৰ ঘৰ কমলাবাৰীৰ ওচৰত ; আনজন শিৱসাগৰৰ জাঁজীৰ কাষৰ জৰাবাৰী সত্ৰৰ। তেওঁৰ লগলৈ তেওঁৰ ভতিজা লৰা এটিও সম্প্ৰতি কমলাবাৰীৰপৰা গৈছে। তেওঁলোকৰ মাত-কথাত স্থানীয় ভাষাৰ প্ৰভাৱ ৰবকৈ সোমাইছে, আৰু এজনে ঘাইকৈ বিশেষ যত্ন কৰিও আমাৰ লগত একেবাৰে শুদ্ধকৈ কথা কব নোৱাৰিলে। স্থানীয় ৰাজবংশী মহাপুৰুষীয়া ভকত কেজনমানৰ লগত অলপ পৰ কথা-বাৰ্ত্তা হৈছিলো। তেওঁলোকে ঘাইকৈ কীৰ্ত্তন-ঘোষাৰ শিক্ষা আৰু ভাষাৰ মধুৰতা ৰবকৈ ৰখানে। এজন বুঢ়া ভকতে "মুক্তিত নিস্পৃহ যিটো" ঘোষা ফাকি মাতি ব্যাখ্যা কৰা শুনি ৰৰ ভাল লাগিল। তেওঁলোকে আমাক সেই দিনা থাকি আবেলিৰ নাম-প্ৰসঙ্গ শুনি যাবলৈ ধৰিছিল, আমি তেওঁলোকৰ অনুৰোধ ৰাখিব নোৱাৰিলোঁ। তেওঁলোকৰ ভিতৰৰ গায়ন-বায়ন আদি শিকা আৰু তাত পাকৈত লোকো দুই চাৰিজন আমাক দেখুৱাই-



ছিল, আমি তেওঁলোকক ওজা-পালী-গোৱাও শিকিবলৈ কৈছোঁ।

আমি কিছুমানপৰ এইদৰে থাকি আবেলি চাৰিমান বজাত, সোণাহাটত উজনিৰ গাড়ী ধৰিবলৈ বুলি খোজ ললোঁ। দিনটো এইদৰে ঘূৰি-পকি ৰাতি তিনমান বজাত লক্ষ্যস্থান পালোঁহি। যিঠতে "বঙালৰ কঙাল দেশ" বুলিও দিনটো হলে অলপ ভোগালি যেন নলগাকৈ নেথাকিল।*

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# কামৰূপ মহিলা সমিতিৰ প্ৰথম বছেৰেকীয়া কাৰ্য্য বিৱৰণী

উৎপত্তিঃ—১৯২৮ সনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে আসাম মহিলা সমিতিৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিবেশন হয়। সেই সভাতে গুৱাহাটীতো এখনি মহিলা সমিতিৰ আৱশ্যক বিবেচনা কৰি আসাম মহিলা সমিতিৰ গুৱাহাটী শাখা নাম দি উপস্থিত ১৫ গৰাকী সভ্যাৰে এখনি মহিলা সমিতি গঠিত কৰা হয়। আৰু শ্ৰীযুতা ভুবনেশ্বৰী দেবী আৰু শ্ৰীযুতা কমলা দেবীক যুটীয়া সম্পাদিকা আৰু শ্ৰীযুতা চন্দ্ৰপ্ৰভা বৰুৱাক ধন ভঁৰালী আৰু হিছাপ ৰক্ষকৰ বাব দিয়া হয়।

সমিতিৰ সভ্যাঃ—তেতিয়াৰপৰা ১৯২৯ সনৰ মাৰ্চ্চ মাহৰ শেষলৈকে সমিতিৰ সভ্যা ১১০ গৰাকী আছে। ইয়াৰ ভিতৰতে সভ্যাসকলৰ সাল-সলনি হৈছে অৰ্থাৎ জনদিয়েকে নাম বাদ দিছে আৰু মাহে মাহে নতুনকৈয়ো সভ্যা শ্ৰেণীভুক্ত হৈছে।

অধিবেশনঃ– মাৰ্চ্চৰ শেষলৈকে সমিতিৰ সাধাৰণ অধিবেশন ১১ টা, কাৰ্য্য-নিৰ্ব্বাহক সভাৰ অধিবেশন ৫ টা আৰু দ্বিতীয় বাৰ জয়মতীৰ তিথি পালন উপলক্ষে এটি বিশেষ অধিবেশন বহিছে। ইয়াৰ বাহিৰেও সমিতিৰ নিয়ম-প্ৰণালী ঠিক কৰিবলৈ এখনি আঁচনি কমিটী বহিছিল।

১৯২৮ সনৰ ১লা এপ্ৰিল তাৰিখে সমিতিৰ দ্বিতীয় অধিবেশন বহে আৰু লগতে সতী জয়মতীৰ তিথি পলা হয়। সভাত প্ৰবন্ধাদি পাঠ কৰা হৈছিল, মেজিক লণ্ঠনৰ সহায়েৰে ডাক্তৰ শ্ৰীযুত হৰিকৃষ্ণ দাসে স্বাস্থ্য-নীতি বিষয়ে বক্তৃতা দিছিল। সেই সভাতে সকলো সভ্যাৰে মাহেকীয়া বৰঙনি।০ অনা স্থিৰ কৰা হয় আৰু সভাৰ ভঁৰাল এটি খোলাৰ আৰু দান আদি সংগ্ৰহ কৰি সেই ভঁৰাল টনকীয়াল কৰা আদি বিষয়ে আলোচনা হয়। উপস্থিত মহিলাসকলৰ ভিতৰৰ শ্ৰীযুতা হীৰাপ্ৰভা দেবী আৰু শ্ৰীযুতা স্বৰ্ণলতা দেবীয়ে ২৲ টকাকৈ ভঁৰালৰ উপলক্ষে দান আগ বঢ়ায়। সতী জয়মতীৰ তিথি প্ৰতি বছৰে পালিবলৈ স্থিৰ হয়। এপ্ৰিল মাহকে বছৰৰ আৰম্ভণি ধৰি তেতিয়াৰপৰাই বৰঙনি তোলা হয়।

২৯ এপ্ৰিল তাৰিখে তৃতীয় অধিবেশন বহে আৰু এই সভাৰ নাম কামৰূপ মহিলা সমিতি দিয়া হয়। ৯ গৰাকী সভ্যাৰে এখনি আঁচনি সমিতি গঠিত হয়। সন্তান জন্ম আৰু বিবাহাদি শুভ কৰ্ম্মত সমিতিলৈ দান বিচাৰিবলৈ স্থিৰ কৰা হয়। শ্ৰীযুতা বন্ধবালা বৰাই সন্তান জন্ম উপলক্ষে ৫৲ টকা দান আগবঢ়ায়। মহিলাসকলৰ মানসিক উৎকৰ্ষতা সাধনৰ অৰ্থে বিশিষ্ট ভদ্ৰলোকক নিমন্ত্ৰণ কৰি আনি বক্তৃতা দিয়াবলৈ স্থিৰ হয়।

চতুৰ্থ অধিবেশন ২৭ মেইত বহে। শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈক বক্তা স্বৰূপে নিমন্ত্ৰণ কৰা হৈছিল। সমিতিৰ ভঁৰালত গোট খোৱা টকা লতাশীল বেঙ্কত থবলৈ এই সভাতে স্থিৰ হয়। আৰু সেই সিদ্ধান্ত মতেই সেই বেঙ্কত ধন ভঁৰালীৰ নামে সমিতিৰ টকা জমা খোৱা

* শিৱসাগৰ ছাত্ৰসভাৰ হাতেলিখা "ৰংপুৰ" কাকতত প্ৰকাশিত।

হৈছে। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই তিৰোতা সমাজ স্বাৱলম্বী হব লাগে বুলি উপদেশ দিয়ে আৰু সমিতিৰ পৰা এখনি শিপিনী ভঁৰাল খুলিলে তাতে মহিলাসকলে কিনা-বেচা কাম শিকিব আৰু ঘৰুৱা শিল্পৰ উন্নতি কৰিব পাৰিব বুলি কয়। আৰু সোনকালে শিপিনী ভঁৰালৰ কাম হাতত লবলৈ সমিতিক ২০০৲ টকা দান দিয়ে। তেখেতৰ উদগণিতে সমিতিৰপৰা শীঘ্ৰে শিপিনী ভঁৰাল খুলিবলৈ এই সভাতে স্থিৰ কৰা হয়। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী আৰু ৺সুধালতা দুৱৰাৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰা হয়।

পঞ্চম অধিবেশন ১লা জুলাইত আৰু ষষ্ঠ অধিবেশন ২৯ জুলাইত বহে। বৰ্ত্তমান নিয়মাৱলী ষষ্ঠ অধিবেশনতে গৃহীত হয় আৰু নিয়মাৱলী ছপা কৰাই সভ্যাসকলক বিলাই দিয়া হয়। ৯ গৰাকী সভ্যাৰে এখনি কাৰ্য্য-নিৰ্ব্বাহক সভা গঠিত হয়। শ্ৰীযুতা দুৰ্গাপ্ৰভা বৰাক সাধাৰণ আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ স্থায়ী সভানেত্ৰী পতা হয়। যুটীয়া সম্পাদিকা দুয়ো গৰাকীৰে ভিতৰত ১টা ভোট ধৰা হব বুলি সভাই স্থিৰ কৰে। লতাশীল বেঙ্কত সমুদায় টকা থলে সময়মতে উলিয়াবলৈ অসুবিধা হব বুলি ভাবি ১০০৲ স্থানীয় ডাক ঘৰত থবলৈ স্থিৰ কৰা হৈছিল। কিন্তু ছেভিংছ বেঙ্কে সমিতিৰ টকা ৰাখিবলৈ অমান্তি হোৱাত কিছু টকা ধন ভঁৰালীৰ হাততে ৰখা হয়। শিপিনী ভঁৰাল খুলিবলৈ ১৫২৲ টকা মঞ্জুৰ কৰি শ্ৰীযুতা শশীপ্ৰভা হাজৰিকাক কাৰ্য্যাধ্যক্ষা নিযুক্ত কৰা হয়। আৰু ১৩ আগষ্ট তাৰিখে ছৰ জজ শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰুৱাৰ টোলতে শিপিনী ভঁৰাল খোলা হয়। সেই তাৰিখৰপৰা মাৰ্চ্চৰ শেহলৈকে শিপিনী ভঁৰালৰ হিছাপ তলত দিয়া হল।

সপ্তম অধিবেশন ১৯ আগষ্টত বহে। আৰ্ল-ল কলেজৰ অধ্যক্ষ শ্ৰীযুত জে, বৰুৱা সভাপতি আছিল। বৰুৱা ডাঙৰীয়াই সমিতিয়ে সোনকালে সেৱিকা শাখা আৰু পুথি ভঁৰাল খোলা উচিত বুলি কয়। তেখেতৰ স্বৰ্গীয়া পত্নী ৺লতিকা দেবীৰ স্মৃতি উপলক্ষে তেখেতে পুথি ভঁৰাললৈ ১০৲ দান দিয়ে। সমিতিৰ সভ্যা লক্ষ্মীপ্ৰিয়া বৰুৱানীৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰা হয়। সমিতিৰপৰা ১০০৲ টকা আগধন দি সহায় কৰি ৺ দ্বীপচন্দ্ৰ দাসৰ তোলতে শিপিনী ভঁৰালৰ কাৰণে এটা ঘৰ কৰোৱা হয়। ছৰ জজ শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰুৱাৰপৰা সেই কামত বিশেষ সহায় আৰু সহানুভূতি পোৱা হৈছিল। শিপিনী ভঁৰালৰ ঘৰতে সমিতিৰ কাৰ্য্যালয়ো স্থাপিত হয়। এই ঘৰ আৰু মাটি ৫ বছৰৰ কাৰণে মাহে ১০৲ টকা ভাৰাত ৰেজেষ্টাৰী পট্টা লোৱা হৈছে।

কাৰ্য্য-নিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিবেশনৰ নিৰ্দ্দেশ মতে নৱেম্বৰ মাহৰ ৪ তাৰিখে নৱম অধিবেশন বহে আৰু শিপিনী ভঁৰালৰ ন ঘৰ লোৱা উৎসৱ কাৰ্য্য লগতে সমাধা কৰা হয়। সেই উৎসৱ সভালৈ সভ্যাসকলৰ মুনিহ অভিভাৱকসকলকো নিমন্ত্ৰণ কৰা হৈছিল। শিল্প বিভাগৰ অৱসৰ পোৱা ডিৰেক্টৰ ৰায় বাহাদুৰ শ্ৰীযুত কনক লাল বৰুৱা সভাপতি আছিল। সমিতিৰপৰা সেৱিকা শাখা আৰু পুথি ভঁৰাল খোলাৰ বিষয়ে আলচ কৰা হৈছিল আৰু সেই অৰ্থে উপস্থিত সমজুৱাসকলৰ পৰা দান বিচৰা হয়। সেৱিকা শাখাৰ বাবে ১২৫৲ আৰু পুথি ভঁৰালৰ কাৰণে ৯১৲ টকা দানৰ প্ৰতিশ্ৰুতি পোৱা হয়। আৰু ১১ খন বাতৰি কাকত আৰু মাহেকীয়া আলোচনী নিজ খৰচেৰে এবছৰলৈ দিবলৈ জনদিয়েকে ছহী কৰে।

দশম অধিবেশন ২৮ নৱেম্বৰত বহে। পঞ্জাব কেশৰী লালা লাজপত ৰায়ৰ বিয়োগত শোক প্ৰকাশ কৰা হয়। পুথি ভঁৰালৰ আঁচনি খনি এই অধিবেশনতে গৃহীত হয়। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ তৃতীয় অধিবেশনত শ্ৰীযুতা স্বৰ্ণলতা শইকীয়াক পুথি ভঁৰালী নিযুক্ত কৰা হয়; কিন্তু তেখেতৰ নিজৰ শয্যাগত নবীয়া আৰু শোকলগা অকাল বৈধব্য আদি কাৰণত নিয়মিত সময়ত পুথি ভঁৰাল মুকলি কৰিব পৰা নহল, যদিও কিছু কিতাপ আৰু আলোচনী আদি গোটোৱা হৈছে। আৰু আজিৰপৰাই পুথি ভঁৰাল মুকলি বুলি জনোৱা গল। পুথি ভঁৰালৰ বাবে মাৰ্চ্চৰ শেহলৈকে পোৱা



দান আৰু কি কি পুথি আৰু আলোচনী সংগ্ৰহ কৰা হৈছে তাৰ চমু তালিকা এটি কৰি পুথি ভঁৰালৰ নিয়মাৱলীয়ে সৈতে তলত দিয়া গল। নিখিল ভাৰত মহিলা সন্মিলনলৈ এই সমিতিৰ এখনি চমু বিৱৰণীৰ ইংৰাজী তৰ্জ্জমা পঠোৱা হয় আৰু এই সমিতিৰ ৩ জনা সভ্যা আৰু আসামৰ বিভিন্ন জিলাৰ ৪ জনা মহিলা প্ৰতিনিধি নিৰ্ব্বাচন কৰি উক্ত সন্মিলনীলৈ পঠোৱা হৈছিল। সমিতিৰ শিপিনী ভঁৰালতে দুখীয়া ছোৱালীক প্ৰাথমিক শিক্ষা আৰু লগতে সূতা কটা, পলু পোহা আৰু অন্যান্য ঘৰুৱা শিল্প শিক্ষা দিবলৈ মন কৰা হৈছে কিন্তু বিশেষ অসুবিধাত কাৰ্য্যত পৰিণত কৰিব পৰা নাই। একাদশ অধিবেশন ২৪ ফেব্ৰুৱাৰীত বহে। শিৱসাগৰত বহা শিল্প প্ৰদৰ্শনীলৈ সমিতিৰ শিপিনী ভঁৰালৰপৰা কিছুমান বস্ত্ৰ পঠোৱা হৈছিল। কাৰ্য্য নিৰ্ব্বাহক সভাৰ চতুৰ্থ অধিবেশনত ছিঙ্গাৰ মেচিনৰ সহায়েৰে কাপোৰত ফুল তোলা কাম দেখুৱা হৈছিল। ৺ৰামেশ্বৰ শইকীয়াৰ অকাল বিয়োগত শোক প্ৰকাশ কৰা হৈছিল। ২১ মাৰ্চ্চ তাৰিখে সতী জয়মতীৰ তিথি দ্বিতীয় বাৰ পালন কৰা হয়। প্ৰবীণ সাহিত্যিক শ্ৰীযুত কমলা কান্ত ভট্টাচাৰ্য্য উৎসৱ সভাৰ সভাপতি আছিল। অঞ্জলি প্ৰদান আৰু প্ৰবন্ধাদি পাঠ কৰা হৈছিল। উপস্থিত মহিলাসকলৰ জনদিয়েকৰপৰা দানৰ প্ৰতিশ্ৰুতি পোৱা হয়। প্ৰতিশ্ৰুতি পোৱা দানৰ সংখ্যা ৫২।০ অনা। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ পঞ্চম অধিবেশনত ১০ গৰাকী মহিলাক আসাম মহিলা সন্মিলনৰ দ্বিতীয় অধিবেশনলৈ প্ৰতিনিধি বচা হয়। আৰু যুটীয়া সম্পাদিকা দুজনাক গোৰহাটলৈ সমিতিৰ খৰচত পঠোৱা হয়।

কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্যাসকলঃ—

১। শ্ৰীযুতা দুৰ্গাপ্ৰভা বৰা—সভানেত্ৰী
২। ,, ভুবনেশ্বৰী দেবী যুটীয়া সম্পাদিকা
৩। ,, কমলা দেবী ,,
৪। ,, চন্দ্ৰপ্ৰভা বৰুৱা—ধন ভঁৰালী
৫। ,, শশীপ্ৰভা হাজৰিকা—শিপিনী ভঁৰালৰ কাৰ্য্যাধ্যক্ষা
৬। ,, স্বৰ্ণলতা শইকীয়া—পুথি ভঁৰালী
৭। ,, ৰাজবালা দাস বি এ
৮। ,, স্বৰ্ণলতা বৰুৱা
৯ ,, ধনকান্তী দেবী ফুকননী
১০। ,, প্ৰিয়লতা কাকতী বি এ

## সমিতিৰ আয়-ব্যয়ৰ হিছাপ

( ১৯২৯ সনৰ মাৰ্চ্চ মাহৰ শেহলৈকে )

সমিতিৰ আয়

| | |
|---|---|
| সমিতিৰ সৰ্ব্বপ্ৰকাৰ উন্নতিৰ বাবে পোৱা দান— | ৩২৭৸০ |
| শিপিনী ভঁৰালৰ বাবে পোৱা দান— | ২০০৲ |
| সেৱিকা শাখাৰ বাবে পোৱা দান— | ৪৫৲ |
| পুথি ভঁৰালৰ বাবে পোৱা-- | ৩৫৲ |
| বিবাহাদি শুভ কৰ্ম্মৰ বাবে পোৱা দান— | ৪৩৸০ |
| জয়মতী উৎসৱৰ বাবে পোৱা— | ১।০ |
| আদায় হোৱা বৰঙনি— | ১৮১৲ |
| মুঠ জমা— | ৮৩৩৸০ |

সমিতিৰ ব্যয়

| | |
|---|---|
| ঘৰ ভাৰা (১৯২৮ সনৰ নৱেম্বৰৰ পৰা ১৯২৯ সনৰ আগষ্টৰ শেহলৈকে একেবাৰে দিয়া হয়)— | ১০০৲ |
| ৰেজিষ্টাৰী দলিলৰ খৰচ— | ৫॥০ |
| বহি আদি লিখা উপকৰণ— | ১৭॥/০ |
| শিপিনী ভঁৰালৰ বাবে দিয়া হয়— | ৫২৲ |
| ছাপা খৰচ— | ৪৯/০ |
| মেজিক লণ্ঠনৰ বক্তৃতাৰ খৰচ— | ১৸০ |
| পুথি ভঁৰালৰ খৰচ— | ৩৬৶০ |
| চকি মেজ আদিত | ৩১।০ |
| সম্পাদিকাৰ ভ্ৰমণৰ খৰচ— | ২২৲ |
| বেঙ্কত জমা থোৱা হয়— | ৩১০৲ |
| ধন ভঁৰালীৰ হাতত থাকে— | ১০৩॥৶০ |
| | ৮৩৩৸০ |

হিছাপ পৰীক্ষা কৰি চাই ঠিক পালো।

শ্ৰীচন্দ্ৰকুমাৰ আগৰৱালা—হিছাপ পৰীক্ষক

## শিপিনী ভঁৰালৰ আয়-ব্যয়ৰ হিছাপ

| জমা | | খৰচ | |
|---|---|---|---|
| বস্ত্ৰ বেচি পোৱা:— | | মাল কিনা বাবদ খৰচ | ১৫০৭৬৯ |
| চাহ | ১২০।০ | আলমাৰি আদি ১বস্তাম | ৩৬৬৶০ |
| কিতাপ | ৪৭।০ | বহি কাগজ আদি লিখা সজুলি | ১০।০ |
| কাপোৰ | ৭০১॥০ | টিকট আৰু ভি, পি.। খৰচ | ৭॥০ |
| আচাৰ আদি | ২৮৶৩ | জাননা খৰচ | ৫৲ |
| তাঁতৰ সজুলি | ১৮॥৩ | উৎসৱৰ খৰচ | ১৮।৯ |
| গুনা | ১৩২॥৩ | পুথি ভঁৰাললৈ ধাৰে দিয়া হয় | ১১৲ |
| সূতা | ৩৬৬৶৩ | | ১৫৯৬৶৯ |
| বটল | ৩॥৶০ | হাতত থাকে | ২৮৯ |
| লেফেফা আদি | ৬৶৩ | | ১৮৮৫৶৬ |
| পেকিং ডাক খৰচ আদায় | ৮৶০ | | |
| বেচিবলৈ দিওঁতাসকলৰ জমা | ৩০০৶০ | | |
| সমিতিৰ পৰা পোৱা জমা | ১৫২৲ | | |
| মুঠ | ১৮৮৫৶৬ | | |

## শিপিনী ভঁৰালৰ লাভ-লোকচানৰ হিছাপ

| | | | |
|---|---|---|---|
| মাল বিক্ৰি | | মাল খৰিদ | ১৫০৭৬৯ |
| চাহ | ১২০।০ | টিকট ভি, পি, | ৭॥০ |
| কিতাপ | ৪৭।০ | বহি কাগজ আংশিক | ৫৲ |
| কাপোৰ | ৭০১॥০ | জাননী | ৫৲ |
| আচাৰ আদি | ২৮৶৩ | | ১৫২৫।৯ |
| তাঁতৰ সলি | ১৮॥৩ | লাভ | ৭৪৬৶৯ |
| গুনা | ১৩২॥৩ | | ১৬০০৶৬ |
| সূতা | ৩৬৬৶০ | | |
| বতল | ৩॥৶০ | | |
| লেকাফা আদি | ৬৶৬ | | |
| পেকিং খৰচ আদি | ৮৶০ | | |
| | ১৪৩৩॥৶৬ | | |
| মাল মজুত | ১৬৬॥৶০ | | |
| | ১৬০০৶৬ | | |

শিপিনী ভঁৰালৰ আয়-ব্যয়ৰ হিছাপ আৰু লাভ-লোকচানৰ হিছাপ পৰীক্ষা কৰি চাই ঠিক পালো। বোকৰ বাকীত বহীৰ সৈতে ৭।।৯ পাই যি গৰমিল ওলাইছে পাছে চাই পুনৰ জনোৱা হব। আগলৈ যি দিহা মতে হিছাপ ৰখা সুবিধা হব তাৰ পৰামৰ্শ পাছে দিয়া হব।

শ্ৰীচন্দ্ৰকুমাৰ আগৰৱালা—হিছাপ পৰীক্ষক

১৮।৬।২৯



## পুথি ভঁৰালৰ হিছাপ

### আদায় হোৱা দান

শ্ৰীযুত জে, বৰুৱা বাৰ-এট-ল ডাঙৰীয়াই তেখেতৰ৺ পত্নী লতিকা দেৱীৰ স্মৃতি উপলক্ষে এককালীন দান কৰে—১০

| | |
|---|---|
| শ্ৰীযুত তৰুণৰাম ফুকন বাৰ-এট-ল ডাঙৰীয়াই দান কৰে | ১০৲ |
| ,, কেশৱকান্ত বৰুৱা ডাঙৰীয়াই ,, ,, | ১০৲ |
| শ্ৰীযুতা জানকী দেৱী বৰুৱাই ,, ,, | ৫৲ |
| মুঠ | ৩৫৲ |

## প্ৰতিশ্ৰুতি পোৱা দানৰ বাকী

| | |
|---|---|
| শ্ৰীযুতা ভুবনেশ্বৰী দেৱী | ৫৲ |
| শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য | ১৲ |
| ডাক্তৰ হৰেকৃষ্ণ দাস | ১৲ |
| ,, সুৰেন্দ্ৰ নাথ দত্ত | ২৲ |
| শ্ৰীযুত কাশীনাথ শইকীয়া এম, এল, ছি | ৩৫৲ |

শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াই প্ৰতিশ্ৰুতি দিয়া ১০৲ টকাৰ বাবে তলত লিখা ১১ খন পুথি দিয়ে—

১। মহাভাৰত বিৰাট পৰ্ব্ব, ২। উদ্যোগ পৰ্ব্ব, ৩। ভীষ্ম পৰ্ব্ব, ৪। শৈল্য পৰ্ব্ব, ৫। শান্তি পৰ্ব্ব, ৬। স্বৰ্গাৰোহণ পৰ্ব্ব, ৭। শকুন্তলা, ৮। শ্ৰীশঙ্কৰদেৱ (চৰিত্ৰ) ৯। ধীৰেশ্বৰাচাৰ্য্য, ১০। আসাম বুৰঞ্জীমূলক মানচিত্ৰ, ১১। অসম প্ৰতিভা (নাটক)

শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই নিজে ৰচা পুথি ৫ খন দিয়ে—১। মনোমতী ২। মিৰি জীয়ৰী ৩। দন্দুৱা দ্ৰোহ, ৪। ৰঙ্গিলী, ৫। নিৰ্ম্মল ভকত।

শ্ৰীযুত জে, বৰুৱা বাৰ-এট-ল ডাঙৰীয়াই ২ খন পুথি দিয়ে—১। খাস্থ. ২। বন্ধা-বঢ়া। আৰু তেখেতে মাজে মাজে "টাইমছ অব ইণ্ডিয়া" নামৰ ইংৰাজী মাহেকীয়া আলোচনী একোখনি দি আমাক এই বিষয়ে উদগাই থাকে। সেৰিকা শাখালৈ বুলি তেখেতে ১০৲ ছহি কৰিছিল সেই দহ টকাও তেখেতৰ প্ৰিয় পত্নী স্বৰ্গীয়া লতিকা দেৱীৰ স্মৃতিৰ উপলক্ষে পুথি ভঁৰালৰ খৰচৰ কাৰণেহে দিম বুলি আমাক জনাইছে।

## একেবাৰে দান পোৱা আলোচনী

শ্ৰীযুত পদ্মধৰ বৰাই প্ৰতিশ্ৰুতি দিয়া ৩৲ টকাৰে "জীবনের আলো" নামৰ বঙালী মাহেকীয়া আলোচনী খনি অনাই দিয়ে। ডাক্তৰ ভুবনেশ্বৰ বৰুৱাই "প্ৰবৰ্ত্তক" এবছৰলৈ, শ্ৰীযুত ৰজনীকান্ত শইকীয়াই "বঙ্গলক্ষ্মী" ১৬ মাহলৈ, শ্ৰীযুত জে, বৰুৱা বাৰ-এট-লই "মাতৃ মন্দিৰ" ২ বছৰলৈ (বন্ধাই দিয়া প্ৰতিশ্ৰুতিৰে), ৺ স্বৰ্গীয় ৰামেশ্বৰ শইকীয়াই "মিলন" এবছৰলৈ, শ্ৰীযুতা স্বৰ্ণলতা শইকীয়াই "পশুপালন" এবছৰলৈ, শ্ৰীযুতা চন্দ্ৰপ্ৰভা বৰুৱাই "আসাম সাহিত্য সভা পত্ৰিকা" আৰু "অসমীয়া" এবছৰলৈ দান কৰে।

ইয়াৰ বাহিৰে সমিতিৰপৰা হিন্দী আলোচনী "চাঁদ" লোৱা হৈছে।

প্ৰতিশ্ৰুতি পোৱা আলোচনী কিন্তু ৩১ মাৰ্চ্চ তাৰিখলৈকে পোৱা নহয়।

| | | |
|---|---|---|
| শ্ৰীযুত কাশীনাথ শইকীয়া | "আৰ্থিক উন্নতি" | এবছৰলৈ |
| শ্ৰীযুত লক্ষ্মীনাথ ফুকন | "বাঁহী" | ,, |
| ,, গঙ্গা প্ৰসাদ বৰুৱা | "ধৰ জেউতি" | ,, |
| শ্ৰীযুতা ভুবনেশ্বৰী দেৱী | "বেণু" | ,, |

মাৰ্চ্চ মাহৰ শেহলৈকে মুঠতে ১৮ খন পুথি, ৮ খন আলোচনী আৰু সাদিনীয়া বাতৰি কাকত ১ খন পুথি ভঁৰালত গোট খাইছে।

## পুথি ভঁৰালৰ নিয়মাৱলী

১। এই পুথি ভঁৰালৰ নাম কামৰূপ মহিলা সমিতিৰ পুথি ভঁৰাল হব।

২। এই পুথি ভঁৰাল চলাবলৈ এজনা মহিলা পুথি ভঁৰালী (Librarian) থাকিব।

৩। (ক) পুথি ভঁৰালীয়ে পুথি আদিৰ এটা জমা বহি (Stock Book) আৰু ঘৰলৈ নি পঢ়াৰ এটা টোকা বহি ৰাখিব।

(খ) ইয়াৰ বাহিৰেও ৰৰঙনিৰ আৰু জমা খৰচ আদিৰ বহি নিয়ম মতে ৰাখিব।

(গ) সমিতিৰ হিছাপ পৰীক্ষকেই পুথি ভঁৰালৰো হিছাপ পৰীক্ষা কৰিব। হিছাপ পৰীক্ষকে হিছাপ পৰীক্ষা

কৰাৰ পাছত পুথি ভঁৰালীয়ে হিছাপৰ টোকা এটা বা হিছাপ পৰীক্ষকে হিছাপৰ টোকা কৰি দিলে তাৰ নকল এটা সমিতিৰ হিছাপত ভুক্ত কৰিবৰ কাৰণে সমিতিৰ সম্পাদিকালৈ যথা সময়ত পঠাব।

৪। এই পুথি ভঁৰালৰ সকলো কাম কামৰূপ মহিলা সমিতিৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ তত্বাবধানত হব আৰু পুথি ভঁৰালী জনাও সেই কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভ্যাৰ ভিতৰৰে হব লাগিব।

৫। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়েই পুথি ভঁৰালৰ ধন সংগ্ৰহ কৰা আৰু নতুন পুথি কিনা আদি বিষয়ৰ সকলো কাম কৰিব।

৬। পুথি ভঁৰালত অসমীয়া, বঙ্গালী, হিন্দী, সংস্কৃত, ইংৰাজী, আদি ভাষাৰ গল্প, উপন্যাস আদি, ধৰ্ম্ম আৰু নীতি, শিল্প আদি বিষয়ৰ সকলো বিধৰ কিতাপ, বাতৰি-কাকত আৰু মাহেকীয়া আলোচনী আদি ৰখা হব।

৭। কামৰূপ মহিলা সমিতিৰ সকলো সভ্যাই এই পুথি ভঁৰালৰ পুথি আৰু বাতৰি-কাকত আদি পুথি ভঁৰাল মুকলি থকা নিৰূপিত সময়ত আহি পঢ়িবহি পাৰিব।

৮। সভ্যাসকলে পুথি আদি ঘৰলৈ নি পঢ়িব খুজিলে ভঁৰালত ২৲ টকা জমা দিব লাগিব আৰু মাহে /০ অনাকৈ বৰঙনি দি পুথি ভঁৰালৰো সভ্যা হব লাগিব। জমা দিয়া দুটকা তেখেতসকলে নিয়া কোনো কিতাপ আদি হেৰুৱাব বা নষ্ট কৰাৰ বাবে কটা নগলে পাছত ঘূৰাই পাব।

৯। কামৰূপ মহিলা সমিতিৰ সভ্যা নোহোৱা মহিলায়ো ইচ্ছা কৰিলে এই পুথি ভঁৰালৰ সভ্যা হব পাৰিব। কিন্তু তেখেতসকলে মাহে ৵০ অনাকৈ বৰঙনি দিব লাগিব আৰু ওপৰৰ নিয়মত কোৱা দৰে পুথি আদি ঘৰলৈ নি পঢ়িব খুজিলে ৪৲ চাৰি টকা জমা দিব লাগিব। ওপৰৰ নিয়মেৰেই পাছত সেই টকা ঘূৰাই পাব।

১০। পুথি, আলোচনী আদি প্ৰত্যেক বাৰ এখনকৈ মাথোন ঘৰলৈ নিব পাৰিব। প্ৰত্যেক কিতাপ ১০ দিনলৈ, আলোচনী ৫ দিনলৈ আৰু বাতৰি কাকত ৩ দিনলৈ হে ঘৰত ৰাখিব পাৰিব। সেই নিৰূপিত দিনৰ ভিতৰত পঢ়া শেষ নহলে তেখেতসকলে ভঁৰালত সেই পুথি বা আলোচনী ঘূৰাই দি আন এজনাই সেই পুথি বা আলোচনী নিবিচাৰিলে আকৌ দ্বিতীয় বাৰ সিমান দিনলৈ নিব পাৰিব।

১১। আলোচনী আৰু বাতৰি কাকতবিলাক পাছৰ সংখ্যা নোলোৱালৈকে পুথি ভঁৰালৰ পৰা ঘৰলৈ নি পঢ়িবলৈ নেপাব।

১২। পুৱা ৭ বজাৰ পৰা ৯ বজালৈ আৰু আবেলি জহৰ দিনত ৪॥ বজাৰ পৰা ৬॥ বজালৈ আৰু জাৰৰ দিনত ৩॥ বজাৰ পৰা ৫॥ বজালৈ পুথি ভঁৰাল মুকলি থাকিব।

১৩। কোনো সভ্যাই একে লেথাৰিয়ে তিনিমাহৰ বৰঙনি নিদিলে বা নিয়মিত সময়ত পুথি আদি ঘূৰাই নিদিলে আৰু পুথি ভঁৰালীয়ে তেওঁক চিঠিৰে জনোৱাৰ পাছতো নিয়ম নেপালিলে তেওঁ পুথি ভঁৰালৰ সভ্যা শ্ৰেণীৰ পৰা বাদ পৰিব।

১৪। কাৰ্য্য নিৰ্ব্বাহক সভাক উপযুক্ত কাৰণ দেখুৱাই আৰু আগৰ বাকী বৰঙনি আদি দি আকৌ সভ্যা হব পাৰিব।

## সাঁথৰণি

আমাৰ সমিতিৰ নিয়মাৱলীৰ ৯ নং নিয়মানুসাৰে কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্যা শ্ৰীযুতা প্ৰিয়লতা কাকতি বি-এক সমিতিৰ হিছাপ পৰীক্ষকৰ বাব দিয়া হৈছিল। কিন্তু তেখেত গুৱাহাটীৰ পৰা যোৱাত সেই পদ খালি হৈ থাকে। ১৯২৯ সনৰ ২ জুন তাৰিখে বহা কাৰ্য্যনিৰ্ব্বাহক সভাই শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াক সমিতিৰ হিছাপ পৰীক্ষা কৰিবলৈ অনুৰোধ কৰে। সেই অনুৰোধ মতে তেখেত, শ্ৰীযুত প্ৰিয়লাল বৰুৱা, আৰু শ্ৰীযুত নাৰায়ণচন্দ্ৰ বৰদলৈ তিনিও লগ লাগি সমিতিৰ হিছাপ আদি চাই-চিতি দিছে আৰু আগলৈ সমিতি আৰু শিপিনী ভঁৰালৰ হিছাপ আদি কেনেকৈ ৰাখিলে ভাল হয় তাৰ দিহা লগাই দিবলৈ গাত লৈছে। তেখেতসকলে নিজৰ অশেষ ক্ষতি কৰি সমিতিক সহায় কৰা বাবে সমিতিৰ হৈ তেখেতসকলৰ শলাগ লোৱা হল।



শিপিনী ভঁৰাল খোলাত শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ আৰু পুথি-ভঁৰাল খোলাত শ্ৰীযুত জে বৰুৱা ডাঙৰীয়াৰ বিশেষ সহায় আৰু সহানুভূতিৰ বাবে সমিতিৰ হৈ শলাগ জনালো, আৰু ভালেমান ভদ্ৰলোক আৰু মহিলাই টকা আৰু কিতাপ দান দি আৰু বুদ্ধি-পৰামৰ্শ আৰু কাৰ্য্যেৰে সহায় কৰি সমিতিৰ কৃতজ্ঞতা ভাজন হৈছে। ইতিপূৰ্ব্বে বাতৰি-কাকতত তেখেতসকলৰ নাম উল্লেখ কৰি গাইপতি শলাগ লোৱা হৈছিল কাৰণে ইয়াত পুনৰ উল্লেখ নকৰি সমূহতে তেখেতসকলৰ শলাগ লোৱা হল। আৰু তেখেতসকলৰপৰা আগলৈকো সহায় সহানুভূতি পাই থাকিবৰ আশা কৰিলোঁ।

শ্ৰীকমলাদেবী, শ্ৰীভুবনেশ্বৰী দেবী—যুটীয়া সম্পাদিকা

---

# মাৰ গল

## ( চুটি-গল্প )

বহল পথাৰৰ এচুকত সুবৃহৎ কাৰখানা। পথাৰৰ সিপাৰে পাহাৰৰ শাৰী। চিমনিৰ ধোঁৱা গৈ পাহাৰৰ কাষৰ ডাৱৰত মিলি যায়। ওচৰ-চুবুৰীয়া আৰু দূৰৈৰ অনেকে তাত কাম কৰিবলৈ আৰু শিকিবলৈ আহিছে। দূৰ-দূৰণিৰ হেম আৰু চন্দ্ৰয়ো তাত কাম শিকিবলৈ আহিছে। বাস্তবিক সিহঁতৰ ঘৰ কাৰখানাৰপৰা অনেক আঁতৰত। সিহঁত দুয়ো ইংৰাজী স্কুলৰ ওপৰ শ্ৰেণীত পঢ়িছিল। কিয় জানো এদিন ৰাতি দুই বন্ধু একেৰকম পলায়েই আহি এই বিশাল কাৰখানাত সোমালহি। নিশ্চয় সিহঁতৰ হৃদয়ত কিবা উচ্চ আশাৰ সঞ্চাৰ হৈছিল। নহলেনো সেই নৱনীত কোমল হাতেৰে লোহা খুন্দিবলৈ, সেই চকচকীয়া, সবিস্ময় ফুলৰ দৰে গাত কয়লাৰ ধোঁৱা—তেলচিকতি লগাবলৈ সিহঁতৰ বং লাগিছিলনে? নাইবা সিহঁতৰ বিচিত্ৰতাহীন জীৱন ভাল নালাগিছিল?

গোটেই দিনত এখন্তকো জিৰণি নাছিল। দেওবাৰটোহে বাদ পৰে। সিহঁতে দেওবাৰটো সোনকালে পাবৰ কাৰণে বৰ চঞ্চল হৈ উঠে। সেইদিনা তেও দুই বন্ধুৱে হাঁহি-মাতি প্ৰাণ খুলি গাবৰ অৱকাশ পায়। প্ৰত্যেক দেওবাৰেই কাৰখানাৰ পৰা অলপ দূৰৈৰ পথাৰত ফুৰিবলৈ যায়। বৰ সুন্দৰ, মুকলি পথাৰখন চাৰিউপিনে ডাঠ হাবিয়ে ঘূৰণীয়াকৈ আগুৰি থৈছে। মাজত থিয় হলে দেখি নীল আকাশ চাৰিউপিনে বিয়পি পৰি ক্ৰমান্বয়ে চাৰিওপিনৰ হাবিৰ লগত মিলি গৈছে।

আঁতৰৰ পৰা ভাঁহি অহা গৰখীয়া লৰাৰ পেঁপাৰ বিননিয়ে সিহঁতৰ প্ৰাণত নতুন উৎসাহৰ ঢৌ তুলি দিয়ে। কত কথা সিহঁতৰ মনত পৰে। সিহঁতৰো এনেকুৱা বৰ পথাৰ আছে, ঠিক এনেকুৱাই। সেইদিনা দেওবাৰ! দিনটো বেছ পৰিষ্কাৰ। ওখ টিলা এটাৰ ওপৰত সিহঁত বহিল। হঠাৎ আবিৰ্ভাব হল সিহঁতৰ জীৱন নাটকৰ নায়িকা। এজনী তেৰ বছৰীয়া ছোৱালী—গৰু পোৱালি এটা বিচাৰি আহি আগতে সিহঁতক দেখি বৈ গল—অকণো লাজ নকৰিলে, ইতস্ততঃ নকৰিলে। পোনে পোনেই সুধিলে—'হেৰি, এই পিনেদি আমাৰ নোদোকাকৈ কলা পোৱালি এটা আহিছিল নে?" সিহঁতে 'নাই অহা' বুলি মূৰ জোকাৰোতেই তাই পখিলাটিৰ দৰে দেও দি দি, সিহঁতৰ চকুত বিজুলী চমক লগাই গুচি গল। সিহঁতক শুনায়েই গাই গল—

"এই পিনে কোনে গল বুকুৰে ধনে গল
খোজত মৰি গল বন
উলটি পালটি নাচাবি ঐ মালতী
কেনেবা কৰিছে মন।"

সিহঁতে ভাবিলে বনদেবীনে কি! নহয়—নহয়—বনদেবী নহয়, মুকলি-মূৰীয়া অসম-জীয়াৰীহে। সিহঁতে তৎক্ষণাৎ উপলব্ধি কৰিলে, 'ঠিক! যেতিয়া গোটেই আসামৰ ছোৱালী-হঁত এনে নিৰ্ভীক স্বাধীনচেতা হব পাৰিব তেতিয়াই আসামৰ স্বৰাজ লাভ হব'

কিহৰ আকৰ্ষণ জানো! সেই দিনাৰ পৰা সিহঁত সদায় সেই থিনিতে বহে। ছোৱালীজনীও ঠিক সেই সময়তে সেই পিনে আহে। দুয়ো তাইক অনেক কথা সোধে, তায়ো বালিকাসুলভ চপলতাৰে সৈতে অনেক কথা কৈ পেলায়। চিনাকি হৈ গল। তাই কয় তোমালোকে বাটি লৈ আহিবাচোন মই ইয়াতে গৌ কলী গাইজনী খিৰাই দিম খাবা। তাৰ পাছৰটো দেওবাৰে আকৌ সিহঁত আহিল খুব সোনকালে। আহোঁতে ভাবিলে 'তাই আমাক গাখীৰ খাবলৈ দিয়ে—আমি কিবা লৈ গলেনো বেয়া হবনে?' হেমে কিনিলে এডাল নকলি সোণৰ শিকলি। চন্দ্ৰই কিনিলে এচিচা তেল। তাই সিহঁতকৈও আগেয়ে আহি বহি আছেহি। কোচত একোচ বনৰীয়া ফুল। চন্দ্ৰই দিলে চিচাটো তাইৰ হাতত গুজি, হেমই দিলে শিকলিডাল তাইৰ

ডিঙিত সুমাই। তাইৰ আৰু হেমৰ শৰীৰ কপি উঠিল। তাইৰ হাতৰ আৰু কোচৰপৰা ফুলবোৰ সৰি পৰিল -হেমৰ ভৰিত।

হেমই কলে 'আইটী, তুমি সদায় আহিবা দেই।' তাই ডিঙি দাঙি সন্মত জনালে। কি অপূৰ্ব্ব ভঙ্গিমা! বতাহত তাইৰ চুলিবোৰ গালেমুখে সিচৰিত হৈ পৰিছিল। তাইৰ উজ্জ্বল গৌৰ বৰ্ণ ৰদত থাকি থাকি তামৰ দৰে ৰঙা হৈ গৈছিল। তাইৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গই স্বাধীনতাৰ দাবী কৰি গৌৰৱত ফুলি উঠিছিল। প্ৰকৃতিয়ে যেন নিজৰ ইচ্ছামতেহে তাইক গঢ়ি লৈছিল। ছোৱালীজনীক মাজত লৈ সিইঁতৰ সভা বহিল। তাইৰ লেপেৰি নিছিগা কথাৰ কোবত সিইঁত থতমত খাই গল। অথচ নিচেই সামান্য কথা। তাইৰ যেন এই তেৰ বছৰৰ জীৱনটিত কিমান অভিজ্ঞতা। তাইৰ লনী মুখখনিলৈ চাই চাই হেপাহ নপলায়, যেন চায়েই থাকিব।

৫৩৯৮/অ:

দেওবাৰ নহলেও হেমই জৰৰ ভাও ধৰি ছুটি লৈ পথাৰলৈ আহে। পাহৰি যায় তাৰ ঘৰৰ কথা, তাৰ বন্ধুৰ কথা,—আৰু তাৰ নিজৰ কথা। আকৌ এটা দেওবাৰ। সিইঁত দুয়ো আগৰ ঠাইতে বহিলহি। কৰবাৰপৰা সেই একেই ভঙ্গিমাৰে, দেও দি দি ছোৱালীজনী আহি ওলালহি। কথাৰ স ফুৰা মেলি দিলে। ঠাট্টা, তামাচা, মান, অভিমান আৰু কত কি! তাই হেমৰ লগত খুব ধেমালি কৰিলে, খুব কথা পাতিলে, প্ৰাণ খুলি হাঁহিলে। চন্দ্ৰই কিন্তু আগৰ দৰেই স্থিৰ নিশ্চল হৈ চায়েই থাকিল। এনেতে আঁতৰত পোৱালি এটাই হেঁপেলিয়াত, তাই "আই ঐ দেহি একে ঠাইতে থাই আছে। সোঁকালে খেদি থৈ আহোঁগৈ" বুলি আঁতৰি গল। হেমও পাছে পাছে গল। চন্দ্ৰই দেখিয়েই আছিল। সিইঁত দুয়ো বেছ হাঁহি-মাতি যাব লাগিছে। মাজে মাজে ছোৱালীজনী অস্থিৰ হৈ হেমৰ গাত হাউলি পৰে। যেন এডালি লতাহে। চন্দ্ৰৰ চকু স্থিৰ। হঠাৎ সন্দেহৰ ডাঠ কলা মেঘে চন্দ্ৰৰ বুকুৰ উজ্জ্বল পোহৰ খিনি তেনেই চানি পেলালে।

তাৰ পাছত সিইঁত দ পথাৰৰ ফালে নামি গোৱাত আৰু নেদেখা হল। কোনে যেন চন্দ্ৰৰ হৃদপিণ্ড বিহ-সনা কটাৰীৰে টুকুৰা টুকুৰ কৰি কাটিছে! অন্তস্থল ভেদি, গভীৰ হাহাকাৰ কৰি, চন্দ্ৰৰ মুখৰপৰা ওলাল "অবিশ্বাসী"! খিয় হব খুজিছিল নোৱাৰিলে। যেন সৌ পাহাৰটো তাৰ পিঠিৰ ওপৰত হে কোনোবাই দি থৈছে। বহুত বেলিৰ মুৰত হেম ঘুৰি আহিল। মাতিলে—"চন্দ্ৰ!" শূন্য দৃষ্টিৰে চন্দ্ৰই চাই পঠিয়ালে হেমৰ মুখলৈ। হেমৰ বুকু অজান আতঙ্কত কঁপি উঠিল চন্দ্ৰৰ মুখ যে নিস্তেজ। মৰিশালিৰ দৰে বিকট, শূন্য। ছোৱালীজনীও আহিছিল। তাই কলে "ঔ আই আপুনি উঠিবই নোৱাৰা হল।" চন্দ্ৰই কাঠ হাঁহি মাৰিলে। তাই হঠাৎ চিঞৰি কৈ উঠিল "বুজিছোঁ, বুজিছোঁ, ই তোমাৰ ধাৰ কৰা হাঁহি! নিজৰ নহয়, নহয়।" বিজুলী চমকত তাই গুচি গল।

"উঠ, উঠ, ভাই বহুত বেলি হল" বুলি হেমই চন্দ্ৰক বলেৰে তুলি দিলে। দুয়ো আহিল। বাটত এখন নদী পাৰ হব লাগে। আহোঁতে সদায় দলঙৰপৰা নদীৰ অপুপন দৃশ্য চাই আহে। আজিও ৰল। চন্দ্ৰই নিস্তব্ধ হৈ ৰেলিঙত ধৰি তললৈ চাই আছিল। হেমই আজিৰ সাৰ্থকতাৰ কথা ভাবি আনন্দাপ্লুত হৈ এটা গানৰ সুৰ মনত পেলাইছিল। তেতিয়া বেলি বহোঁ বহোঁ, আকাশত আৰু নৈত যেন কোনোবাই সেন্দূৰ সানিহে দিছে। হেমই ভাবিলে, তাৰ মানস-আকাশতো কোনোবাই আজি ৰঙা সেন্দুৰ সানি দিলে।

হঠাৎ শব্দ শুনি ইফালে চাই দেখে সৰ্ব্বনাশ! চন্দ্ৰ ৰেলিঙৰ ওপৰেদি উবুৰি খাই নৈত পৰিল। পৰ্ব্বতীয়া নৈ, অকাই-পকাই কোৰেৰে গৈছে। ডাঙৰ ডাঙৰ গছ গছনিকো খণ্ড-বিখণ্ড কৰি চাক নৈয়াত সুমুৰাইছে। হেমই চাই দেখিলে, যিমান দূৰ চকু যায় সিমান দূৰ খালি পানী আৰু ফেন। আকাশত ফাকুৱা খেলি বেলি কেতিয়াবাই মাৰ গল। চন্দ্ৰৰ জীৱন-বেলিও মাৰ গল, লগে লগে মাৰ গল হেমৰ প্ৰাণত হুমুকিয়া নতুন সুৰৰ মুৰ্চ্ছনা, আৰু মাৰ গল তাৰ প্ৰাণৰপৰা সেই ছোৱালী জনীৰ গভীৰ স্মৃতি!

তাৰ জীৱনৰ কত দিন পাৰ হৈ গৈছে। সি এদিনো ভাবিব পৰা নাই সেই ছোৱালীজনীৰ কথা। তাৰ কৰুণ গভীৰ নিশ্বাসৰ লগত ওলাই আহে "কিঃ চন্দ্ৰই এনে কৰিলে?" কিয় এনেকৈ ফাকি দিলি বন্ধু!


বাকী জীৱনতো সি সময় নাপালে সেই ছোৱালী জনীৰ কথা ভাবিবলৈ এক মুহূৰ্ত্তৰ কাৰণেও!

শ্ৰীগোলোকচন্দ্ৰ পূজাৰী

---

৫৩৯৯/অ:
১৫.৮.৯৯

বাঁহী ঃ—



৺ভোলানাথ দাস

নিউ প্ৰেছ, গুৱাহাটী